www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অপেক্ষা আৰু আশা - এই শব্দ দুটাতেই মানৱ বুদ্ধিমত্তাৰ সকোখিনি নিহিত হৈ আছে। —আলেকজেণ্ডাৰ ডুমা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২২৭ | শনিবাৰ | ৮ নৱেম্বৰ, ২০২৫ চন | ২১ কাতি, ১৯৪৭ শক | VOL - 6 | NO.- 227 | Saturday | 8th November, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

৫০,০০০ কোটিৰ অস্ত্ৰ ৰপ্তানিৰ লক্ষ্য ঘোষণা ৰাজনাথ সিংহৰ

## ৰাছিয়াৰ পৰা S-400 ক্ৰয়ৰ পৰিকল্পনা ভাৰতৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ৭ নৱেম্বৰ ঃ** ভাৰতে নিজৰ নিৰাপত্তাৰ সৈতে কোনো আপোচ নকৰে বুলি স্পষ্ট কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিংহে ঘোষণা কৰে যে, আহিবলগীয়া সময়ত ৰাছিয়াৰ পৰা অধিক S-400 এয়াৰ ডিফেন্স ছিষ্টেম ক্ৰয় কৰা হ'ব। ▸▸ ৬ পৃষ্ঠাত

## জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন নিৰ্মলা সীতাৰমণৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ নৱেম্বৰ ঃ** দুদিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে অসমলৈ অহা কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে শুকুৰবাৰে দিনৰ ভাগত লোকপ্ৰিয় গোপীনাথ ▸▸ ৬ পৃষ্ঠাত

▲ অসমক "নতুন সম্ভাৱনাৰ ভূমি" আখ্যা ▼

"চৰকাৰে এটা গাহৰিৰ পোৱালিৰ বাবদ মাত্ৰ ২,৫০০ টকা, এক কুইণ্টলৰ ওপৰৰ গাহৰিৰ বাবদ ১২,০০০ টকা দিয়ে"

▪ ৰাজ্যৰ ১০ লাখৰো অধিক গাহৰি পালকৰ জীৱন-জীৱিকাত দুৰ্যোগ ▪

# ৰাজ্যজুৰি আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ

### বৃহৎ লোকচানৰ সন্মুখীন গাহৰি পালক, তীব্ৰ ক্ষোভ সদৌ অসম গাহৰি পালক সন্থাৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ নৱেম্বৰ ঃ** অসমত আফ্ৰিকান ছোৱাইন ফিভাৰে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই ৰোগৰ সংক্ৰমণ ৰোধ কৰিবলৈ পশুপালন বিভাগে ইতিমধ্য হাজাৰ হাজাৰ গাহৰি নিধন কৰিছে। ইয়াৰ ফলত ৰাজ্যৰ ১০ লাখৰো অধিক গাহৰি পালকৰ জীৱন-জীৱিকাৰ ওপৰত দুৰ্যোগ নামি আহিছে। প্ৰতি বছৰে এই ৰোগৰ ফলত গাহৰি পালকসকলে বিপুল লোকচানৰ সন্মুখীন হয়। এইবাৰো একে বিপৰ্যয়ৰ মাজত চৰকাৰ আৰু বিভাগৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰিছে সদৌ অসম গাহৰি পালক সন্থাই। সন্থাই অভিযোগ উত্থাপন কৰিছে যে উপযুক্ত ▸▸ ৬ পৃষ্ঠাত

## আজি স্থাপন কৰা হ'ব কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা

**ষ্টাফ ৰিপৰ্টাৰ, গহপুৰ, ৭ নৱেম্বৰ ঃ** অসমৰ উত্তৰাঞ্চলত অত্যাধুনিক শিক্ষাৰ নতুন দিগন্ত উন্মোচনৰ পথ মুকলি হ'বলৈ ওলাইছে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰতিশ্ৰুতি অনুসৰি গহপুৰৰ ঐতিহাসিক ভোলাগুৰি চাহ বাগিচাত ▸▸ ৬ পৃষ্ঠাত

৩০৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ এই টাৰ্মিনেল

## গুৱাহাটীত দুটা অভিলাষী প্ৰকল্প উদ্বোধন বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ

### গুৱাহাটী প্ৰৱেশদ্বাৰ টাৰ্মিনেল, ঘাট মুকলি নিৰ্মলা সীতাৰমণৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ নৱেম্বৰ ঃ** ব্ৰহ্মপুত্ৰ নদীৰ পাৰত নতুন ৰূপত জিলিকি উঠা ৰিভাৰফ্ৰণ্ট প্ৰকল্পৰ আনুষ্ঠানিক উদ্বোধন কৰিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। শনিবাৰে গুৱাহাটীত অনুষ্ঠিত এই উদ্বোধনী কাৰ্যসূচীত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও জনমুখী ঘোষণা কৰি ▸▸ ৬ পৃষ্ঠাত

## LP-UP শিক্ষকৰ ৫৫৫০ পদৰ চূড়ান্ত ফলাফল ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ নৱেম্বৰ ঃ** প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এক ডাঙৰ খবৰ। এলপি (LP) আৰু ইউপি (UP) ▸▸ ৬ পৃষ্ঠাত

## 'বন্দে মাতৰম'এ শুই থকা জাতিক জগাই তুলিছিলঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



**ষ্টাফ ৰিপৰ্টাৰ, দিছপুৰ, ৭ নৱেম্বৰ ঃঃ** ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে শুকুৰবাৰে পুৰা জনতা ভৱনত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ দি কয়, "এই পবিত্ৰ গীতটোৱে এসময়ত শুই থকা জাতিক জগাই তুলিছিল, সাহসৰ অমৃত-সুধাৰে সঞ্জীৱিত কৰি স্বাধীনতাৰ দুৰ্জয় সপোন সিঁচিছিল।" অনুষ্ঠানত মূল ৰূপত 'বন্দে ▸▸ ৬ পৃষ্ঠাত

## CID কাৰ্যালয়ত ১২ ঘণ্টা জেৰাৰ সন্মুখীন টাৰচেম মিট্টাল



**ষ্টাফ ৰিপৰ্টাৰ, মহানগৰ, ৭ নৱেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ প্ৰায় ৫০ দিন পাছতে তদন্ত প্ৰক্ৰিয়াই নতুন দিশ ▸▸ ৬ পৃষ্ঠাত

জব্দ ৫৫টা সজীৱ গুলি, গ্ৰেনেড, দুটা ডিটেনেট

## আলফা স্বাধীনৰ প্ৰাক্তন কেডাৰ বিজয় অসম ওৰফে পাপ্পু কোচক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৭ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে আলফা স্বাধীনৰ প্ৰাক্তন কেডাৰ বিজয় অসম ওৰফে পাপ্পু কোচক। বিজয় অসমৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিলে ৫৫টা সজীৱ গুলি, গ্ৰেনেড দুটা ডিটেনেটৰ স'তে বহু আপত্তিজনক ▸▸ ৬ পৃষ্ঠাত

ৰণ্টু পানীফুকন, বিকাশ অসমসহ ১০জনক গ্ৰেপ্তাৰ

## বীৰ লাচিত সেনাৰ ১০গৰাকী নেতা-সদস্যক গ্ৰেপ্তাৰ CIDৰ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৭ নৱেম্বৰঃ** বীৰ লাচিত সেনাৰ কাৰ্যকলাপৰ বিৰুদ্ধে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে (চি আই ডি) ব্যাপক অভিযান আৰম্ভ কৰিছে। চি আই ডি থানাত সংগঠনটোৰ বিৰুদ্ধে নতুন গোচৰ পঞ্জীয়ন হোৱাৰ পিছতে ৰাজ্যৰ বিভিন্ন থানাত ▸▸ ৬ পৃষ্ঠাত

## গোৰ্খা সম্প্ৰদায়ৰ বুলি নহয়, উমা চেত্ৰীক অসমীয়া জীয়ৰী বুলিহে মনত ৰখা উচিতঃ তৰংগ গগৈ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৭ নৱেম্বৰ ঃ** ভাৰতীয় মহিলা ৰাষ্ট্ৰীয় ক্ৰিকেট দলৰ উইকেটকীপাৰ-বেটছমেন হিচাপে খেলা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটাৰ উমা চেত্ৰী অসমৰ বোকাখাটৰ জীয়ৰী আৰু এগৰাকী গৌৰৱময় অসমীয়া ছোৱালী। তেওঁক কেতিয়াও গোৰ্খা সম্প্ৰদায় বা অন্য ▸▸ ৬ পৃষ্ঠাত

বাজপেয়ী ভৱনৰ কাৰ্যকৰ্তা সভাত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সিতাৰমণ

## বিকশিত ভাৰত হ'বলৈ দেশৰ প্ৰতিটো প্ৰান্তৰ উন্নয়ন হ'ব লাগিব ঃ নিৰ্মলা সিতাৰমণ



**অসম বাৰ্তা, গুৱাহাটী, ৭ নৱেম্বৰ ঃ** দুদিনীয়া ভ্ৰমণসূচী অসমলৈ অহা কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সিতাৰমণে ৰাজ্যিক বিজেপিৰ কাৰ্যালয় বাজপেয়ী ভৱনত অনুষ্ঠিত হোৱা এখন কাৰ্যকৰ্তা সভাত বক্তব্য ৰাখি ২০৪৭ চনত ভাৰতবৰ্ষ বিশ্বগুৰু হ'বলৈ হ'লে দেশৰ প্ৰতিটো প্ৰান্তৰ উন্নয়ন হ'ব ▸▸ ৬ পৃষ্ঠাত

ৰাজনৈতিক কেৰিয়াৰ সুৰক্ষাৰ স্বাৰ্থত গোপনে আদানিৰ ঘৰলৈ গৈ খিলঞ্জীয়াৰ ভূমি আদানিক গতোৱাৰ 'ডীল' কৰি আহিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঃ লুৰীণ

## ৩২০০ মেগাৱাটৰ তাপবিদ্যুৎ প্ৰকল্প স্থাপন আৰু বিদ্যুৎ ক্ৰয়ৰ নামত অবৈধ চুক্তিৰ অভিযোগ লুৰীণজ্যোতি গগৈৰ




**অসম বাৰ্তা, গুৱাহাটী, ৭ নৱেম্বৰ ঃ** অসমত গৌতম আদানিয়ে ৩২০০ মেগাৱাটৰ এটা তাপবিদ্যুৎ প্ৰকল্প স্থাপন কৰিব। কিন্তু প্ৰকল্প স্থাপনৰ সমগ্ৰ অনুমোদন প্ৰক্ৰিয়া চৰকাৰ বা মুখ্যমন্ত্ৰীয়ে গোপনে ৰাখিছে। আমি দেখি আহিছো যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অতি প্ৰচাৰমুখী মানুহ আৰু সাধাৰণ কথা এটাও ▸▸ ৬ পৃষ্ঠাত

## মাতৃভূমিত উপেক্ষা বিশ্বকাপ জয়ী অসম কন্যা উমা চেত্ৰীক



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী,** ভাৰতীয় মহিলা ক্ৰিকেট দলে সদ্যসমাপ্ত এদিনীয়া বিশ্বকাপত দক্ষিণ আফ্ৰিকাক পৰাজয় কৰি প্ৰথমবাৰৰ বাবে শিৰোপা দখল কৰাৰ পিছত দেশজুৰি উলহ-মালহৰ মাজতে অসমৰ কন্যা উমা চেত্ৰীৰ প্ৰতি ▸▸ ৬ পৃষ্ঠাত



## সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বানৰ বিপৰীতে সংগ্ৰাম কৰিলেহে স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ চিহ্নিত হৈ থাকিব - বিশিষ্ট লেখক পদ্ম লোচন নাথ

# মুক্তিযোদ্ধা দেবেশ্বৰ দলৈৰ ১০২ সংখ্যক জন্মদিনত কৃতী শিক্ষাৰ্থীক জলপানি প্ৰদান

**অসম বাৰ্তা, যোৰহাট, ৭ নৱেম্বৰ ঃ** যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলন আৰু দেৱেশ্বৰ দলৈ ন্যাস সমিতিৰ উদ্যোগত কালি মুক্তিযোদ্ধা দেৱেশ্বৰ দলৈৰ ১০২ সংখ্যক জন্মদিন পালনৰ লগতে কৃতী শিক্ষাৰ্থীক জলপানি প্ৰদান কৰে। মুক্তিযুঁজাৰু ভৱনত অনুষ্ঠিত অনুষ্ঠানত দেৱীচৰণ বৰুৱা ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট লেখক পদ্মলোচন নাথে স্বাধীনতা আন্দোলন, গণতান্ত্ৰিক সাংবিধানিক ৰাষ্ট্ৰ নিৰ্মাণ আৰু সাম্প্ৰতিক প্ৰত্যাহ্বান"শীৰ্ষক বক্তৃতা প্ৰদান কৰি যিকোনো আন্দোলনৰ বাবে জনসাধাৰণক প্ৰভাৱান্বিত কৰিব পাৰিব লাগিব বুলি কয়। মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনত কৃষক, সাধাৰণ জনগণ সকলোকে লৈ আন্দোলন আগ বঢ়াই নিবলৈ সমৰ্থ হোৱাৰ বিষয়ে উল্লেখ কৰি মানুহৰ মনক জয় কৰিব পাৰিব লাগিব বুলি ব্যক্ত কৰে। তথ্যসম্পন্ন আৰু বাস্তৱসমৃদ্ধ বক্তব্য প্ৰদান কৰি তেওঁ সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বানৰ বিপৰীতে সংগ্ৰাম কৰিলেহে স্বাধীনতা সংগ্ৰামী সকলৰ ত্যাগ চিহ্নিত হৈ থাকিব বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য প্ৰদান কৰে। মুক্তিযোদ্ধা দেৱেশ্বৰ দলৈ এজন প্ৰকৃত দেশ নেতা আছিল বুলি তেওঁ প্ৰকাশ কৰে। আনগৰাকী নিৰ্দিষ্ট বক্তা মুক্তিযোদ্ধা কৃষ্ণনাথ শৰ্মাৰ নাতি তথা লেখিকা ৰাজলক্ষ্মী শৰ্মা গোস্বামীয়ে স্বাধীনতা আন্দোলনত অসমৰ মহিলাসকলৰ অৱদানৰ কথা উল্লেখ কৰি অসমৰ বীৰাংগনাসকলক বিশ্ব দৰবাৰত পৰিচয় কৰাই দিয়াৰ পোষকতা কৰে। মুক্তিযুঁজাৰু সন্মিলনৰ কাৰ্যকৰী সভাপতি গীৰিশ চন্দ্ৰ বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। শাৰীৰিক অসুস্থতাৰ বাবে অনুষ্ঠানত সন্মিলনৰ সভাপতি ১০৬ বছৰীয়া মুক্তিযোদ্ধা খগেশ্বৰ গগৈ উপস্থিত থাকিব নোৱাৰিলে। আৰম্ভণিতে মুক্তিযোদ্ধাজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰবীণ অধিবক্তা তথা যোৰহাট সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভৱ গোস্বামীয়ে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উপসভানেত্ৰী আভা হাজৰিকা আৰু তিতাবৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতাই। মুনীন্দ্ৰনাথ দত্তই আঁত ধৰা অনুষ্ঠানত আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছজন শিক্ষাৰ্থীক পাঁচ হাজাৰ টকা, স্মাৰক, গ্ৰন্থৰ টোপোলা প্ৰদান কৰে। পৰিয়ালৰ তৰফৰ পৰা সাবিত্ৰী বৰদলৈয়ে আদৰণী ভাষণ প্ৰদান কৰে। সন্মিলনৰ প্ৰতীকী গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত শ্ৰেয়া শৰ্মা বৰদলৈ, কল্পজ্যোতি শৰ্মা বৰদলৈয়ে বৰগীত পৰিৱেশন কৰে। সন্মিলনৰ সহ সম্পাদক প্ৰণৱ দলৈয়ে শলাগ জনোৱা অনুষ্ঠানত ড° গীৰিন্দ্ৰনাথ হাজৰিকা, নীৰেন শৰ্মা, স্বদেশ দে, যাদৱ দলৈ, মৃদুল দলৈ, সৌৰভ বৰুৱা, দণ্ডধৰ হাজৰিকা, ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° পৰাণ বৰুৱা, ড° ৰাতুল চন্দ্ৰ বৰা, বেদান্ত দত্ত প্ৰমুখ্যে বিভিন্নজনে অংশ গ্ৰহণ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰজত কমল বঁটাপ্ৰাপক প্ৰতিভাৱান শিল্পী শিল্পীকা বৰদলৈৰ পৰিচালনাত দেৱেশ্বৰ দলৈৰ জীৱন আধাৰিত এখন তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হয়। পুৱা দেৱেশ্বৰ দলৈৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিনী ভবাণী দলৈয়ে।

## স্বাস্থ্যৰ সজাগতা অতি আৱশ্যক ঃ মিষ্টাৰ ৱৰ্ল্ড গোলাপ ৰাভা

# উপৰহালীত অত্যাধুনিক "কিং ফিটনেছ" শৰীৰ চৰ্চা কেন্দ্ৰৰ মুকলি

**অসম বাৰ্তা, মিৰ্জা, ৭ নৱেম্বৰ ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিজয়নগৰ উপৰহালীত উদীয়মান দ্বিপজ্যোতি নাথৰ একক প্ৰচেষ্টাত ৫ অক্টোবৰত "কিং ফিটনেছ ইউনিছে' জিম" নামৰ এটি শৰীৰ চৰ্চা কেন্দ্ৰ মুকলি কৰা হয়। এই কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে মিষ্টাৰ ৱৰ্ল্ড খ্যাত গোলাপ ৰাভা, পবিত্ৰ নাথ আৰু মিছ্ ৱৰ্ল্ড চিলভাৰ সবিতা বণিয়াই। স্থানীয় যুৱক বিতু নাথে আঁত ধৰা এই মুকলি অনুষ্ঠান উপলক্ষে অনুষ্ঠিত সভাত মিষ্টাৰ ৱৰ্ল্ড খ্যাত গোলাপ ৰাভা, পবিত্ৰ নাথ আৰু সবিতা বনিয়াই কয় যে- এই অত্যাধুনিক শৰীৰ চৰ্চা কেন্দ্ৰটোৰ জৰিয়তে শিশু, বৃদ্ধা আৰু যুৱক-যুৱতীসকলে শৰীৰ চৰ্চা কৰি উপকৃত হ'ব পাৰিব। বৰ্তমান সময়ত যুৱক-যুৱতীসকলে ড্ৰাগছ, মদ, ভাং আদি নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্ত। এই সমূহ আমি শৰীৰ চৰ্চা জৰিয়তে নিৰ্মুল কৰিব লাগিব। আজিৰ দিনত শৰীৰ বাবে উপকাৰী গাখীৰ ঘৰে ঘৰে বিক্ৰী কৰিব লাগে, কিন্তু শৰীৰ বাবে অনিষ্টকাৰী মদৰ দোকানত লাইন ধৰি মদ ক্ৰয় কৰা দেখা যায়। এইবোৰ আমি সকলোৱে মিলি ৰোধ কৰিব লাগিব। লগতে শৰীৰ চৰ্চা বহুত নীতি-নিয়ম মাজৰে কৰিলে শৰীৰ ভালে থকাৰ লগতে বিভিন্ন বেমাৰৰ পৰা হাত সাৰি থাকিব পাৰে। শৰীৰ চৰ্চা কেৱল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা নহয় ই শৰীৰ সুন্দৰ আৰু সু-স্বাস্থ্য গঢ়ি কৰি তোলে। শৰীৰ চৰ্চা কেন্দ্ৰ সামাজিক কৰ্মহে ব্যৱসায় নহয় বুলি শৰীৰ কেন্দ্ৰৰ স্বত্বাধিকাৰী দ্বীপজ্যোতি নাথৰ এনে প্ৰচেষ্টাক শলাগ লয়। অনুষ্ঠানত সমাজকৰ্মী নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, প্ৰাক্তন অধ্যক্ষ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ইশা শৰ্মা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ইয়াৰ পিছতে মিষ্টাৰ ৱৰ্ল্ড গোলাপ ৰাভা, সবিতা বনিয়া, শৰীৰ চৰ্চা কেন্দ্ৰৰ প্ৰশিক্ষক তথা মিষ্টাৰ নৰ্থ ইষ্ট জোণ্টি দাসে শৰীৰ প্ৰদৰ্শন কৰে উপস্থিত যুৱক-যুৱতীক আপ্লুত কৰে। অনুষ্ঠানত স্বত্বাধিকাৰী নাথৰ মাতৃ ভদ্ৰে নাথ, ড° নন্দিতা দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি, শৰীৰ চৰ্চাবিদ উপস্থিত থাকে। লগতে স্বত্বাধিকাৰী দ্বীপজ্যোতি নাথে কয় যে-শৰীৰ চৰ্চা কেন্দ্ৰটো বহু দিনীয়া সপোন আছিল। এই কেন্দ্ৰটোলৈ অঞ্চলটোৰ যুৱক-যুৱতী সকলক শৰীৰ চৰ্চা কৰিবলৈ আহ্বান জনায়। শৰীৰ চৰ্চা কেন্দ্ৰটোৰ মুকলি পূৰ্বে পুৱাৰে পৰা ডেড লিফটি আৰু বেঞ্চ প্ৰেছ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

# ওদালগুৰিত চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০তম্ জন্মজয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৭ নৱেম্বৰ ঃ** ওদালগুৰি জিলা প্ৰশাসন আৰু ভাৰত চৰকাৰৰ যুৱ আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনত মাই ভাৰত, ওদালগুৰিৰ উদ্যোগত ভাৰতবৰ্ষৰ লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০তম জন্মবাৰ্ষিকী উপলক্ষে জিলা খনত বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে। তাৰেই অন্তৰ্গত আজি ৬ নৱেম্বৰ তাৰিখে ওদালগুৰি পৌৰসভাৰ সহযোগত ওদালগুৰি চহৰ, বিষ্ণু ৰাভা কৃষ্টি সংঘ তথা ওদালগুৰি জিলা প্ৰশাসনৰ গান্ধী ময়দানত এক স্বচ্ছতাৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ওদালগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়া পাৰ্থ প্ৰতিম শইকীয়াই অনুষ্ঠানটোৰ শুভাৰম্ভণি কৰি তেওঁৰ বক্তব্যত ৰাইজক স্বচ্ছতাৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়। তেওঁ লগতে জনায় যে সমগ্ৰ দেশজুৰি চলি থকা চৰ্দাৰ ১৫০ৰ অভিযানৰ অন্তৰ্গত পদযাত্ৰাৰ অনুষ্ঠান ওদালগুৰি জিলাতো অনুষ্ঠিত হ'ব। সেয়েহে এই পদযাত্ৰাৰ ঠাই সমূহ চাফ চিকুন কৰাৰ দায়িত্ব পৌৰসভাই লৈছে যদিও আৰু এই স্বচ্ছতাৰ অভিযান সফল কৰাত ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰে। মাই ভাৰতৰ প্ৰতিনিধি ড° মিলন দাসে পৰিচালনা কৰা আজিৰ এই কাৰ্যসূচীত বনিক সন্থাৰ সম্পাদক হিমাংশু দাস, পৌৰসভাৰ বিষয়া, কৰ্মচাৰী তথা চাফাই কৰ্মী আৰু মাই ভাৰতৰ লগত জড়িত জংগল বড়িগাঁও গোৰ্খা যুৱ সংঘৰ বিষয়া-সদস্য সকলে অংশগ্ৰহণ কৰে। আনহাতে একেই কাৰ্যসূচীৰ অন্তৰ্গত ওদালগুৰি মহাবিদ্যালয়ত এন. এছ. এছ প্ৰগ্ৰাম অফিচাৰ ৰঞ্জয় দৈমাৰীৰ পৰিচালনাত চৰ্দাৰ বল্লভভাই পেটেলৰ ওপৰত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰোপৰি বিদ্যালয়ৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ত চিত্ৰাংকন, ৰচনা আৰু পোষ্টাৰ বনোৱা প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। ওদালগুৰিৰ জিলা আয়ুক্ত পুলক পাটগিৰীয়ে এক বাৰ্তাত জনায় যে অহা ৭ নৱেম্বৰ তাৰিখে গান্ধী ময়দানৰ পৰা ওদালগুৰিৰ বিষ্ণু ৰাভা প্ৰেক্ষাগৃহ হৈ ওদালগুৰি জিলা আয়ুক্তৰ প্ৰাংগনলৈ ৫০০ৰো অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে ৰাষ্ট্ৰীয় পতাকা আৰু বেনাৰ লৈ এক পদযাত্ৰাত অংশগ্ৰহণ কৰিব। একেই পদযাত্ৰা কালাইগাঁৱতো অনতিপলমে কৰাৰ পৰিকল্পনা কৰা হৈছে য'ত সাংসদ দিলীপ শইকীয়াই উপস্থিত থাকিব। দুয়োটা অনুষ্ঠানটে ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী সকলক উপস্থিত থাকি ৰাষ্ট্ৰপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিবলৈ জিলা আয়ুক্ত পুলক পাটগিৰীয়ে আহ্বান জনাইছে।

# বিশিষ্ট চিকিৎসক ডাঃ ফজলুল হকক বিদায় সম্ভাষণ

**অসম বাৰ্তা, নগাঁও, ৭ নৱেম্বৰ ঃ** নগাঁৱৰ বিশিষ্ট চিকিৎসক ডাঃ ফজলুল হকক আজি এক অনুষ্ঠানত বিদায় সম্ভাষণ জনোৱা হয়। উল্লেখ যে ২০০৯ চনত স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক হিচাপে অৱসৰ গ্ৰহণ কৰি সেই চনৰ পৰা আজিলৈকে ১৭ বছৰ নগাঁও চহৰৰ বৰবজাৰ অঞ্চলৰ প্ৰতিষ্ঠিত চিকিৎসা প্ৰতিষ্ঠান নিউ লাইভ মেডিকেলত চিকিৎসা সেৱা আগবঢ়াই এজন মানৱদৰদী চিকিৎসক হিচাপে খ্যাতি লাভ কৰিছিল। নগাঁও চহৰৰ খ্ৰীষ্টানপট্টীৰ বাসিন্দা বৰ্তমান গুৱাহাটীৰ বাসিন্দা হোৱা হেতুকে তেওঁ নগাঁৱৰ চিকিৎসা প্ৰতিষ্ঠান খনৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেয়ে তেওঁক আজি আনুষ্ঠানিক ভাবে বিদায় সম্ভাষণ জনোৱা হয়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমাজকৰ্মী নানু দাসে চিকিৎসক গৰাকীক কৰ্মজীৱনৰ কথা উল্লেখ কৰি কয় যে ডা: হকে সকলোৱে প্ৰতি সমদৃষ্টি ৰাখি সেৱা আগবঢ়াই আহিছে। প্ৰকৃততে তেওঁ এগৰাকী মানৱতাবাদী চিকিৎসক আছিল। প্ৰতিষ্ঠান খনৰ সঞ্চালক সুব্ৰত পালে আতধৰা অনুষ্ঠানত চিকিৎসক ক্ৰমে ডাঃ টংকেশ্বৰ বৰুৱা, ডাঃ গীতাশ্ৰী বৰা, ডাঃ অসীম বৰঠাকুৰ, সাংবাদিক কনক হাজৰিকা, সমাজকৰ্মী মৃদুল ৰয়, মনোজ কলিতাকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি, প্ৰতিষ্ঠানখনৰ চিকিৎসক, কৰ্মচাৰী আদিয়ে অংশগ্ৰহণ কৰে। চিকিৎসক গৰাকীক গামোচা, চেলেং, জাপি, সম্বৰ্ধনা পত্ৰ আৰু আন উপহাৰ প্ৰদান কৰা হয়।

# মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, মেৰাপানী, ৫ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ সীমান্তৱৰ্তী বৃহত্তৰ মেৰাপানী এলেকাত জ্ঞানৰ আলোক বিলোৱাৰ উদ্দেশ্যে স্থানীয় শিক্ষানুৰাগী সকলৰ প্ৰচেষ্টাত মফচলীয়া চহৰ মেৰাপানী মাজমজিয়াত ১৯৭৬ চনত প্ৰতিষ্ঠা হৈছিল মেৰাপানী মধ্য ইংৰাজী বিদ্যালয়। পৰৱৰ্তী সময়ত এই মধ্য ইংৰাজী বিদ্যালয়ৰ গইনালৈয়ে গঢ়ি উঠে মেৰাপানী টাউন হাইস্কুল। ২০১৩ চনত চৰকাৰী স্বীকৃতি লাভ কৰা মেৰাপানী টাউন হাইস্কুল আৰু মেৰাপানী মধ্য ইংৰাজী বিদ্যালয়ে ২০১৭ চনত চৰকাৰী ভাৱে একত্ৰীকৰণ হৈ মেৰাপানী টাউন হাইস্কুল নামেৰে পৰিচিত হয়। এনে এক সুদীৰ্ঘ পৰিক্ৰমাৰে বাট বুলি আজি বিদ্যালয়খনে ৫০টা বছৰ ইতিহাস তথা গৌৰৱ গাঁথাক স্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে অহা ইংৰাজী ১২ আৰু ১৩ নৱেম্বৰ, ২০২৫ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মেৰাপানী টাউন হাইস্কুলৰ সোণালী জয়ন্তী উৎসৱ উদযাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি ইতিমধ্যে ৰাজহুৱাভাৱে সোণালী জয়ন্তী উৎসৱৰ অভ্যৰ্থনা সমিতি আৰু উদযাপ সমিতি নামেৰে দুখনকৈ শক্তি শালী সমিতি গঠন কৰা হৈছে। সেয়ে উক্ত বিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱৰ দুয়োটা দিনতেই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজৰ উপস্থিতি, দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতা কামনা কৰিছে প্ৰধান শিক্ষক নগেন বৰাই।

# বঙাইগাঁৱত 'জনজাতীয় গৌৰৱ দিৱস'ৰ আয়োজন



**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৭ নৱেম্বৰ ঃ** বঙাইগাঁৱত জিলা পৰ্যায়ত এইবেলি জনজাতীয় গৌৰৱ দিৱস পালন কৰা হ'ব। সকলোৱে জ্ঞাত যে ১৫ নৱেম্বৰ তাৰিখটো স্বাধীনতা যুঁজাৰু বীৰছা মুণ্ডাৰ জন্ম দিৱস। এইবেলি বীৰছা মুণ্ডাৰ জন্মৰ ১৫০ বছৰ পূৰ্ণ হ'ব। এই উপলক্ষ্যে জনজাতীয় গৌৰৱ দিৱসটো বঙাইগাঁও জিলাত জিলা পৰ্যায়ত পালন কৰিবলৈ লোৱা হৈছে। এই দিৱস উদযাপনৰ বাবে বঙাইগাঁও জিলাৰ জনজাতীয় গাঁওসমূহৰ মুখিয়াল ব্যক্তিৰ সৈতে জিলা প্ৰশাসনে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভাত মিলিত হয়। সভাত সভাপতিত্ব কৰে জিলা আয়ুক্ত নৱদ্বীপ পাঠকে। জিলা প্ৰশাসনে মুখিয়াল ব্যক্তিসকলৰ লগত আলোচনামৰ্মে বইটামাৰী উন্নয়ন খণ্ডৰ অধীনস্থ খগৰপুৰ গাঁও-পঞ্চায়তৰ অন্তৰ্গত বাঘপাৰা গাঁৱত "জনজাতীয় গৌৰৱ দিৱস"অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লয়। চৰকাৰী নিৰ্দেশনা অনুসৰি আজিৰ সভাত আলোচনা কৰি "জনজাতীয় গৌৰৱ দিৱস" উদ্‌যাপনৰ লগত সংগতি ৰাখি জনজাতীয় গীত, নৃত্য আদি অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে স্বাস্থ্য বিভাগৰ তৰফৰ পৰা জনজাতীয় লোকসকলে সাধাৰণতে ভোগা বেমাৰ সন্দৰ্ভত স্বাস্থ্য শিবিৰ, শিক্ষা বিভাগৰ অধীনত চিত্ৰাংকন প্ৰতিযোগিতা, বীৰছা মুণ্ডাৰ জীৱনৰ বিষয়ত ৰচনা লিখা প্ৰতিযোগিতা, কৃষি বিভাগৰ ষ্টল, পশুপালন বিভাগৰ ষ্টল, মীন বিভাগৰ ষ্টল, জনজাতীয় পোছাকৰ ষ্টল, জনজাতীয় খাদ্যৰ ষ্টল আদিৰো ব্যৱস্থা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আজিৰ সভাত। আনহাতে কিছুমান পৰম্পৰাগত খেলো অনুষ্ঠিত কৰা হ'ব জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানৰ অংশ হিচাপে। মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনত শিশুৰ পৰিপুষ্টি, শাৰীৰিক বিকাশ আদি পৰ্যবেক্ষণ কৰাৰ বাবেও ষ্টল থাকিব। আনহাতে ঔদ্যোগিক দিশত গুৰুত্ব দিও ষ্টল দিয়া হ'ব উদ্যোগ আৰু বাণিজ্য বিভাগৰ তৰফৰ পৰা। জনজাতীয় গৌৰৱ দিৱস উদযাপনৰ লগত সংগতি ৰাখি বৃক্ষৰোপণৰ কাৰ্যসূচীও ৰখা হৈছে। তদুপৰি উক্ত অনুষ্ঠানৰ আৰম্ভণিতে জনজাতীয় লোকসকলে ভগৱান বুলি গণ্য কৰা বীৰছা মুণ্ডাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উপৰি যদি বঙাইগাঁৱৰ জনজাতীয় লোকসকলৰ ভিতৰত কোনোবা স্বাধীনতা যুঁজাৰু আছিল তেওঁলোককো শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। বঙাইগাঁও জিলাত মুঠ ২৮খন জনজাতীয় গাঁও আছে। তাৰে ভিতৰত যিকোনো ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা জনজাতীয় লোকক সম্বৰ্ধনাও জনোৱা হ'ব। ইয়াৰ উপৰিও আজিৰ সভাত জনজাতীয় সম্পৰ্কীয় কিবা আঁচনি উদ্বোধন কৰিবলগীয়া বা আধাৰশিলা স্থাপন কৰিবলগীয়া থাকিলে বা কিবা অনুদান দিবলগীয়া থাকিলে "জনজাতীয় গৌৰৱ দিৱস" উদ্‌যাপনৰ দিনটোত কৰাৰ সিদ্ধান্তও লোৱা হয়।

## নিহত এহাল যুৱক-যুৱতী

# পথালিপাহাৰত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বান্দৰদেৱা, ৭ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ টোল গেটৰ সমীপত আজি দিনৰ প্ৰায় ১২ বজাত এক ভয়ংকৰ পথ দুঘটনা সংঘটিত হয়। AS02C C5731 নম্বৰৰ শিলভৰ্তি ডাম্পাৰখনে সন্মুখেদি আহি থকা AR01 K8654 নম্বৰৰ বাইক আৰোহী এহাল যুৱক-যুৱতীক মহতিয়াই নিয়ে। ফলত থিতাতে দুয়োগৰাকী ঘটনাস্থলীতে নিহত হয়। বাতৰি সংগ্ৰহ কৰালৈকে তেওঁলোকৰ পৰিচয় জানিব পৰা হোৱা নাই যদিও অৰুণাচল প্ৰদেশৰ হ'ব বুলি সন্দেহ কৰা হৈছে।

## জিলা পৰিষদক উচ্ছেদৰ ব্যৱস্থা ল'বলৈ আবেদন জনোৱাৰ পিছতো নধৰিল ফল

# মালেগড়ত পঞ্চায়ত কাৰ্যালয়ৰ চোতালেই বেদখল

**অসম বাৰ্তা, অভয়াপুৰী, ৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত পাচনীয়া-খোৱাগাঁও পঞ্চায়তৰ মালেগড়স্থিত পঞ্চায়তৰ কাৰ্যালয়ৰ চোতালখনে বেদখলকাৰীৰ কবলত পৰাত স্থানীয় ৰাইজৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই বিষয়ে তেতিয়াৰ টাপাট্টাৰীৰ খণ্ড উন্নয়ন বিষয়া, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক বেদখলকাৰীক উচ্ছেদৰ আবেদন জনাইছিল যদিও উচ্ছেদৰ কোনো ব্যৱস্থাই নকৰিলে। জানিব পৰা মতে বেদখলকাৰীয়ে নিকটতে থকা মালেগড়-পাচনীয়া সমবায় সমিতিত কৰ্মৰত হোৱাৰ সুবাদতে ডেৰ দশকমান পূৰ্বে পঞ্চায়ত কাৰ্যালয় চৌহদত আশ্ৰয় লৈছিল। পঞ্চায়ত কাৰ্যালয় চৌহদৰ সন্মুখৰ এটা অংশ দখল কৰি সাধাৰণ তম্বু এখন তৰি কোনোমতে থাকিবলৈ লোৱা বিষয়টোত সহজভাৱে লৈছিল পঞ্চায়ত কৰ্তৃপক্ষ তথা ৰাইজে। কিন্তু গজেই গজালি মেলাৰ দৰে পিছত: বেদখলকাৰীয়ে তমবুৰ ঠাইত জুপুৰী সাজি নিগাজীকৈ থাকিবলৈ লোৱাত পঞ্চায়ত কৰ্তৃপক্ষৰ পৰা এটা নিৰ্দিষ্ট সময়সীমা বান্ধি দি স্থানান্তৰিত হ'বলৈ বাৰম্বাৰ নিৰ্দেশ দিয়াৰ পাছতো কেৰেপেই নকৰিলে। আনপিনে বেদখলকাৰীয়ে পৰিয়াল বৃদ্ধি পোৱা পৰিপ্ৰেক্ষিতত এদেও দুদেও লোটা নিয়াৰ চেওকৈ এটাৰ পাছত এটাকৈ ঘৰৰ সংখ্যা বাঢ়িবলৈ লয়। ইপিনে পঞ্চদশ বিত্তীয় আঁচনিৰ অধীনত পঞ্চায়ত কাৰ্যালয়ৰ পকী বেৰ নিৰ্মাণৰ বাবে ধন ধাৰ্য কৰে যদিও ভূমিৰ অৰ্ধেক অংশই বেদখল হৈ থকাত বেৰ নিৰ্মাণ কাৰ্য আধাতে থমকি ৰোৱাই নহয়, পঞ্চায়ত কাৰ্যালয়ৰ যি কোনো নিৰ্মাণ কাৰ্য বাধাপ্ৰাপ্তও হৈ পৰিছে। ইয়াৰ পাছতো আকৌ বেদখলকাৰীয়ে বিভাগীয় কৰ্তৃপক্ষক অংগুষ্ঠ প্ৰদৰ্শন কৰি পুনৰাই এটাৰ পিছত এটাকৈ গৃহ নিৰ্মাণ কৰাত সকলোৰে চকু কপালত উঠিছে। তৎসত্ত্বেও বেদখলকাৰী সন্দৰ্ভত পঞ্চায়ত কৰ্তৃপক্ষই দিয়া তথ্যৰ ভিত্তিত তেতিয়াৰ সংশ্লিষ্ট টাপাট্টাৰীৰ খণ্ড উন্নয়ন বিষয়াই বঙাইগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়ালৈ দিয়া পত্ৰত বেদখলকাৰীক উচ্ছেদ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আবেদন জনোৱাৰ পিছতো কোনো ব্যৱস্থা ন'ললে মুখ্য কাৰ্যবাহী বিষয়াই।

## এম জি এনৰেগা আঁচনিত নীতি বহিৰ্ভূতভাৱে প্ৰস্তুত কৰিলে হেজাৰ হেজাৰ জৱ কাৰ্ড, তদন্তৰ দাবী

# টাপাট্টাৰী উন্নয়ন খণ্ডত ভূৱা জৱ কাৰ্ড

**অসম বাৰ্তা, অভয়াপুৰী, ৭ নৱেম্বৰ ঃ** ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত টাপাট্টাৰী উন্নয়ন খণ্ডত এম জি এনৰেগাত নীতি নিয়ম উলংঘা কৰি ভূৱা জৱ কাৰ্ড প্ৰস্তুত কৰাৰ অভিযোগ উত্থাপিত হৈছে। উংখাপিত অভিযোগ মতে - উন্নয়ন খণ্ডটোৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তত ১০ অ'ৌবৰৰ পৰা ২৬ অক্টোবৰলৈকে দুই সহস্ৰাধিক জৱ কাৰ্ড প্ৰস্তুত কৰা হৈছে। সেই জৱকাৰ্ড বনোৱাৰ সময়ত কেইজন মান লোকে একাংশ লোকৰ পৰা ধন লৈহে জৱকাৰ্ড বনাই দিছে বুলি গুৰুত্বপূৰ্ণ অভিযোগ উঠিছে। এই ক্ষেত্ৰত উন্নয়ন খণ্ডটোৰ এজন সহায়কৰ নাম সাঙোৰ খাইছে। অভিযোগ মৰ্মে সেই জৱ কাৰ্ড বনোৱাৰ বিধিগত ভাৱে দায়িত্বত থকা বিষয়া - কৰ্মচাৰী, পঞ্চায়ত সমূহৰ বিষয়া - কৰ্মচাৰী আৰু সংশ্লিষ্ট পঞ্চায়ত সমূহৰ নৱ নিৰ্বাচিত সভাপতি/সভানেত্ৰী সকলক সম্পূৰ্ণ অন্ধকাৰত ৰাখি এই ভূৱা জৱ কাৰ্ড বনোৱাৰ ৰমৰমীয়া বেহা অব্যাহত ৰাখিছে সেই চক্ৰটোৱে। উন্নয়ন খণ্ডটোৰ ঔড়ুবি, পূৱ মাজেৰ আলগা, পশ্চিম মাজেৰ আলগা, বালাপাৰা, যোগীঘোপা, কাবাইটাৰী, মালেগড়, বৰজানা, মেৰেৰ চৰ, নসত্ৰ - বাঘেখাইতি, ধনতোলা আৰু পিৰাধৰা আদি কৰি ১২খন পঞ্চায়তত সেই চক্ৰটোৱে একো একোটা পৰিয়ালত জৱকাৰ্ড থকা স্বত্ত্বেও নকৈ পুনৰ জৱকাৰ্ড প্ৰস্তুত কৰি দিছে বুলি অভিযোগ উঠিছে। মনকৰিবলগীয়া এই যেপ্ৰতি গৰাকী জৱকাৰ্ড হিতাধিকাৰীক প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ আবণ্টন দিব বুলি খবৰ ওলোৱাৰ পাছৰে পৰা সেই দুই নম্বৰী চক্ৰটোৱে জৱকাৰ্ড প্ৰস্তুত কৰা কেলংকাৰীত মনোনিৱেশ কৰিছে। পৰিতাপৰ বিষয় যে ইতিমধ্যে জৱ কাৰ্ডৰ আধাৰত পৰিয়ালটোৰ স্বামীৰ নামত বা পত্নীৰ নামত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পোৱাৰ পিছতো সেই অসাধু চক্ৰটোৰ প্ৰৰো'ৰচনাত একাংশ লোকে পুনৰ প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ ঘৰ পোৱাৰ লালসাত পুনৰ একেটা পৰিয়ালৰ পত্নী, স্বামী বা পুত্ৰৰ নামত পৃথক পৰিয়াল দেখুৱাই সংশ্লিষ্ট দায়িত্ববাহী কৰ্মচাৰীৰ দাৰা এই দৰে ভূৱা জৱ কাৰ্ড সমূহ বনাবলৈ ধৰিছে। এই কেলংকাৰীৰ ক্ষেত্ৰত উন্নয়ন খণ্ডটোৰ খণ্ড উন্নয়ন বিষয়া তথা এম জি এনৰেগা আঁচনিৰ প্ৰগ্ৰাম অফিচাৰ গৰাকীৰ স্থিতি ৰহস্যময়। একাংশ লোকৰ মতে তেওঁৰ সেউজ সংকেতত উন্নয়ন খণ্ডটোৰ এজন কম্পিউটাৰ সহায়কে ভূৱা জৱ কাৰ্ডৰ ৰমৰমীয়া বেহাত পৰোক্ষভাৱে সহায় সহযোগিতা কৰি আছে। ৰাইজে বিষয়টোৰ উচ্চ পৰ্যায়ৰ তদন্ত কামনা কৰিছে।

# যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত সতৰ্কতা সজাগতা সপ্তাহ - ২০২৫ উদযাপন

**অসম বাৰ্তা, যোৰহাট, ৭ নৱেম্বৰ ঃ** যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠান, যোৰহাটৰ উদ্যোগত ২৭ অ'ৌবৰ পৰা ২ নৱেম্বৰ, ২০২৫ লৈ অতি উৎসাহেৰে সতৰ্কতা সজাগতা সপ্তাহ-২০২৫ উদযাপন কৰা হয়। এই উপলক্ষে প্ৰতিষ্ঠানত বিজ্ঞান, বিষয়া, কৰ্মচাৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতামূলক সকাগতা অনুষ্ঠান আয়োজন কৰা হয়। ইয়াৰ ভিতৰত বক্তৃতা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, আবৃত্তি প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদিয়েই প্ৰধান। ৩ নৱেম্বৰত অনুষ্ঠিত হোৱা সপ্তাহজোৰা উদযাপনৰ সামৰণি অনুষ্ঠানত আমন্ত্ৰিত বক্তৃতা প্ৰদান কৰে উত্তৰ পূব বিজ্ঞান প্ৰযুক্তি প্ৰতিষ্ঠানত প্ৰশাসন নিয়ন্ত্ৰক ৰাম কুমাৰ সিঙে। তেখেতে "চৰকাৰী খণ্ডত প্ৰতিৰোধমূলক সতৰ্কতাৰ গুৰুত্ব" বিষয়ত এটি গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদৰ্শন কৰে। তেওঁৰ অন্তৰ্দৃষ্টিসম্পন্ন ভাষণত চৰকাৰী প্ৰতিষ্ঠানসমূহত নৈতিক আচৰণ, স্বচ্ছতা আৰু জবাবদিহিতাৰ তাৎপৰ্য্যৰ ওপৰত আলোকপাত কৰা হৈছিল। প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণীয়ে সামৰণি ভাষণ দি পেছাদাৰী জীৱনৰ মূল গুণ হিচাপে সময়োপযোগীতা, সততা আৰু সতৰ্কতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছতে তিনিমাহজোৰা সতৰ্কতা অভিযান আৰু ভিজিলেন্স সজাগতা সপ্তাহ ২০২৫ উদযাপনৰ অংশ হিচাপে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ বিতৰণ কৰা হয়। অনুষ্ঠানটোৰ সামৰণিত প্ৰতিষ্ঠানৰ সতৰ্কতা বিষয়া ড° ধ্ৰুৱ জ্যোতি দাসে ২০২৫ চনৰ সতৰ্কতা সজাগতা সপ্তাহ সফলতাৰে সম্পূৰ্ণ কৰাৰ বাবে সকলোকে ধন্যবাদ জনায়।

# মাকুমত সূৰ্যোদয়ৰ উদ্যোগত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ৭ নৱেম্বৰ ঃ** মাকুমৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান সূৰ্যোদয়ে প্ৰতিবছৰে শ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ অনুষ্ঠিত কৰি আহিছে। প্ৰতিবছৰৰ দৰে এই বছৰেও মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, সদ্য প্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু বাঁহী বাদক দিপক শৰ্মাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তাৰ পাছতে প্ৰভু শ্ৰীকৃষ্ণক স্মৰণ কৰি নাম-প্ৰসঙ্গৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি সন্ধ্যা দুলুমণি দেৱীয়ে সম্পাদনা কৰা সূৰ্যোদয়ৰ মুখপাত্ৰ শৰদিন্দু উন্মোচন কৰা হয়। শৰদিন্দু উন্মোচন কৰে অৱসৰ প্ৰাপ্ত শিক্ষাবিদ ড° জয়কৃষ্ণ মহন্তই। তাৰ পাছত গায়ন বায়ন, সূত্ৰধাৰৰ নৃত্যৰ দ্বাৰা ৰাস মহোৎসৱৰ চিত্ৰ-নাট্য ৰূপ মঞ্চস্থ কৰা হয়। নাট্য অভিনেতা ৰাজিৱ লোচন বৰাৰ নিৰ্দেশনাত কংসালয় আৰু মাজুলিৰ বৰবায়ন মাণিক শইকিয়াৰ নিৰ্দেশনাত নন্দালয়ৰ নাট্য অভিনয় কৰা হয়। ৰাসস্থলীত জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে এক মিলনৰ সমাহাৰ দেখিবলৈ পোৱা যায়। কণ্ঠশিল্পী মানসী বৰুৱা, মুনমুন বৰা, অনুৰাধা শৰ্মা পূজাৰীৰ সুন্দৰ কণ্ঠদানেৰে, সুমন্ত নেওগৰ বাঁহিৰ সুৰেৰে, নৱ বৰুৱাৰ সংগীত পৰিচালনাৰে পুৱতি নিশালৈকে দ্বিতীয় মথুৰা আৰু বৃন্দাবনলৈ পৰিণত হয় মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰ।

# অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৭ নৱেম্বৰ ঃ** ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস উপলক্ষে, অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ পূৰ্বনিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি "মৃত্যু জিনাৰ গান "কবিতাটো পৰিবেশন কৰিবলৈ ডিব্ৰুগড় জিলাৰ অন্তৰ্গত মানকটা শাখাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। মানকটা টেপৰগাওঁ নামঘৰ পথস্থিত শাখাৰ অস্থায়ী কাৰ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানৰ লগত সংগতিৰাখি নিয়তিয়ে এইকেইদিনতে ৰাজ্যখনৰ পৰা কাঢ়িনিয়া শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু শিল্পী চৈয়দ ছাদুল্লাৰ লগতে সুমধুৰ বাহীঁবাদক দীপক শৰ্মালৈও একাঁজলি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শাখাৰ উপ সভাপতি ৰিনু বৰগোহাঁইয়ে বন্তি প্ৰজ্বলন কৰে। শাখাৰ সভাপতি- সম্পাদককে প্ৰমুখ্যে বহু কেইগৰাকী সদস্যই ফুলেৰে শিল্পী কেউজনলৈ শ্ৰদ্ধা নিবেদন কৰে। বন্তি প্ৰজ্বলনৰ পিছতে এটি প্ৰাৰ্থনা 'ব্ৰহ্মাই আদি কৰি'-পৰিৱেশন কৰে। তাৰ পিছত অসমৰ বিশিষ্ট কবি, আবৃত্তিকাৰ ড° অমৰ জ্যোতি চৌধুৰীৰ "মৃত্যু জিনাৰ গান" কবিতাটো পৰিবেশন কৰা হয়। অনুষ্ঠানটিত সদস্যসকলে জুবিন গাৰ্গে কণ্ঠদান কৰা "মায়াবিনী" আৰু চৈয়দ ছাদুল্লাই সুৰ দিয়া "অহাৰ বাটেৰে উভতি আঁতৰি গ'লা" গীত দুটি পৰিবেশন কৰি তেওঁলোকলৈ শ্ৰদ্ধা আগবঢ়ায়। অনুষ্ঠানত শাখাৰ সভাপতি মিনাক্ষী শৰ্মা, সম্পাদিকা মৌচুমী বৰ্মন, কোষাধ্যক্ষ জুলি গগৈ, সদস্যা মিতালি ভৰালী মোহন, ৰেখা গগৈ, ত্ৰিবেনী বৰঠাকুৰ, অঞ্জু শৰ্মাকে ধৰি কেইবাগৰাকী অতিথি উপস্থিতি থাকি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰি শ্ৰদ্ধাঞ্জলিৰ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

# দৰঙ জিলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী পালন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৭ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে দৰং জিলাতো বিশ্ববিশ্ৰুত শিল্পী ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী দৰং জিলা প্ৰশাসনৰ উদ্যোগত আৰু দৰঙবাসী ৰাইজৰ সহযোগত পালন কৰা হয়। বুধবাৰে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত কৰা উক্ত অনুষ্ঠানত পাঁচ সহস্ৰাধিক লোকে মানৱ শৃংখল গঠন কৰি শিল্পীগৰাকীৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে" পৰিৱেশন কৰে। তদুপৰি সুধাকণ্ঠ গৰাকীৰ সংমিশ্ৰিত সমবেত সংগীত পৰিবেশন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰ বিষয়ে কয় আৰু তেখেতক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে আদৰণি জনোৱা উক্ত অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে শিল্পীগৰাকীক গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। তেওঁ মঙলদৈস্থিত জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহটো ড° ভূপেন হাজৰিকাৰ নামেৰে নামকৰণ কৰা হ'ব বুলি কয়। অনুষ্ঠানত পদ্মশ্ৰী দ্ৰোণ ভূঞা, অসম ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী, মঙলদৈৰ পৌৰপতি নিৰ্মালী দেৱী শৰ্মা, মঙলদৈ উন্নয়ন প্ৰাধিকাৰীৰ অধ্যক্ষ প্ৰতাপ বৰদলৈ, মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলা কান্ত বৰা, সমাজকৰ্মী মুকুন্দ ডেকা, নিলিমা দেৱী, বিশিষ্ট শিল্পীসকল, জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, বিভিন্ন মহাবিদ্যালয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, মঙলদৈ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। তদুপৰি সন্ধিয়া মঙলদৈ চহৰত থকা ড° ভূপেন হাজৰিকা উদ্যানত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিৰ সমীপত ১০০ গচি বন্তি প্ৰজ্বলন কৰা হয়।


**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public at Tinsukia on 17/10/2025, I hereby declare that in my Savings Account of Assam Gramin Vikash Bank, Talap Branch vide AC No. 7393026001949 myname has been recorded as Mrs. Aroti Budeswar instead of Bharati Tanti. Both Bharati Tanti and Mrs. Aroti Budeswar are the same person having single identity.

Bharati Tanti
W/O - Lt. Gopal Tanti
Daisajan T E (Line no.6)
P.O.- Bordoloi Nagar (Via Talap)
P.S.- Doom Dooma, Dist.- Tinsukia, Assam

AB-153/2025

গোৰেশ্বৰৰ বাঙালীপাৰাত তিহাৰ সমাৰোহৰ ব্যাপক প্ৰস্তুতি গোৰ্খা ছাত্ৰ সন্থাৰ

# শতাধিক স্থানীয় শিল্পীয়ে একেলগে পৰিৱেশন কৰি 'মায়াবিনী'

**অসম বাৰ্তা, গোৰেশ্বৰ, ৭ নৱেম্বৰ ঃ** তামোলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰৰ ভোলাঝাৰ বাঙালীপাৰাত ১৯ তম বাৰ্ষিক ৰমাইলো তিহাৰ সমাৰোহৰ ব্যাপক প্ৰস্তুতি সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ। জানিব পৰা মতে, সংগঠনটোৰ পূৱ ডেফেলী আঞ্চলিক সমিতিৰ উদ্যোগত তথা ভোলাঝাৰ শাখা সমিতিৰ সহযোগত অহা ৯ নৱেম্বৰত ভোলাঝাৰ বাঙালীপাৰা উচ্চ ও মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ৰমাইলো তিহাৰ সমাৰোহ। কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত পূৱ ডেফেলী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি বিশাল মৈনালীয়ে পতাকা উত্তোলন কৰাৰ পিছত পুৱা ৮.৩০ বজাত শ্বহীদ তৰ্পণ কৰিব ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক দিগ্বীজয় লুঁইটেলে। পুৱা ৮.৪৫ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাব বিশিষ্ট সাহিত্যিক তথা সমাজ সেৱক অৰ্জুন উপ্ৰেতি, বৈদ্যনাথ উপাধ্যায় আৰু বেদ প্ৰকাশ লুঁইটেলে। তাৰ পিছত পুৱা ৯ বজাত বৃক্ষৰোপণ কাৰ্যসূচীত বৃক্ষৰোপণ কৰিব ক্ৰমে জ্যেষ্ঠ সমাজ সেৱক নাৰদ মুনি লুঁইটেল, সুভাষ বসুমতাৰী, গজেন ডেকা, জগনিধি শৰ্মা, মিত্ৰ খৰেল, টেক প্ৰসাদ সুবেদী, সোহনলাল বিশ্বকৰ্মা আৰু জীৱনাথ চুড়ালে। পুৱা ১০ বজাৰ পৰা অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব কুইজ প্ৰতিযোগিতা। দিনৰ ১২ বজাত অনুষ্ঠিত হ'ব সাহিত্য গোষ্ঠী। বিশিষ্ট সাহিত্যিক পূৰ্ণ খড়কাই উদ্বোধন কৰিবলগীয়া সাহিত্য গোষ্ঠী সঞ্চালন কৰি সন্তোষ সুবেদী, ৰাজু নেওপানে, বিজয় নেওপানে আৰু ঝৰ্ণা দাহালে। ইপিনে, দিনৰ ২ বজাৰ পৰা পূৱ ডেফেলী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি বিশাল মৈনালীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা তথা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ভাস্কৰ দাহালে। তামোলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সম্পাদক তথা পূৱ ডেফেলী আঞ্চলিক সমিতিৰ উপদেষ্টা বিপ্লৱ চিমৰীয়া আৰু প্ৰাক্তন ছাত্ৰ নেতা তথা অধ্যাপক ড° দিপক বজগাঁইয়ে সঞ্চালন কৰিবলগীয়া মুকলি সভা তথা সাংস্কৃতিক অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াব অভ্যৰ্থনা সমিতিৰ সভাপতি ভীম প্ৰসাদ ওলীয়ে। উক্ত সভাত মুখ্য অতিথি আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুনীল কুমাৰ ছেত্ৰী আৰু সাধাৰণ সম্পাদক নুমল ছেত্ৰী। একেদৰে বিশিষ্ট অতিথি হিচাপে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰী আৰু তামোলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তী। আনহাতে হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰিবলৈ বক্তা হিচাপে উপস্থিত থাকিব গোৰেশ্বৰৰ যুৱ সাহিত্যিক ভৰেশ নাথ। ইয়াৰোপৰি সভাখনত বিটিচিৰ নৱনিৰ্বাচিত পাৰিষদ লক্ষ্মী দাস (ভজন)ৰ লগতে উপস্থিত থাকিব তামোলপুৰ আৰু চুবুৰীয়া ওদালগুৰি জিলাৰ বিভিন্ন ক্ষেত্ৰৰ বহু বিশিষ্ট ব্যক্তি আৰু বিভিন্ন দল সংগঠনৰ নেতৃবৰ্গ। ইপিনে, সাংস্কৃতিক অনুষ্ঠান গোৰ্খা জনগোষ্ঠীৰ পৰম্পৰাগত দেউচী, ভইলী নৃত্যৰ লগতে মাৰুনী নৃত্য, খুকুৰী নৃত্য, তামাং চেলো নৃত্য, লাখে নাচ, হুৰ্ৰা নৃত্যকে ধৰি ৰাজাগড় বাৰেৰহৰীয়া কৃষ্টি দলৰ শিল্পীসকলে প্ৰদৰ্শন কৰিব বাৰেৰহৰীয়া নৃত্য। ইয়াৰোপৰি অঞ্চলটোৰ প্ৰায় শতাধিক শিল্পীয়ে একেলগে পৰিৱেশন কৰিব প্ৰাণৰ শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ মায়াবিনী। নিশা ৯ বজাত যুৱ নেতা কৰণ ছেত্ৰীয়ে সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান উদ্বোধন কৰাৰ পাছতে গীতৰ শৰাই আগবঢ়াব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰোহিত সোণাৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কণ্ঠশিল্পী ধিৰাজ শৰ্মাই। উক্ত অনুষ্ঠানত জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে অঞ্চলবাসী সমূহ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে পূৱ ডেফেলী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ লগতে আদৰণি সমিতিৰ সভাপতি ভীম প্ৰসাদ ওলী, কাৰ্যকৰী সভাপতি জগত প্ৰধান আৰু যুটীয়া সম্পাদক দিপক চিটোলা আৰু হেমন্ত সুবেদীয়ে।

স্মৃতিগ্ৰন্থ, জুবিনৰ প্ৰতিমূৰ্তি উন্মোচন নিউজ লাইভৰ মুখ্য সম্পাদক চৈয়দ জাৰিৰ হুছেইনৰ

# ৭৯ তম্ পলাশবাৰী ৰাস মহোৎসৱৰ শুভ উদ্বোধন ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যৰ

**অসম বাৰ্তা, মিৰ্জা, ৭ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ঐতিহ্যৰে গৰকা পলাশবাৰী ৰাস মহোৎসৱ বিগত বছৰবোৰৰ দৰে এইবেলিও শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস লীলা পলাশবাৰী অঞ্চলবাসী ৰাইজে আজিৰ পৰা ১৯ নৱেম্বৰলৈ পোন্ধৰদিনীয়াকৈ বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে। পলাশবাৰী ৰাস মহোৎসৱৰ দ্বাৰ আনুষ্ঠানিকভাৱে মুকলি কৰে অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই। ইয়াৰ পিছতে ভাগৱত প্ৰতিষ্ঠা কৰা হয়। এই উপলক্ষে পলাশবাৰী ৰাস মহোৎসৱৰ সভাপতি মণিময় কৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বন্তি প্ৰজ্বলন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। ইয়াৰ পিছতে ৰাস মহোৎসৱস্থলীত ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে ৰাস মহোৎসৱস্থলিত সকলোৱে কালজয়ী গীত "মানুহে মানুহৰ বাবে" পৰিৱেশন কৰাৰ লগতে অসম আৰু অসমীয়াৰ হাৰ্টথ্ৰৱ, হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই 'মায়াবিনি ৰাতিৰ বুকুত' শীৰ্ষক গীতটি পৰিৱেশন কৰা হয়। সভাত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই ভাৰত ৰত্ন ভূপেন হাজৰিকা আৰু হাৰ্টথ্ৰৱ জুবিন গাৰ্গক শ্ৰদ্ধা জনাই কয় যে- এই বিশাল ৰাস মহোৎসৱত ভক্তি ৰসত মিলিত হৈছে। ভাগৱান শ্ৰীকৃষ্ণ ৰাসলীলা হৈছে আত্মাৰ প্ৰতীক। ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া পলাশবাৰী অঞ্চল বিভিন্ন সংস্কৃতিৰ লগত জড়িত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সংস্কৃতিৰ বিষয়ে উল্লেখ কৰি প্ৰচীন গ্ৰন্থ বেদ, উপনীসদ আদিত ভগৱান শ্ৰীকৃষ্ণৰ বিস্তৃতভাৱে ভাষণত প্ৰসংগত কয়। ৰাসলীলা হৈছে আত্মা আৰু পৰমাত্মাৰ মিলন। যাৰ মিল আছে গোপীসকলৰ লগত। ৰাস মহোৎসৱত থলুৱা মাটিৰে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন ৰূপ শিল্পীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিছে। ভগৱান শ্ৰীকৃষ্ণই দুষ্টক দমন কৰিছিল আৰু শান্তক সত্যৰ পথ দেখুৱাই বুলি কৈ মহাভাৰতৰ সংস্কৃত শ্লোক ভাষণ প্ৰসংগত উল্লেখ কৰে পলাশবাৰী ৰাস মহোৎসৱক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে উদ্বোধনী সভাত স্মৃতিগ্ৰন্থ "ৰাসক্ৰীড়া" উন্মোচন কৰে নিউজ লাইভৰ মুখ্য সম্পাদক চৈয়দ জাৰিৰ হুছেইনে। উন্মোচন কৰি চৈয়দ জাৰিৰ হুছেইনে কয় যে-ৰাস মহোৎসৱে সকলোৰে মনত শান্তি সমৃদ্ধি কঢ়িয়াই আনে। আধ্যাত্মিকতাৰে পালন কৰাৰ বাবে কামনা কৰি স্মৃতিগ্ৰন্থ "ৰাসক্ৰীড়া"ত বহুত ভাল লিখনিৰে সমৃদ্ধ হৈছে বুলি কৈ ৰাস মহোৎসৱৰ আটাইকেদিনৰ কাৰ্যসূচী শান্তি পূৰ্ণভাৱে ৰাইজক উপভোগ আহ্বান জনাই। সভাত বিশিষ্ট অতিথি হিচাপে গ্ৰীণ অস্কাৰ বঁটা প্ৰাপক জৈৱ বিজ্ঞানী ড° পূৰ্ণিমা দেৱী বৰ্মন উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সভাত পলাশবাৰী পৌৰসভাৰ পৌৰপতি ৰীনা দাস কলিতা উপস্থিত থাকে। ইয়াৰ পিছতে মৃণ্ময় শিল্পী ৰামেশ্বৰ দাস আৰু মৰণোত্তৰভাৱে নাট্যকাৰ, অভিনেতা, পৰিচালক প্ৰয়াত মনোজ কুমাৰ দাসক শিল্পী সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতে হাৰ্টথ্ৰৱ, হিয়াৰ আমঠু প্ৰয়াত জুবিন গাৰ্গৰ ১৭ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে নিউজ লাইভৰ মুখ্য সম্পাদক চৈয়দ জাৰিৰ হুছেইনে। ইয়াৰ পূৰ্বে ৰাস মহোৎসৱৰ পুৱা ১০ বজাত পতাকা উত্তোলন কৰে ৰাস মহোৎসৱ সমিতিৰ সভাপতি মণিময় কৰে। বন্তি প্ৰজ্বলন কৰে কাৰ্যকৰী সভাপতি লক্ষ্মী কাকতিয়ে, স্মৃতি তৰ্পন কৰে যুটীয়া সাধাৰণ সম্পাদকদ্বয় পংকজ দাস আৰু অৰূপ দাসে। ১১ বজাত পূজা অৰ্চনা। আনহাতে ৰাস মহোৎসৱৰ ৬ নৱেম্বৰ অৰ্থাৎ কালিৰ পৰা প্ৰতি দিনে সাংস্কৃতিক অনুষ্ঠান, ধৰ্মালোচনী সভা, প্ৰতিযোগিতা মূলক অনুষ্ঠান, ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা, যাত্ৰাভিনয়, লোক সংস্কৃতি উৎসৱ, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ উপজা দিন আদি অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰায় ৭০ লাখ টকা ব্যয় সাপেক্ষে অনুষ্ঠিত হোৱা ৰাস মহোৎসৱত এইবেলি মুখ্য মণ্ডপ সহিতে ৪২টা স্তল থকাৰ উপৰিও বাহিৰত ৩টা আৰু ভিতৰত ৪টা স্তল বৈদ্যুতিন মাধ্যমৰে আটকধুনীয়া সজাই তোলাই হৈছে। আনহাতে সদ্য প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ নামত মুখ্য তোৰণটি উৎসৰ্গা কৰি ৰংঘৰৰ আৰ্হিত প্ৰস্তুত কৰি উপস্থিত ভক্তপ্ৰাণ দৰ্শকক আকৰ্ষিত কৰিছে। সেইদৰে ১৯ নৱেম্বৰ তথা সামৰণি সামৰণি সভাত মুখ্য সমাপক হিচাপে উপস্থিত থাকিব চত্তিশগড়ৰ মহামহিম ৰাজ্যপাল ৰমেন ডেকা, বিশিষ্ট অতিথি হিচাপে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়া, বিশিষ্ট সমাজকৰ্মী অনুপ কুমাৰ মেধি আৰু হিমাংশু শেখৰ বৈশ্য উপস্থিত থাকিব। ৰাস মহোৎসৱৰ আটাইকেদিনৰ সমূহ কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগ তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

সৰুপথাৰৰ ব্লক যুৱ কংগ্ৰেছৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ

# গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৭ নৱেম্বৰ ঃ** গোলাঘাট জিলা কংগ্ৰেছ ভৱনৰ জননেতা তৰুণ গগৈ প্ৰেক্ষাগৃহত গোলাঘাট জিলা যুৱ কংগ্ৰেছ কমিটিৰ সভাপতি ৰূপান্তৰ তাঁতীৰ সভাপতিত্বত আজি অনুষ্ঠিত জিলা যুৱ কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভাত উদ্দেশ্যে ব্যাখ্যা কৰে সাধাৰণ সম্পাদক জিলা যুৱ কংগ্ৰেছৰ অন্যতম সাধাৰণ সম্পাদক সত্যব্ৰত শইকীয়াই। অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ অন্যতম সাধাৰণ সম্পাদক তথা গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ তত্ত্বাৱধায়ক দিপাংকৰ দাস, প্ৰদেশ যুৱ কংগ্ৰেছৰ উপ সভানেত্ৰী সাগৰিকা বৰা, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ অন্যতম সম্পাদকদ্বয় ভাস্কৰ বৰা আৰু অৰিন্দম বড়ী, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা দিপান্বীতা দুৱৰা, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সভাপতি মদন বৰা, উপ সভাপতি ভূপেন ৰাজখোৱা, প্ৰশাসনিক সম্পাদক দিপাংকৰ বৰা, জিলা কিষাণ কংগ্ৰেছৰ অধ্যক্ষ প্ৰদীপ চেতিয়া, জিলা কংগ্ৰেছৰ সামাজিক মাধ্যম বিভাগৰ অধ্যক্ষ পাপুল শইকীয়াই অংশগ্ৰহণ কৰি যুৱ কংগ্ৰেছৰ সাংগঠনিক দিশৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। অন্যহাতে আজি আবেলি সৰুপথাৰ ব্লক কংগ্ৰেছ ভৱনত গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰূপান্তৰ তাঁতীৰ সভাপতিত্বত অনুষ্ঠিত যুৱ কংগ্ৰেছৰ সাংগঠনিক সভাত সৰুপথাৰ ব্লক যুৱ কংগ্ৰেছ কমিটিৰ নৱ নিযুক্ত সভাপতি ৰাজীৱ শইকীয়াক দায়িত্বভাৰ প্ৰদান কৰা হয়। সৰুপথাৰ কংগ্ৰেছ ভৱনত অনুষ্ঠিত আজিৰ সাংগঠনিক সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ উপাধ্যক্ষ অমৃত বুঢ়াগোহাঁই, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ উপ সভাপতি ৰত্ন গগৈ, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক/মুখপাত্ৰ তথা সৰুপথাৰ কংগ্ৰেছৰ তত্ত্বাৱধায়ক দিগন্ত বাইলুং, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা জিলা যুৱ কংগ্ৰেছৰ তত্ত্বাৱধায়ক দিপাংকৰ দাস, প্ৰদেশ যুৱ কংগ্ৰেছৰ অন্যতম সম্পাদক ভাস্কৰ বৰা আৰু অৰিন্দম বড়ী, গোলাঘাট জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা নিৰুপমা হাজৰিকা, সম্পাদক বাবুল চুতীয়া, গোলাঘাট জিলা যুৱ কংগ্ৰেছৰ অন্যতম সাধাৰণ সম্পাদক তৃষ্ণা চুতীয়া আৰু নাদিম আলম, সৰুপথাৰ ব্লক মহিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা ৰুবী শইকীয়াই সৰুপথাৰ বিধানসভা সমষ্টিত কংগ্ৰেছৰ ভেটি শক্তিশালী কৰাৰ বিষয়ত ভাষণ প্ৰদান কৰি ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনবিৰোধী নীতিক তীব্ৰ সমালোচনা কৰে। শতাধিক যুৱ কংগ্ৰেছ কৰ্মীয়ে অংশগ্ৰহণ কৰা দলৰ সাংগঠনিক সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত সমগ্ৰ অসমত যুৱ শক্তিয়ে ন উদ্যমেৰে সহযোগ আগবঢ়োৱাৰ বিষয়ে প্ৰদেশ যুৱ কংগ্ৰেছ আৰু জিলা কংগ্ৰেছৰ নেতৃত্বই মতপোষণ কৰি ভাষণ প্ৰদান কৰে।

# মৃত্যু দিৱসত তিনিচুকীয়া সংগীত প্ৰেমী মঞ্চ(সপ্ৰেম)ৰ গীতে-মাতে ভূপেন্দ্ৰ স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৭ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়াতো আজি সংগীত প্ৰেমী মঞ্চ, তিনিচুকীয়া(সপ্ৰেম)ৰ উদ্যোগত আৰু চৰকাৰী পেঞ্চনাৰ সন্থা তিনিচুকীয়াৰ সহযোগত বৰদলৈ নগৰস্থিত সন্থাৰ কাৰ্যালয়ৰ সভাগৃহত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে মহান মনীষীগৰাকীৰ স্মৃতিত 'সুধাকণ্ঠলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন আৰু গীতে-মাতে ভূপেন্দ্ৰ স্মৰণ' শীৰ্ষক এক কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে 'সপ্ৰেম'ৰ সভাপতি তথা বিশিষ্ট অনুবাদক অতুল চন্দ্ৰ শৰ্মা আৰু চৰকাৰী পেঞ্চনাৰ সন্থা, তিনিচুকীয়াৰ সভাপতি প্ৰদীপ কুমাৰ দাসে। লগতে সদ্যপ্ৰয়াত সংগীত শিল্পী চৈয়দ ছাদুল্লা আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মাৰ বিয়োগত শোক প্ৰকাশ কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰা হয়। মঞ্চৰ সভাপতি অতুল চন্দ্ৰ শৰ্মাই সুধাকণ্ঠৰ চমু স্মৃতিচাৰণ কৰাৰ লগতে আদৰণী ভাষণ প্ৰদান কৰে। পেঞ্চনাৰ সন্থা, তিনিচুকীয়াৰ সম্পাদক জ্যোতিপ্ৰসাদ ফুকনৰ লগতে মঞ্চৰ বিষয়ববীয়া শৰৎ দাস, চন্দ্ৰমা দিহিঙ্গীয়া, দীপিকা মেধি, যন্ত্ৰ শিল্পী পৰাগ বৰবৰা, তৰুণ হাজৰিকা আৰু দিলীপ কুমাৰৰ সহযোগত মঞ্চৰ সম্পাদক তথা বিশিষ্ট সংগীত শিল্পী লুইত দাসে আঁত ধৰা গীত-মাতৰ অনুষ্ঠানটি আৰম্ভণি কৰে কণমানি হৰ্ষিত চেতিয়া আৰু অসীম চেতিয়াই কী-বোৰ্ডত ভূপেন হাজৰিকাৰ দুটা গীতৰ যন্ত্ৰ সংগীতেৰে। 'সপ্ৰেম'ৰ সদস্য-সদস্যা আৰু আমন্ত্ৰিত শিল্পীসকলৰ দ্বাৰা সজাই তোলা অনুষ্ঠানটিত গীত পৰিৱেশন কৰে যথাক্ৰমে -ড° জীৱন চাংমাই, লুটুমণি দত্ত, মোক্ষদেৱ দাস, তপন বৰা, মনীষা ভাগৱতী, কামিনী কুমাৰ গোহাঁই, ৰুমী গোস্বামী, কীৰ্তি কমল ভূঞা, লক্ষ্মীন্দ্ৰ ৰাজখোৱা, তৰুণ হাজৰিকা আৰু ধৈৰ্য দাস প্ৰমুখ্যে শিল্পীসকলে। স্বৰচিত কবিতা পাঠেৰে সুধাকণ্ঠগৰাকীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে কবি ড° বিকাশ বৰুৱা আৰু দুৰ্লভ সেনাপতিয়ে। উল্লেখযোগ্য যে, যোৱা চৈধ্যটা বছৰে একেলেথাৰিয়ে সম্পূৰ্ণ একক প্ৰচেষ্টাৰে ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱসটি ৰাজহুৱাভাৱে উদ্‌যাপন কৰি অহা সুধাকণ্ঠৰ একান্ত অনুৰাগী তিনিচুকীয়া বৰদলৈ নগৰৰ ক্ষুদ্ৰ চাহ-মিঠাই ব্যৱসায়ী বাপু আৰু অঞ্জনা দম্পতীয়ে উপস্থিত সকলোকে চাহ-জলপানেৰে আপ্যায়িত কৰে। শেষত সুধাকণ্ঠৰ প্ৰখ্যাত কালজয়ী গীত 'মানুহে মানুহৰ বাবে' সমবেত কণ্ঠত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

# নামতিৰ আৰক্ষীৰ জালত সন্দেহজনক গৰু চুৰি চক্ৰ

**অসম বাৰ্তা, গেলেকী, ৭ নৱেম্বৰ ঃ** যোৱা নিশা নামতি আৰক্ষীৰ এক অভিযানত সন্দেহজনক এটা গৰু চুৰি চক্ৰ আটক হৈছে। আটকাধীন যুৱককেইজনৰ পৰা জব্দ কৰা হৈছে AS-12-CC-3309 নম্বৰৰ এখন ব'লেৰ বাহন। জানিব পৰা মতে নিশা নামতি চাৰি আলিৰ সমীপৰ এঘৰ লোকৰ ঘৰৰ গোহালিৰ পৰা দুটাকৈ গৰু অচিনাকি চুৰে খুলি লৈ গৈছিল। গৃহস্থই সেই সময়ত এটা শব্দ শুনি সাঁৰ পাই উঠি দেখে যে গোহালিত দুটাকৈ গৰু নাই। তেতিয়াই গৃহস্থই চিঞৰ বাখৰ কৰাত স্থানীয় লোক ওলাই আহে ৰাজপথলৈ। বহু সময় বিচাৰি অৱশেষত স্থানীয় এখন হাবিৰ মাজৰ পৰা দুটাকৈ গৰু উদ্ধাৰ কৰে যদিও চুৰ পলাই যায়। সেই সময়তে এখন ব'লেৰ বাহন আমগুৰিৰ দিশৰ পৰা শিমলুগুৰি অভিমুখে আহি থকা দেখি ৰাইজে বাহনখন ৰখাই সোধাত প্ৰথমে চালকজনে পাচলি আনিবলৈ যোৱা বুলি কয়। কিন্তু ৰাইজে বাহনখনত কিছু সামগ্ৰী দেখি সন্দেহ উপজাত নামতিৰ আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত আৰক্ষী আহি সোধা-পোছা কৰাত যুৱককেইজনে শিমলুগুৰিৰ পৰা গৰু নিবলৈ অহা বুলি স্বীকাৰ কৰে। বৰ্তমান নামতিৰ আৰক্ষীয় তিনি যুৱক ক্ৰমে ডিমৌ দিখাৰীৰ নেছিম ৱাহিদ (৩৪), নগাঁও বৰঘুলিৰ নুৰ মহম্মদ (২৬), নগাঁও ৪ নং ধুৰবন্ধাৰ মুতিবুৰ ৰহমান (৩৩)ক আটক কৰি সোধ-পোছা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে নামতিৰ বিভিন্ন অঞ্চলত দীৰ্ঘসময় ধৰি গৰু চুৰে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। এনে সময়তে নিশা শিমলুগুৰিৰ পৰা গৰু ক্ৰয় কৰিবলৈ অহা বুলি নিজেই স্বীকাৰ কৰা যুৱককেইজনৰ আটকে গৰু চুৰিৰ চক্ৰৰ লগত জড়িত আৰু তথ্য পোহৰলৈ অহাৰ আশা কৰা হৈছে।

# ডুমডুমা শতদল শাখা সাহিত্য সভাই সুঁৱৰিলে সুধাকণ্ঠক




**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ নৱেম্বৰ ঃ** ডুমডুমা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত তথা বৃহত্তৰ অসমীয়া যুৱ মঞ্চ আৰু অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ ডুমডুমা-ৰূপাই শাখাৰ সহযোগত শাখাৰ ভৱনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকীত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে সুধাকণ্ঠৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভানেত্ৰী জোনালী শহকীয়া ডেকা, সম্পাদিকা সংগীতা বৰুৱা ডেকা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সাংগঠনিক সম্পাদক অচিন্ত্য মেধি, ডুমডুমা অঞ্চলিকৰ সভাপতি মানস শৰ্মা, সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ কেন্দ্ৰীয় সভাপতি ধৰণী শহকীয়া, অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিকৰ সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণ, ডুমডুমা শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাস, উপসভাপতি ত্ৰিদ্বীপ ডেকা, ৱাৰিয়ৰ্ছ ডুমডুমা আঞ্চলিকৰ মিৰাণ্ডা বৰুৱা, ৰামধেনু মহিলা চ'ৰাৰ প্ৰণীতা চক্ৰৱৰ্তী শৰ্মাকে ধৰি উপস্থিত বহু সংখ্যক ৰাইজে অংশ গ্ৰহণ কৰে। সুধাকণ্ঠৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা আৰু বিশিষ্ট লেখিকা বৰ্তমান বেঙ্গালুৰু নিবাসী ৰুনী ৱাহাবে। স্বৰচিত কবিতা পাঠ কৰে জোনালী শইকীয়া ডেকাই আৰু গীটাৰত সুধাকণ্ঠৰ গীতৰ সুৰৰ লহৰ তোলে দেৱাশিস প্ৰতীম শৰ্মাই। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডুমডুমা-ৰূপাই শাখাৰ সদস্যাসকলে ড° অমৰজ্যোতি চৌধুৰীৰ 'মৃত্যু জিনাৰ গান' কবিতাটি আবৃত্তি কৰে। শাখা সাহিত্য সভাৰ সম্পাদক নিত্যানন্দ দাসে আঁত ধৰা অনুষ্ঠানটি জাতীয় সংগীতেৰে সামৰণি মৰা হয়।

# চিৰাং জিলাত শিল-বালি মাফিয়াৰ দপ্‌দপনি

**অসম বাৰ্তা, বাসুগাঁও, ৭ নৱেম্বৰ ঃ** বিটিচি'ৰ চিৰাং জিলা আৰু কোকৰাঝাৰ জিলাৰ মাজেৰে বৈ যোৱা চম্পাৱতী নৈত দীৰ্ঘদিনৰ পৰাই অবৈধভাৱে খনন কাৰ্য্যৰে একাংশ শিল-বালিৰ ব্যৱসায়ীয়ে অবাধ ব্যৱসায় চলাই আহিছে। উল্লেখযোগ্য যে যোৱা দুদিন পূৰ্বে মোজাবাৰী আৰু দেউলগুৰী গাঁৱৰ হাছানুৰ জামাল আৰু চুনাই মিঞাৰ নেতৃত্বত একাংশ বালি মাফিয়াই চম্পাৱতী নৈৰ বুকুত প্ৰকাণ্ড প্ৰকাণ্ড মেচিনেৰে খান্দি নৈৰ পানী অইন ফালে বোৱাই শিল-বালিৰ কুৰেৰি বনোৱাৰ প্ৰচেষ্টা অব্যাহত ৰখাৰ সময়তেই নৈ পৰীয়া কাউনীয়াভাষা, ফুলগুৰি গাঁৱৰ ৰাইজে বাধা প্ৰদান কৰাত বালি মাফিয়া আৰু স্থানীয় ৰাইজৰ মাজত তীব্ৰ তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়। পৰৱৰ্তীসময়ত তৰ্ক-বিতৰ্কই চৰম পৰ্যায় পোৱাৰ বাবে নৈপৰীয়া গাওঁখনৰ স্থানীয় সচেতন ৰাইজে বিভাগীয় কৰ্তৃপক্ষক ঘটনা সন্দৰ্ভত অৱগত কৰাত বাসুগাঁও বন বিভাগৰ বিষয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। দীৰ্ঘদিনৰ পৰাই কাউনীয়া ভাষা, ফুলগুৰি গাঁৱৰ ৰাইজে উক্ত ঠাইখিনি চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে বুলি ঘটনা সন্দৰ্ভত কাউনীয়াভাষা গাঁৱৰ গাওঁবুঢ়াই মন্তব্য কৰে। তদুপৰি অঞ্চলোৰ ল'ৰা-ছোৱালী সকলোৱে উক্ত ঠাইত ফুটবল, দৌৰ প্ৰতিযোগিতা আদি বিভিন্ন খেল অনুষ্ঠিত কৰে। আনহাতে চম্পাৱতী নৈৰ সোঁত সলনি কৰিলে বাৰিষা কালত চম্পাৱতী নৈৰ প্ৰবল গৰাখহনীয়াত কাউনীয়াভাষা, ফুলগুৰি, আদি ভালে কেইখন গাঁও নিচিহ্ন হব বুলিও আশংকা প্ৰকাশ কৰিছে গাঁওখনৰ গাঁওবুঢ়াই। উক্ত ঘটনাক তীব্ৰ বিৰোধিতা কৰিছে এবিএমছুই। কেৱল নিজৰ লাভা লাভৰ বাবে চম্পাৱতী নৈৰ পানী অইন ফালে বোৱাই যাতে তেওঁ লোকৰ অসৎ কাৰ্য সিদ্ধি কৰিব নোৱাৰে তাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ লগতে বন বিভাগৰ কাৰ্য্যবাহী সদস্য পানীৰাম ব্ৰহ্মক আহ্বান জনাইছে চম্পানগৰ আঞ্চলিক এবিএমছুৰ সাধাৰণ সম্পাদক ইচানুল হুছেইনে।

জোনাকৰ স্নিগ্ধ আলোকত ৰাধা কৃষ্ণৰ যুগল বন্দীৰে, গোপীসকলৰ ৰাসক্ৰীড়াৰে যমুনাৰ ঘাটলৈ ৰূপান্তৰিত হ'ল মাজুলীৰ টুনী ঘাট

# নিজম পৰিল মাজুলী; ৰাস মহোৎসৱৰ সামৰণি

## মাজুলীৰ জিলা প্ৰশাসনৰ এক অনন্য আৰু ব্যতিক্ৰমী উদ্যোগ

**অসম বাৰ্তা, উজনী মাজুলী, ৭ নৱেম্বৰ ঃ** ৰাস মহোৎসৱৰ আজি তৃতীয় দিনাও মাজুলীৰ ৰাসোৎসৱত দৰ্শকৰ ভিৰ পৰিলক্ষিত হয়। তিনিদিনীয়াকৈ আয়োজন কৰা মাজুলীৰ অধিকাংশ ৰাস মঞ্চৰ আজি অন্তিমটো দিনৰ ৰাসলীলা উপভোগৰ বাবে দৰ্শকে মঞ্চই মঞ্চই ভিৰ কৰা পৰিলক্ষিত হয়। মাজুলীৰ আউনীআটী সত্ৰত কালি ৰাসপূজা অনুষ্ঠিত হোৱাৰ পিছত আজি গোষ্ঠ লীলা আৰু মহাৰাস প্ৰদৰ্শন কৰা হয়। সন্ধিয়া আউনীআটী সত্ৰৰ ৰংগমঞ্চত সত্ৰৰ ৰাসলীলাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। সত্ৰৰ বৈষ্ণৱ তথা অধ্যাপক তুলসী ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানত সত্ৰ খনৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে ৰাসলীলা উদ্বোধন কৰে। সত্ৰাধিকাৰ গৰাকীয়ে উদ্বোধনী ভাষণত মূলতঃ ৰাসৰ তাৎপৰ্য ব্যাখ্যা কৰি ৰাসৰ মহাৰাসত গোপী সকলে কৃষ্ণৰ সৈতে ৰাসক্ৰীড়া কৰাৰ সময়ত যি প্ৰকৃত প্ৰেমৰ বাৰ্তা দিছিল, যি সমন্বয়ৰ বাৰ্তা দিছিল সেয়া সকলোৱে উপলব্ধি কৰা উচিত বুলি উল্লেখ কৰে। সত্ৰাধিকাৰ গৰাকীয়ে ৰাসৰ মনোৰঞ্জনধৰ্মী ব্যৱস্থাৰে ৰাস উপভোগ কৰাতকৈ ৰাসত নিহিত হৈ থকা সমন্বয়ৰ বাৰ্তা প্ৰতিজনে, প্ৰতিঘৰলৈ লৈ যাব লাগে বুলি তেওঁ উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱা উপস্থিত থকাৰ লগতে বিশ্ববিদ্যালয়খনৰ শিক্ষক - শিক্ষয়িত্ৰী, বিষয়া-কৰ্মচাৰী সকলৰ লগতে ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকি সত্ৰখনৰ ৰাসলীলা উপভোগ কৰে। ইফালে নতুন চামগুৰি সত্ৰ আৰু দক্ষিণপাট সত্ৰত আজি ৰাসলীলা সামৰণি পৰে। সত্ৰখনত কালিৰে পৰাই উখল-মাখল পৰিৱেশে বিৰাজ কৰে। ৰাসোৎসৱ উপলক্ষে সত্ৰখনত স্থাপন হোৱা বাণিজ্য মেলা, বিপনী সমূহত ব্যাপক ভিৰ পৰিলক্ষিত হয়। কালিৰে পৰা সত্ৰখনত আৰম্ভ হোৱা ৰাসোৎসৱৰ কালি প্ৰথম দিনটোতে সত্ৰ খনত অনুষ্ঠিত হোৱা ৰাসৰ নাম কীৰ্ত্তনত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ লোকে অংশগ্ৰহণ কৰে। সত্ৰখনৰ ৰাসোৎসৱত ৰাসৰ গোসাঁইক চৰণ চুই সেৱা কৰা এক আধ্যাত্মিক পৰম্পৰা আছে। ইফালে দক্ষিণপাট সত্ৰত ৰাস পূজাৰে ৰাসোৎসৱ আৰম্ভ হোৱাৰ পিছত আজি দ্বিতীয় দিনা কালি নিশা প্ৰদৰ্শন কৰা নাটকৰ ইন্দ্ৰাভিষেক আজি অন্তিম দিনা একে মঞ্চতে প্ৰদৰ্শন কৰে। সত্ৰ খনৰ ৰাসৰ বিধি পৰম্পৰা অনুসৰি তিনি দিন ধৰি কল্পিত বৃন্দাবন চন্দত পূজিত হৈ থকা বৃন্দাবন চন্দ্ৰ বিগ্ৰহক চত্ৰ দৌল আৰু মাংগলিক গীত মাতেৰে পুনৰ মূল মন্দিৰত উপাস্য দেৱতা সহ পুনৰ এবছৰলৈ পূজিতৰ অৰ্থে স্থাপন কৰাৰ পিছত সত্ৰ খনত ৰাসোৎসৱ আজি সামৰণি পৰে। দক্ষিণপাট সত্ৰৰ অধিকাৰ ননীগোপাল দেৱ গোস্বামীয়ে কয় ৰসময় কৃষ্ণ দেৱৰ যি লীলা সেয়াই হল ৰাস। এই ৰাস দক্ষিণপাট সত্ৰৰ প্ৰতিষ্ঠা কালৰ পৰাই চলি আহিছিল যদিও ঐতিহ্যমণ্ডিত সত্ৰখনৰ দশমজন সত্ৰাধিকাৰ বাসুদেৱ প্ৰভুৱে বৰ্তমানৰ নাটকখন ৰচনা কৰিছিল। যত কৃষ্ণ জন্মৰ পৰা অৰিষ্টাসুৰ বধলৈকে নাটক খনত সন্নিৱিষ্ট হৈ আছে। আমাৰ সত্ৰত ৪ নৱেম্বৰত অধিবাস, ৫ নৱেম্বৰত মূল ৰাসৰ অভিনয় আৰু আজি ইন্দ্ৰাভিশেষ বা দিন ৰাস বুলি কোৱা হয়। আমাৰ সত্ৰৰ ৰাস পূজাৰ যিটো মাধ্যম তাত ৰাসৰ প্ৰতিটো চৰিত্ৰত সন্নিৱিষ্ট হৈ থকা কাহিনী ৰাস পূজাৰ লগত সন্নিৱিষ্ট হৈ আছে। আমাৰ সত্ৰত ব্ৰহ্মামোহনৰ অভিনয় যেতিয়া মঞ্চত চলি থাকে তেতিয়া আন দিশত ব্ৰহ্মামোহনৰ পূজা চলি থাকে বুলি তেওঁ উল্লেখ কৰে। আনহাতে মাজুলীৰ কিছু কিছু স্থানত কালিয়েই ৰাসলীলাৰ অন্ত পৰে যদিও আজিহে মাজুলীৰ অধিকাংশ ৰাস মঞ্চত ৰাসলীলাৰ অন্ত পৰিব। অৱশ্যে কাইলৈ আৰু ৮ নৱেম্বৰতো একাংশ মঞ্চত ৰাসলীলা অনুষ্ঠিত হ'ব যদিও ইতিমধ্যে আজি মাজুলীৰ পৰা ৰাস দৰ্শন কৰি উভতি যোৱা দৰ্শনাৰ্থী সকলে মাজুলীৰ অফলামুখ আৰু কমলাবাৰী ঘাটত ভিৰ কৰা পৰিলক্ষিত হৈছে। আজি কমলাবাৰী ঘাটত বহু যাত্ৰীয়ে টিকট সংগ্ৰহ কৰিও ফেৰীত উভতি যাব নোৱাৰি সমস্যাত পৰা বুলিও জানিবলৈ দিয়ে। এইবাৰ মাজুলীৰ মুঠ ৬৭খন ৰাস মঞ্চত কৃষ্ণ ৰাসলীলা অনুষ্ঠিত হৈছিল। **জোনাকৰ স্নিগ্ধ আলোকত ৰাধা কৃষ্ণৰ যুগল বন্দীৰে, গোপী সকলৰে ৰাসক্ৰীড়াৰে যমুনাৰ ঘাটলৈ ৰূপান্তৰিত হ'ল মাজুলীৰ টুনী ঘাট ঃ** মাজুলীৰ জিলা প্ৰশাসনৰ এক অনন্য আৰু ব্যতিক্ৰমী উদ্যোগৰে আজি সন্ধিয়া জোনাকৰ স্নিগ্ধ আলোকত ৰাধা কৃষ্ণৰ যুগল বন্দীৰে, গোপী সকলৰে ৰাসক্ৰীড়াৰে মাজুলীৰ টুনীৰ পাৰ যমুনাৰ ঘাটলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হ'ল। মাজুলীৰ জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ একক চিন্তা, জিলা প্ৰশাসনৰ উদ্যোগত, মাজুলীৰ বিধায়ক ভুৱন গাম তথা মাজুলীবাসীৰ সহযোগত মাজুলীৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাসোৎসৱৰ মূল তত্ত্ব সন্নিৱিষ্ট হৈ থকা মহাৰাস প্ৰদৰ্শনে কমলাবাৰীৰ টুনীৰ পাৰত এক স্বৰ্গীয় দৃশ্য মাজুলীবাসীয়ে উপভোগ কৰাৰ সুবিধা লাভ কৰিলে। ইয়াৰ উপৰিও বসুদেৱে ভৰা যমুনা পাৰ হৈ কৃষ্ণক নন্দৰ গৃহত থৈ অহাৰ দৃশ্যয়ো সকলোকে সন্মোহিত কৰে। উক্ত দৃষ্টি নন্দন দৃশ্য উপভোগৰ বাবে আজি সন্ধিয়া কমলাবাৰী টুনী দলংৰ ওপৰৰ লগতে নদীৰ পাৰে পাৰে প্ৰায় পাঁচ সহস্ৰাধিক লোক সমবেত হৈ উক্ত মনোমোহা দৃশ্য উপভোগ কৰি আপ্লুত হৈ পৰে।

# যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কাৰ্ডিঅ'লজি বিভাগৰ কৰ্মচাৰী মনজিত বৰুৱাৰ বিয়োগ

**অসম বাৰ্তা, নিমাতীঘাট, ৭ নৱেম্বৰ ঃ** যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কাৰ্ডিঅ'লজী বিভাগৰ কৰ্মচাৰী মনজিত বৰুৱা (৪৮)ৰ যোৱা ৪ নৱেম্বৰত উচ্চ ৰক্তচাপ জনিত ৰোগত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। সকলোৰে মাজত জনপ্ৰিয়, সকলো মানুহক নিস্বাৰ্থভাৱে সহায় কৰি ভাল পোৱা ব্যক্তি গৰাকীৰ আকস্মিক বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰে। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ অধীক্ষক ডাঃ মানৱ গোহাইৰ উপস্থিতিত অপিডি চৌহদত কেইবাগৰাকী চিকিৎসক আৰু কৰ্মচাৰীয়ে চাকি-বন্তি জ্বলাই পুষ্প মাল্য অৰ্পন কৰি শেষ শ্ৰদ্ধাঞ্জলি জনায়। ইয়াৰ পাছতে তেখেতৰ নশ্বৰ দেহ বাহনাৰ নিজা বাসভৱনলৈ অনা হয়।

পুণঃনিৰ্মাণৰ দাবীৰে আটাছুৰ স্মাৰকপত্ৰ

# আমগুৰিৰ মাজেৰে ডাম্পাৰৰ অবাধ চলাচলৰ ফলত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথ ক্ষতিগ্ৰস্ত

**অসম বাৰ্তা, আমগুৰি, ৭ নৱেম্বৰ ঃ** আমগুৰি নগৰৰ মাজেৰে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়ন কামত ব্যৱহৃত হোৱা গধুৰ ডাম্পাৰৰ অবাধ যাতায়তৰ ফলত ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থা অতি শোচনীয় হৈ পৰাৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিস্থিতি নিয়ন্ত্ৰণৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু) আমগুৰি আঞ্চলিক সমিতিয়ে আজি আমগুৰি ৰাজহ চক্ৰ বিষয়াৰ ওচৰত পাঁচ দফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ দাখিল কৰে। সংগঠনটোৰ উপদেষ্টা গৌতম দিহিঙ্গীয়া, সভাপতি আকাশ গগৈ আৰু যুটীয়া সম্পাদক অংকুৰ গগৈ স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্য্যৰ বাবে নাগালেণ্ডৰ টুলিৰ পৰা মাটি আৰু শিল কঢ়িওৱা ডাম্পাৰসমূহে হালোৱাটিং হৈ আমগুৰি নগৰৰ মাজেৰে ৬১ নং ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰ কৰি যাতায়ত কৰাৰ ফলত সমগ্ৰ পথচোৱা বৰ্তমান সময়ত বিস্তৰ ক্ষতিসাধন হৈছে। পথটোৰ বিভিন্ন অংশ ভাঙি যোৱাৰ ফলত দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পাইছে বুলি সংগঠনটোৱে অভিযোগ কৰিছে। আটাছুৱে দাখিল কৰা স্মাৰক পত্ৰত ৬১ নং ৰাষ্ট্ৰীয় ঘাই পথৰ শীঘ্ৰে মেৰামতি ও উন্নীত কৰা, ডাম্পাৰসমূহৰ নম্বৰ প্লেট স্পষ্টভাৱে দৃশ্যমান কৰাৰ ব্যৱস্থা, স্কুল-কলেজৰ সময়ত নগৰাঞ্চলত "ন' এণ্ট্ৰি" ব্যৱস্থা কঠোৰভাৱে বলবৎ কৰা, নিশা মদ্যপান অৱস্থাত ড্ৰাইভিং ৰোধৰ বাবে এলক'হল ব্ৰেথেলাইজাৰৰ সহায়ত আকস্মিক চেকিং কৰা আৰু লঘু খনিজ সামগ্ৰী কঢ়িওৱাৰ সময়ত ট্ৰিপালেৰে ঢাকি অনা নিশ্চিত কৰা আদি কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। সংগঠনটোৱে জানাইছে, তেওঁলোক উন্নয়নবিৰোধী নহয়; বৰং ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাম শীঘ্ৰে আৰু সুন্দৰভাৱে সম্পন্ন হোৱাটো আটাছুৰ কামনা। কিন্তু সেই কামত স্থানীয় ৰাইজৰ অসুবিধা নোহোৱাকৈ প্ৰশাসনে উপযুক্ত পদক্ষেপ ল'ব লাগে বুলি সংগঠনটোৱে স্পষ্টকৈ মতপোষণ কৰে। স্মাৰক পত্ৰ প্ৰদানৰ সময়ত আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ হৈ সহঃ সাধাৰণ সম্পাদক প্ৰদ্যুত গগৈ উপস্থিত থাকে। স্মাৰকপত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, শিৱসাগৰ জিলাৰ আয়ুক্ত, জেষ্ঠ্য আৰক্ষী অধীক্ষক, বন সংমণ্ডল প্ৰাধিকাৰী, পৰিবহণ বিষয়া, ৰাষ্ট্ৰীয় ঘাই পথ যোৰহাট সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা, লগতে আমগুৰি আৰু হালোৱাটিং থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ প্ৰেৰণ কৰা হৈছে বুলি জানিব পৰা গৈছে।

## সম্পাদকীয়

# বিশ্বজয়ী অসম কন্যাক মাতৃভূমিত উপেক্ষা

**ভা**ৰতীয় মহিলা ক্ৰিকেট দলে ইতিহাস ৰচনা কৰিলে। দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ শিৰোপা ঘৰলৈ অনা সেই দলত অসমৰ কন্যা উমা চেত্ৰীও আছিল। সমগ্ৰ দেশজুৰি এই জয়ৰ উলহ-মালহৰ বাতাবৰণ। কিন্তু যি অসমৰ বাবে এই জয় এক বিশেষ গৌৰৱৰ বিষয়, সেই অসমতেই নিজৰ সন্তানজনীক সন্মানজনকভাবে আদৰণি জনোৱাত হ'ল চৰম ব্যৰ্থতা। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী বিশ্বকাপ বিজয়ী ক্ৰিকেটাৰগৰাকীক গুৱাহাটীৰ বিমানবন্দৰত স্বাগতম জনাবলৈ চৰকাৰ, ক্ৰীড়া সংস্থা বা ৰাজনৈতিক দল—কোনোৱেই আগবাঢ়ি নাহিল। কেৱল গোৰ্খা ছাত্ৰ সংঘৰ এটি দলৰ ফুলৰ তোড়ায়ে প্ৰমাণ কৰিলে যে সঁচা স্নেহ-সন্মানৰ বাবে সংগঠিত শক্তি নহয়, হৃদয়ৰ আকুতিহে প্ৰয়োজন। এই ঘটনাই এটা গভীৰ আৰু অস্বস্তিকৰ প্ৰশ্নৰ সৃষ্টি কৰিছে- বিশ্বমঞ্চত ৰাষ্ট্ৰৰ সন্মান উজ্জ্বল কৰা এগৰাকী যুৱতীক তেওঁৰ মাতৃভূমিয়ে ইমান নিষ্ঠুৰভাবে উপেক্ষা কৰিব পাৰেনে? সাধাৰণ যাত্ৰীৰ দৰেই নিজৰ ঘৰলৈ উভতি অহা উমা চেত্ৰীৰ মনত কি ধৰণৰ অনুভূতি হ'ব? তেওঁৰ দৰে লক্ষ্য যুৱক-যুৱতীসকলৰ মনত এই ঘটনাই কিদৰে প্ৰভাৱ পেলাব? প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাক্ষাৎকাৰ সন্মিলনে, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ (BCCI) বাৰ্ষিক চুক্তিৰ 'চি' গ্ৰুপনে—দেশ আৰু ৰাষ্ট্ৰীয় সংস্থাবোৰে উমাক যি সন্মান দেখুৱালে, নিজৰ মাতৃভূমিয়ে কিয় নোৱাৰিলে। সাধাৰণ পৰিয়ালৰ ছোৱালী এগৰাকীয়ে বিশ্বকাপত ভাৰতৰ হৈ অভিষেক মেচতে ৪ উইকেট লৈ সকলোকে আচৰিত কৰি তুলিছিল। তেওঁৰ এই অসাধ্য সাধনাই অসমৰ যুৱ প্ৰজন্মক এক নতুন সপোন দেখুৱালে। কিন্তু যেতিয়া সেই সপোনৰ জীৱন্ত ৰূপটি বিমানবন্দৰলৈ উভতি আহিল, তেতিয়া ৰাজ্যই দেখুৱালে এক নিৰাসক্তি ভাব। সামাজিক মাধ্যমত এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। #WelcomeUmaChetry আৰু #AssamPride হেচটেগৰ জৰিয়তে জনতাই তেওঁৰ প্ৰতি হোৱা অন্যায়ৰ নিন্দা জনাইছে। সাধাৰণ মানুহে সুধিছে—যদি উমা দিল্লী, মুম্বাই বা আন ৰাজ্যৰ কন্যা হ'লেহেঁতেন, তেন্তে তেওঁৰ এই দশা হ'লহেঁতেননে? আমাৰ ৰাজ্যিক চৰকাৰ আৰু ক্ৰীড়া সংস্থাসমূহৰ দৃষ্টিভংগী ইমানেই সংকীৰ্ণনে? আন ৰাজ্যসমূহে নিজৰ খেলুৱৈসকলক কেনেকৈ ৰাজহুৱাভাৱে সন্মানিত কৰে, আমাৰ ইয়াত তাৰ একো পৰ্যায় ৰখা নহয়নে? সুখৰ কথা যে, এই তীব্ৰ সমালোচনাৰ পিছত অসম ক্ৰিকেট সন্থা (ACA) সচেতন হ'ল। তেওঁলোকে ৯ নৱেম্বৰত উমাক ৰাজহুৱাভাৱে সন্মানিত কৰাৰ সিদ্ধান্ত ল'লে। ACAৰ সভাপতি তৰংগ গগৈয়ে BCCI-য়ে আগতীয়াকৈ উমাৰ অহাৰ কথা নজনোৱাৰ কথা কৈ এই ব্যৰ্থতাৰ বাবে এক প্ৰকাৰৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিলে। কিন্তু প্ৰশ্ন উঠিছে—বিশ্বকাপ জয়ী দলৰ এগৰাকী সদস্যা যেতিয়া গুৱাহাটীলৈ উভতি আহিব, সেই তথ্য সংগ্ৰহ কৰাটো ৰাজ্যিক ক্ৰিকেট সংস্থাৰ দায়িত্ব নহয়নে? আনকি সাধাৰণ যাত্ৰীৰ আগমনৰ তথ্যো সংগ্ৰহ কৰা হয়, তেনেস্থলত বিশ্ববিজয়ীৰ তথ্য নোপোৱাটো কিমান যুক্তিসংগত? উমা চেত্ৰীৰ এই অভিজ্ঞতাই আমাৰ ৰাজ্যিক ক্ৰীড়া ব্যৱস্থাপনা আৰু সংস্কৃতিৰ এক গভীৰ দুৰ্বলতা ইংগিত কৰিছে। ইয়াৰ পৰা শিক্ষা গ্ৰহণ কৰাটো অপৰিহাৰ্য। খেলুৱৈসকলক তেওঁলোকৰ সাধাৰণ পৰিয়াললৈ উভতি অহাৰ পিছতহে সঁচা সন্মান আৰু সমৰ্থনৰ প্ৰয়োজন। কেৱল বিজয়ৰ সময়ত নহয়, সকলো অৱস্থাতে তেওঁলোকক আমাৰ পৃষ্ঠপোষকতাৰ প্ৰতিশ্ৰুতি দিয়াটোৱেই হ'ল সংস্কৃতিৰ আপাচক চিন। উমা চেত্ৰী এতিয়া অসমৰ লক্ষ্য কিশোৰ-কিশোৰীৰ বাবে এক প্ৰেৰণাৰ নাম। তেওঁৰ জয়ে প্ৰমাণ কৰিলে যে অসমৰ পৰা আহিয়ে বিশ্বজয়ী হ'ব পাৰি। আমাৰ দায়িত্ব হ'ল তেওঁৰ দৰে প্ৰতিভাসমূহক চিনাক্ত কৰি, উৎসাহিত কৰি আৰু তেওঁলোকৰ সফলতাক সন্মানজনকভাৱে স্বীকৃতি দিয়া। আশা কৰিব পাৰি যে, ভৱিষ্যতে কোনো অসমীয়া খেলুৱৈয়ে তেওঁৰ মাতৃভূমিত নিজক অদৃশ্য অনুভৱ নকৰে। উমা চেত্ৰীক আমাৰ হৃদয়ংগম অভিনন্দন। তেওঁৰ জয়যাত্ৰা অব্যাহত থাকক।

◀◀ বৰ্তমান নিচাৰ সৰ্বগ্ৰাসী ৰূপ সৰ্বত্ৰ শিপাইছে। নিচাৰ সৰ্বনাশী ৰূপৰ সাক্ষী বহুজন হৈছে। নিচাৰ কৰাল গ্ৰাসৰ পৰা সমাজখনক বচাবলৈ প্ৰত্যেকজন নাগৰিকে ঘৰৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰতিটো স্তৰত এই সংক্ৰান্তত সজাগতা আৰু দায়িত্ব লৈ কাম কৰা উচিত। এই ক্ষেত্ৰত পিতৃ-মাতৃ, সমাজৰ অভিভাৱক স্বৰূপ জ্যেষ্ঠসকল তথা চৰকাৰ এই সকলো খিনিয়ে একত্ৰিত হৈ কাম নকৰিলে অনাগত দিনবোৰ বৰ চিন্তনীয় হৈ পৰিব। সমাজৰ শৃংখলা নাইকিয়া হ'ব। পৰিয়ালৰ শান্তি বিঘ্নিত হ'ব। ▶▶

# নিচা আৰু সস্তীয়া মনোৰঞ্জনৰ চিকাৰ আজিৰ সমাজ

**নিবেদিতা হাজৰিকা**

শৰীৰৰ বাবে অপকাৰী যিবিলাক বস্তু গ্ৰহণ কৰিলে এৰাব নোৱাৰা হয়, অভ্যাসত পৰিণত হয় তেনেবোৰ বস্তুকে নিচাজাতীয় দ্ৰব্য বুলি কোৱা হয়।

নিচাজাতীয় দ্ৰব্য সেৱন কৰা লোকৰ সংখ্যা দিনক - দিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিভিন্ন নিচা জাতীয় দ্ৰব্যৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাই বৰ্তমানৰ সমাজ বিশেষকৈ উঠি অহা প্ৰজন্মক বেছিকৈ আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে। নিচাজাতীয় দ্ৰব্য আগতেও আছিল যদিও ইয়াৰ পৰিমাণ সীমিত আছিল। আগতে নিচা জাতীয় দ্ৰব্য বুলি ক'লে মদ, ভাং আৰু কানিকে বুজোৱা হৈছিল। কিন্তু আজি অসংখ্য নতুন -নতুন নিচাজাতীয় দ্ৰব্য সুলভ বুলি ক'ব পাৰি।

এটা সময় আছিল সমাজৰ এটা মাত্ৰ অংশই হে সুৰাপান কৰিছিল। সুৰাৰ দোকান সমূহো আছিল জনসমাগমৰ পৰা প্ৰায় আঁতৰত। সুৰা সেৱন কৰা লোক সকলৰ ভিতৰতো প্ৰাপ্তবয়স্ক সকলেই আছিল। কিন্তু এতিয়া উঠি অহা প্ৰজন্মৰ প্ৰায় সংখ্যকেই বিভিন্ন নিচাৰ প্ৰতি আসক্ত বুলি ক'ব পাৰি। অভ্যস্ত বুলি ক'ব পাৰি।

নিচাৰ সৰ্বগ্ৰাসী ৰূপে বহুতো সুন্দৰ, মেধাৱী, প্ৰতিভাৱান ল'ৰা-ছোৱালীৰ জীৱনলৈ কাল অমানিশা নমাই আনিছে। বিপথগামী, নিচাগ্ৰস্ত সন্তানৰ অশান্তিকৰ কাৰ্য-কলাপে বহু ঘৰৰ পৰিৱেশ, শান্তি আদি বিঘ্নিত কৰিছে। আৰ্থিক ভাৱে সচ্ছল অভিভাৱকসকলে সন্তানৰ হাত খৰচৰ বাবে এক মোটা অংকৰ ধন হাতত তুলি দিয়ে কিন্তু সেই টকা ক'ত কেনেকৈ খৰচ কৰিছে সেই কথাৰ খবৰ নাৰাখে। অভিভাৱকে প্ৰথম ভুলটো সেই খিনিতেই কৰে। অনভিজ্ঞ, অপৈণত সন্তানে বিচৰাতকৈ অধিক টকা টকা পালে, ঘৰুৱা তত্ত্বানানৰ পৰা মুকলি হৈ স্বতন্ত্ৰ হৈ পৰি কেতিয়াবা বন্ধুৰ প্ৰৰোচনাত আৰু কেতিয়াবা নিজ ইচ্ছাৰে কেৱল স্ফূৰ্তি কৰাৰ উদ্দেশ্যে সুৰা বা আন নিচা জাতীয় দ্ৰব্যত মুখ দিয়ে। এটা সময়ত এই অভ্যাস গাঢ় হৈ পৰে আৰু এৰাব নোৱাৰা অভ্যাসত পৰিণত হৈ পৰে।

বৰ্তমান পৰিয়াল সমূহ ক্ষুদ্ৰ হৈ পৰাত পৰিয়াল সমূহ ব্যক্তিকেন্দ্ৰিক হৈ পৰিছে। আগতে এঘৰৰ এটা ল'ৰা নষ্ট হ'লে সমাজৰ জ্যেষ্ঠজনে শাসন কৰাৰ অধিকাৰ আছিল। অভিভাৱকেও সেই অধিকাৰ দি ৰাখিছিল। কিন্তু আগৰ দৰে আনৰ সন্তানক শাসন কৰাৰ অধিকাৰ নাই। বৰ্তমান সেই অধিকাৰ সমাজৰ পৰা কাঢ়ি নিয়া হৈছে। আৰু ইয়াৰ সুবিধা লৈয়ে বহু সন্তান বিপথগামী হ'বলৈ সুবিধা পাইছে। কোনো কোনো ক্ষেত্ৰত সন্তান ডাঙৰ হোৱাৰ লগে -লগে পিতৃ-মাতৃয়ে সন্তানক সমীহ কৰিবলৈ আৰম্ভ কৰে। কিয়নো বহু সন্তানে পিতৃ-মাতৃয়ে তেওঁলোকৰ ভুল-ত্ৰুটি সমূহ দেখুৱাই দিলে বেয়া পায় আৰু নিজৰ ভুল স্বীকাৰ কৰা বা অনুশোচনা কৰাৰ পৰিৱৰ্তে অভিভাৱকক অপমান কৰিবলৈ তথা বহু সময়ত অভিভাৱকক আক্ৰমণ কৰিবলৈও কুণ্ঠাবোধ নকৰা হয়। আৰু অসহায় অভিভাৱকে ঘৰুৱা পৰিৱেশ বিনষ্ট হোৱাৰ ভয়ত, সন্তানৰ ওচৰত অপদস্থ হোৱাৰ ভয়ত মনে-মনে থাকিবলৈ বাধ্য হয়। আৰু সেই সুবিধাতে সন্তান বিপথে যাবলৈ সুবিধা পায়।

অপ্ৰিয় হ'লেও সত্য যে সৰ্বত্ৰ যি নিচাৰ মুকলি, অবাধ বেহাৰ প্ৰচলন হৈছে ইয়াৰ বাবে কিন্তু ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ খনেই সম্পূৰ্ণ জগৰীয়া। কেৱল ৰাজহ সংগ্ৰহৰ উদ্দেশ্য আগত ৰাখি চৰকাৰে উঠি অহা প্ৰজন্মৰ বাবে যি ধ্বংসৰ বাট মুকলি কৰি দিছে ই সমগ্ৰ পৰিৱেশ সমূলঞ্চে যে ধ্বংস কৰিব সি ধ্ৰুৱৰূপ।

বৰ্তমান নিচাৰ সৰ্বগ্ৰাসী ৰূপ সৰ্বত্ৰ শিপাইছে। নিচাৰ সৰ্বনাশী ৰূপৰ সাক্ষী বহুজন হৈছে। নিচাৰ কৰাল গ্ৰাসৰ পৰা সমাজখনক বচাবলৈ প্ৰত্যেকজন নাগৰিকে ঘৰৰ পৰা আৰম্ভ কৰি সমাজৰ প্ৰতিটো স্তৰত এই সংক্ৰান্তত সজাগতা আৰু দায়িত্ব লৈ কাম কৰা উচিত। এই ক্ষেত্ৰত পিতৃ-মাতৃ, সমাজৰ অভিভাৱক স্বৰূপ জ্যেষ্ঠসকল তথা চৰকাৰ এই সকলো খিনিয়ে একত্ৰিত হৈ কাম নকৰিলে অনাগত দিনবোৰ বৰ চিন্তনীয় হৈ পৰিব। সমাজৰ শৃংখলা নাইকিয়া হ'ব। পৰিয়ালৰ শান্তি বিঘ্নিত হ'ব। এই সুৰময় জগতখন যেন সুৰাময় হৈ নপৰে ইয়াৰ বাবে প্ৰয়োজন হ'লে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সকলো আগবাঢ়ি আহিব লাগিব। অন্যথা নিচাৰ সৰ্বগ্ৰাসী ৰূপে ভয়ংকৰ ৰূপ ধাৰণ কৰি সকলোৰে অনিষ্ট সাধন কৰিব আৰু ইয়াৰ পৰিণতি হ'ব ভয়ংকৰ।

বিভিন্ন বস্তুৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰাটো মানুহৰ এক সহজাত প্ৰবৃত্তি। যিটো একান্তই স্বাভাৱিক। কিন্তু নিষিদ্ধ বস্তুৰ প্ৰতি যি আকৰ্ষণ বা কৌতূহল তাক স্বাভাৱিক বুলি ক'ব নোৱাৰি। তথাপি নিষিদ্ধ বস্তুৰ প্ৰতিহে মানুহ অধিক আকৰ্ষিত হোৱা দেখা যায়। প্ৰকৃততে নিষিদ্ধ বা নিষিদ্ধতা শব্দটো এটা খুবেই আপেক্ষিক বিষয়। বেছিভাগ ক্ষেত্ৰত মানুহৰ সহজাত প্ৰবৃত্তিকে মানুহে সমাজৰ দোহাই দি, ৰীতি-নীতি বা বান্ধোনৰ দোহাই দি নিষিদ্ধ বুলি নামকৰণ কৰে। একালৰ নিষিদ্ধতা অন্য কালত স্বাভাৱিক যেন হৈ পৰে। কোনো এটা সংস্কৃতিত যিটো কাম নিষিদ্ধ জ্ঞান কৰা হয় বা নিষিদ্ধ জ্ঞান কৰা হৈছিল সেই একেটি কাম কেতিয়াবা কিছুমান ঠাইত অতি সাধাৰণ বা স্বাভাৱিক ভাৱে গ্ৰহণ কৰা হয়। সেই বাবেই ইয়াক আপেক্ষিক বুলি কোৱা হয়।



সাধাৰণতে মাদক দ্ৰব্যকে আমি নিষিদ্ধ বস্তু বুলি ভাবো যদিও নিষিদ্ধ বস্তুৰ উদাহৰণ হিচাপে আমি বহু বিষয় উল্লেখ কৰিব পাৰো। বিভিন্ন মাদক দ্ৰব্যৰ প্ৰতি আসক্তি, অপৈণত বয়সত যৌনতাৰ প্ৰতি আসক্তি, সামাজিক ভাবে স্বীকৃতি নিদিয়া কামৰ প্ৰতি আসক্তি আদিক নিষিদ্ধ আখ্যা দিয়া হয়।

বৰ্তমান সময়ত নিষিদ্ধ বস্তুৰ সংখ্যা পূৰ্বৰ তুলনাত অধিক বৃদ্ধি পোৱা পৰিলক্ষিত হোৱাৰ দৰে সস্তীয়া বিনোদন বা মনোৰঞ্জন আজিৰ সমাজত এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে cheap entertainments victim। সস্তীয়া মনোৰঞ্জনে আজিৰ সমাজক কেইবাটাও উপায়ে প্ৰভাৱিত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ কু প্ৰভাৱে সমাজৰ সকলো স্তৰৰ লোককে প্ৰভাৱিত কৰিছে। সস্তীয়া বিনোদন বা মনোৰঞ্জনে সাংস্কৃতিক, সামাজিক তথা অৰ্থনৈতিক দিশৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিছে। ই মানুহক ক্ষণস্থায়ী আনন্দত আসক্ত কৰি অধিক গুৰুত্বপূৰ্ণ দিশ সমূহ কিছুমানৰ পৰা বিচ্যুত কৰি মানসিক দিশৰ ওপৰত প্ৰভাৱ পেলাইছে, সামাজিক সম্পৰ্ক দুৰ্বল কৰি পেলাইছে। সস্তীয়া মনোৰঞ্জনৰ সহজলভ্যতাই মানুহক জীৱনৰ প্ৰকৃত আনন্দ আৰু আত্ম বিকাশৰ পৰা আতঁৰাই আনিছে। কেৱল এয়ে নহয়, এনে ধৰণৰ বিকৃত মনোৰঞ্জনে মানুহৰ মানসিক সুস্থতাৰ দিশত অৱশ্যেই প্ৰভাৱ পেলাইছে আৰু মানসিক চিন্তা বৃদ্ধিত অৰিহনা যোগাইছে। দ্ৰুত নাগৰীকৰণ, সামাজিক পৰিৱৰ্তন তথা প্ৰযুক্তিকৰণৰ ফলত জনসাধাৰণৰ বিনোদনৰ দিশত ব্যাপক পৰিৱৰ্তন সাধিত হৈছে। সাধাৰণতে বিনোদন বা মনোৰঞ্জনে মানুহৰ মনত আনন্দ দিয়ে। কিন্তু সেই মনোৰঞ্জন যেতিয়া সস্তীয়া আৰু সুলভ হৈ পৰে তেতিয়া সেই আনন্দ বিকৃত হৈ পৰে। ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা সস্তীয়া মনোৰঞ্জন বা আমোদ -প্ৰমোদৰ প্ৰতি দিনে-দিনে আসক্তি বৃদ্ধি পোৱা বাবে বহুতে জীৱনৰ গভীৰ অৰ্থ পাহৰি যোৱাৰ দৰে হৈছে। যিটো সচেতন মহলৰ বাবে এটা চিন্তা তথা উদ্বেগৰ বিষয় হৈ পৰিছে। ব্যক্তি তথা সমাজৰ সামগ্ৰিক বিকাশ ব্যাহত কৰা এই অপকাৰী বিষয় সমূহৰ প্ৰতি সকলো কঠোৰ হোৱাৰ সময় সমাগত। অন্যথা ই ব্যক্তিগত তথা সামাজিক জীৱনত অতিশয় বেয়া প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

সস্তীয়া জনপ্ৰিয়তাই মানুহৰ মূল্যবান সময় নষ্ট কৰিছে, যাৰ ফলত তেওঁলোকে নিজৰ ব্যক্তিগত তথা সামাজিক লক্ষ্য সমূহ পূৰণ কৰাত ব্যৰ্থ হৈছে। যিয়ে ব্যক্তিগত জীৱন তথা সামাজিক জীৱনতো বেয়া প্ৰভাৱ পেলাইছে। নিষিদ্ধ বস্তু ব্যৱহাৰ কৰি, ইয়াৰ সোৱাদ লৈ যিটো তৃপ্তি লাভ কৰে সেই সোৱাদ পোনপটিয়াকৈ পোৱা বা দিয়া বস্তুত পোৱা নাযায়। সেই বাবেই হয়তো মানুহ বিশেষকৈ যুৱচামে ইয়াৰ প্ৰতি বিশেষ আকৰ্ষণ অনুভৱ কৰে। সকলো প্ৰকাৰৰ নিচাই অপকাৰী নহয় বা সকলো প্ৰকাৰৰ আকৰ্ষণেই বেয়া নহয়। কিন্তু নিষিদ্ধ বুলি কোৱা বা প্ৰচলিত হৈ অহা বহু বস্তু বা বিষয়ৰ পৰা অপকাৰ বা ক্ষতি হোৱাৰ আশংকাই বেছি। সেয়ে নিষিদ্ধ বস্তুৰ প্ৰতি অত্যধিক উৎসুকতা দেখুওৱাৰ পৰিৱৰ্তে আমি সকলোৱে সেই সমূহৰ পৰা পাৰ্যমানে দূৰত্ব বজাই ৰাখিবলৈ যত্ন কৰা উচিত। কিয়নো যিকোনো ধৰণৰ অভ্যাস, নিচা আদি এবাৰ গঢ় লৈ উঠাৰ পাছত ইয়াক ত্যাগ কৰাটো কঠিন হৈ পৰে। সেয়ে পাৰ্যমানে সৰ্বগ্ৰহণযোগ্য কৰ্ম আৰু মানসিক উৎকৰ্ষ সাধন কৰা বিষয়ৰ প্ৰতি নিচা বঢ়োৱাৰ প্ৰয়াস কৰিব লাগে অন্যথা নিচাৰ যি সৰ্বনাশী ৰূপ, নিষিদ্ধ বস্তু বা নিষিদ্ধ কৰ্মৰ প্ৰতি মানুহৰ যি উৎসুকতা বা আগ্ৰহ সেই আগ্ৰহে ব্যক্তিগত তথা সামাজিক জীৱন বিপন্ন কৰি তোলাৰ আশংকা নুই কৰিব নোৱাৰি। নিষিদ্ধ বস্তুৰ প্ৰতি মানুহৰ যি অতৃপ্ত আকাংক্ষা সেই আকাংক্ষাই আমাৰ সামাজিক জীৱন বহু পৰিমাণে ক্ষতিগ্ৰস্ত কৰি তুলিছে। বহু যুৱক -যুৱতী বিপথগামী হোৱাৰ মূলতে এই ধৰণৰ নিষিদ্ধ বস্তুৰ প্ৰতি হোৱা অত্যধিক আকৰ্ষণ আৰু আত্ম নিয়ন্ত্ৰণৰ অভাৱ। সেয়ে সময় থাকোঁতেই এই সমূহৰ ভয়াৱহতাৰ দিশটোৰ প্ৰতি উঠি অহা প্ৰজন্মক অৱগত কৰোৱা উচিত, সচেতন কৰোৱা উচিত। অন্যথা নিষিদ্ধ বস্তুৰ প্ৰতি অত্যধিক প্ৰীতি আৰু আকৰ্ষণে বহুতৰ জীৱন ধ্বংস কৰিব। দিনে -দিনে বাঢ়ি অহা নিষিদ্ধ বস্তুৰ তালিকা আৰু দিনে-দিনে বাঢ়ি অহা ব্যৱহাৰকাৰীৰ সংখ্যাই সচেতন মহলক স্তম্ভিত আৰু চিন্তিত কৰিছে। সেয়ে এই নিষিদ্ধ বস্তু সমূহৰ ব্যৱহাৰ সমূলঞ্চে শেষ কৰিবৰ বাবে যত্ন নকৰিলে সুদূৰ ভৱিষ্যতে ইয়াৰ কু-ফল নিযিদ্ধ বস্তু ব্যৱহাৰকাৰীয়ে হওক বা অব্যৱহাৰকাৰীয়ে হওক ইয়াৰ কু-ফল সকলোৱে ভোগ কৰিব লগা পৰিস্থিতিৰ অচিৰে সৃষ্টি হ'ব বুলি ক'ব পাৰি। সেয়ে নিযদ্ধ ঘোষিত সকলো বস্তু, কৰ্ম তথা স্থানৰ পৰা সকলোৱে আঁতৰি থকা উচিত। কিয়নো নিষিদ্ধ মানেই অপকাৰী, অনিষ্টকাৰী। সেয়ে আমি এই সমূহৰ পৰা আঁতৰি থকাই মংগল।

## সম্পাদকলৈ চিঠি

# গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত থকা এছবিআই শাখালৈ প্ৰৱেশ পথ সন্দৰ্ভত

সম্পাদক মহোদয়,

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত অৱস্থিত ভাৰতীয় ষ্টেট বেংক (এছবিআই) শাখালৈ যাতায়াত কৰা গ্ৰাহকসকলে শেহতীয়াকৈ এটা অসুবিধা সন্মুখীন হৈছে। সেই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। পূৰ্বে আজৰা দিশৰ পৰা আহি আজৰা—জালুকবাৰী দিশৰ গেটেদি বিশ্ববিদ্যালয়ৰ ভিতৰলৈ প্ৰৱেশ কৰি এছবিআই শাখালৈ যাব পৰা সুবিধা আছিল। কিন্তু শেহতীয়াকৈ সেই গেট এছবিআই গ্ৰাহকৰ প্ৰৱেশৰ বাবে বন্ধ কৰা হৈছে। সুৰক্ষা কৰ্মীৰ পৰা জানিব পৰা মতে, বৰ্তমান বেংক সম্বন্ধীয় কাম থাকিলে গ্ৰাহকে মালিগাঁও—জালুকবাৰী দিশৰ গেটেদি প্ৰৱেশ কৰিব লাগিব। এই নতুন নিয়মৰ ফলত আজৰা অঞ্চলৰ বা সেই দিশৰ পৰা যাতায়াত কৰা গ্ৰাহকসকলৰ বাবে অসুবিধা হৈছে। বিকল্প পথত যানজট প্ৰায়েই লাগি থকা বাবে বেংকলৈ যাতায়াত কৰাত অধিক সময় ব্যয় কৰিব লগা হৈছে। ইয়াৰ ফলত গ্ৰাহকে বেংক—কাৰ্য সম্পন্ন কৰাত সমস্যা সন্মুখীন হৈছে। এই পৰিস্থিতিৰ কথা বিবেচনা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আগৰ দৰে আজৰা—জালুকবাৰী দিশৰ গেটখন এছবিআই গ্ৰাহকৰ বাবেও খোলাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছোঁ। অন্যহাতে, বহু গ্ৰাহকে সুবিধাৰ অভাৱত অন্য শাখালৈ নিজৰ একাউণ্ট স্থানান্তৰ কৰিবলৈ বাধ্য হ'ব লাগিব। আশা কৰিছোঁ, সংশ্লিষ্ট কৰ্তৃপক্ষই শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।

ড° বুলজিৎ বুঢ়াগোহাঁই

# আজিৰ এটি জ্বলন্ত সমস্যা হাতী-মানুহৰ সংঘাত

**শংকৰ দেৱ**

**অ**সমত হাতী-মানুহৰ সংঘাতে এক গুৰুত্বপূৰ্ণ সমস্যাৰ সৃষ্টি কৰি আহিছে, য'ত বনৰীয়া হাতীয়ে মানুহৰ ঘৰ-বাৰী, খেতিপথাৰ ধ্বংস কৰিছে তথা ঠাই বিশেষে মানুহে হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱাবলগীয়া হৈছে। এই সংঘাতৰ বহু কাৰণ পৰিলক্ষিত হৈছে যদিও মূল কাৰণসমূহ হৈছে হাতীৰ প্ৰকৃত বাসস্থান আৰু উপযুক্ত খাদ্যৰ অভাৱ। বনৰীয়া হাতী আৰু মানুহৰ মাজত গঢ়ি উঠা বেয়া সম্পৰ্ক ক্ৰমে বৃদ্ধি পোৱাৰ কেইবাটাও কাৰণ আছে। বনৰীয়া হাতী সুচলভাবে চলাফুৰা কৰি পেট পুৰাই খাবলৈ নোপোৱা ধৰণে বনাঞ্চলৰ পৰিমাণ ক্ৰমে হ্ৰাস পাই অহাটোৱেই ইয়াৰ ঘাই কাৰণ। এই সমস্যা নিৰাময়ৰ বাবে ৰাজ্য চৰকাৰে ভিন্ন সময়ত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা পৰিলক্ষিত হৈছে। যেনেকৈ - গাঁৱসমূহত নিৰীক্ষণৰ ব্যৱস্থা, টৰ্চ লাইট বিতৰণ আদি আৰু মানুহ-হাতীৰ সহাৱস্থানৰ বাবে বিভিন্ন সংগঠন আৰু প্ৰকল্পৰ জৰিয়তে কাম কৰিবলৈ আগবাঢ়ি অহাৰ সঁহাৰি। হাতীয়ে এতিয়া নিজৰ বাসস্থান হেৰুৱাই মানুহৰ বসতি স্থানত প্ৰৱেশ কৰিব লগা হৈছে, যাৰ ফলত সংঘাতৰ সৃষ্টি ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। হাতীৰ জাকে ধাননী পথাৰ তহিলং কৰি ধান খাই গুচি যায়। অঞ্চলভেদে আজি মানুহেও বিহ খুৱাই, ফান্দ পাতি, বিদ্যুৎ সংযোগ কৰি হাতী মৰাৰ কথা দেখিবলৈ পোৱা গৈছে। হাতী-মানুহৰ সংঘাত এতিয়া সঘনাই ঘটিব লাগিছে। ইয়াৰ বাবে প্ৰকৃততে দোষী কোন বুলি আমি কাক উল্লেখ কৰিম? আজিৰ পৰা পচিছ-ত্ৰিশ বছৰৰ আগতে এনে সংঘাতৰ বাতৰি খুব কমেইহে শুনা গৈছিল। হাতীৰ বাসস্থান আৰু খাদ্যৰ সংকটৰ বিষয়ে চৰকাৰ আৰু বন বিভাগে যুতিয়াভাবে যদিহে সু পৰিকল্পিত ফলপ্ৰসূ চিন্তা আৰু ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে ক্ৰমান্বয়ে এনে দুৰ্যোগ আৰু সমস্যা বাঢ়ি গৈ থাকিব। হাতীৰ চলাচলৰ বাবে হাতীৰ ক'ৰিড'ৰ আৰু বনানীকৰণৰ বৃদ্ধিৰ আজিৰ পৰিস্থিতিত অতিকৈ প্ৰয়োজনীয় বিষয়। কিছু লোকে ব্যক্তিগত উদ্যোগত হাতীৰ খাদ্যৰ বাবে সময়োনুযায়ি বিভিন্ন ব্যৱস্থা লৈছে যদিও ই অতি সীমিত বুলি ক'ব পাৰি। চৰকাৰী উদ্যোগত এই দিশত মনোনিৱেশ কৰাতো অতিকৈ জৰুৰী বুলি ক'ব লাগিব। বিজ্ঞানসন্মত এক সু পৰিকল্পিত আঁচনিৰ অবিহনে হাতী-মানুহৰ সংঘাত, মানুহৰ মৃত্যু, হাতীৰ মৃত্যু আদি বাতৰিৰ শিৰোনামৰ কেতিয়াও সমাপ্ত নহয়। সময় থাকোঁতেই বন্যজীৱৰ প্ৰতি সুবিচাৰ নকৰিলে ভৱিষ্যতলৈ মানুহে মানুহক জীৱশ্ৰেষ্ঠ বুলি উল্লেখ কৰাৰ কোনো থল নেথাকিব। হাতী সহ সমূহ বন্যজীৱৰ প্ৰতি মানুহ প্ৰকৃতি প্ৰেমী, দয়াশীল আৰু সু-চিন্তক হ'লেহে প্ৰকৃতিৰ প্ৰতি সুবিচাৰ কৰা হ'ব বুলি ভাবিব পাৰি।

বিশেষকৈ নগাঁও জিলাৰ 'হাতীবন্ধু'ৰ দৰে সংগঠনবোৰে হাতী-মানুহৰ সহাৱস্থানৰ বাবে কাম কৰিছে আৰু ইয়াৰ বাবে চৰকাৰে প্ৰশংসাও কৰিছে। হাতী-মানুহৰ সংঘাত হ্ৰাস কৰিবলৈ বহু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে গছপুলি ৰোপণ কৰাত গুৰুত্ব আৰোপ কৰা দেখা পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানত হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

অসম তথা উত্তৰ-পূবাঞ্চলৰ বিভিন্ন জিলা প্ৰতি বছৰে হাতী-মানুহৰ সংঘাতৰ ভয়ংকৰ সমস্যাত ভুগি থাকে। বিশেষকৈ কামৰূপ, উদালগুৰি, বাঁ'ী, নগাঁও, গোলাঘাট আদি জিলা এই সমস্যাৰ বাবে বাতৰিকাকতৰ শিৰোনাম হৈ পৰে।

বিগত কিছুবছৰ ধৰি অসমত জনসংখ্যা বৃদ্ধি আৰু বিভিন্ন উদ্যোগ আদি গঢ় লৈ উঠাৰ ফলত বনাঞ্চল সংকোচিত হৈছে। অৰণ্য ধ্বংস কৰি বসতি, চাহ-বাগিচা, ৰেলপথ, জাতীয় পথ, ড্যাম আদি নিৰ্মাণ হোৱাৰ লগে লগে হাতীৰ বাসভূমি হ্ৰাস পায়। এক সময়ত অসমৰ প্ৰায় ৪০, ০০০ বৰ্গ কি.মি. বনাঞ্চল হাতীৰ চলাফুৰাৰ ক্ষেত্ৰ আছিল, কিন্তু বৰ্তমান সেই ক্ষেত্ৰ প্ৰায় অৰ্ধেকলৈ কমি আহিছে। হাতীৰ পৰম্পৰাগত পথ (elephant corridor) বন্ধ হৈ পৰাত হাতীয়ে গাঁও আৰু খেতিপথাৰত প্ৰৱেশ কৰি মানুহৰ সৈতে সংঘাতৰ সৃষ্টি কৰে।

অসমত বৰ্তমান প্ৰায় ৫, ৭০০-৬, ০০০টা বন্য হাতী আছে। প্ৰতি বছৰে গড়ে ৬০ৰ পৰা ৮০জন লোকে হাতীৰ আক্ৰমণত প্ৰাণ হেৰুৱায়। আনহাতে প্ৰতিবছৰে ৮০ৰ পৰা ১০০টা হাতী বিদ্যুৎস্পৰ্শ, খেতিয়ক প্ৰহাৰ বা পথদুৰ্ঘটনাত নিহত হয়। কেৱল গোলাঘাট জিলাতেই বছৰি শতাধিক বিঘা ধানখেতি হাতীৰ দলে ধ্বংস কৰে।

২০১০-২০২৩ সময়চোৱাত অসমত ১, ২০০ৰও অধিক মানুহ আৰু ৯০০ৰো অধিক হাতী এই সংঘাতত প্ৰাণ হেৰুৱাইছে। এই ক্ষেত্ৰত চৰকাৰী বা বেচৰকাৰী ভাবে গুৰুত্ব বহন কৰিব লগীয়া কথা হ'ল যে -

১) বনাঞ্চলৰ সংৰক্ষণ আৰু পুনৰোপণৰ সঠিক ব্যৱস্থা অৱলম্বন কৰা,

২) হাতীৰ পুৰণি কৰিডৰ চিনাক্ত কৰি অহা-যোৱা কৰাৰ বাট মুকলি কৰি দিয়া,

৩) আধুনিক পদ্ধতি ব্যৱহাৰ কৰি ড্ৰোনৰ জৰিয়তে লক্ষ্য ৰখা আৰু নিয়ন্ত্ৰণ কৰা।

৪) জনসংখ্যা আৰুজন বিস্ফোৰণ নিয়ন্ত্ৰণ কৰি বনাঞ্চলৰ সংকোচন ৰোধ কৰা,

৫) ) গাঁওবাসীৰ মাজত সচেতনতা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে হাতীৰ স্বভাৱ আৰু চলা ফুৰাৰ বিষয়ে প্ৰাৰ্থমিক জ্ঞান লাভ কৰিবলৈ সক্ষম হয়।

৬)বিজ্ঞানসন্মত ভাৱে হাতী-মানুহ উভয়ে বাঁচি থাকিব পৰা উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ সু পৰিকল্পিত ব্যৱস্থা গঢ়ি তুলিব লাগে।

৭) হাতী-মানুহৰ সংঘাতত ক্ষতিগ্ৰস্ত কৃষকক সৰু-সুৱা ক্ষতিপূৰণ প্ৰদান কৰিব লাগে।

হাতী হৈছে অসম তথা ভাৰতৰ এক গৌৰৱময় ঐতিহ্য। জনবিস্ফোৰণৰ চাপেৰে বনাঞ্চল উজাৰি পেলালে কেৱল হাতীৰে নহয়, মানৱজাতীয়েও সংকটত পৰিব। হাতী-মানুহ সংঘাতক মাত্ৰ বলপ্ৰয়োগেৰে সমাধান কৰিব নোৱাৰি। জনসংখ্যা নিয়ন্ত্ৰণ, বন সংৰক্ষণ, হাতীৰ কৰিডৰৰ সুৰক্ষা আৰু মানৱ-প্ৰকৃতিৰ সমন্বিত সহাৱস্থানই এই সমস্যাৰ স্থায়ী সমাধান।

# ক্ৰিকেট বিশ্বকাপৰ চেম্পিয়ন অসম কন্যা উমা ছেত্ৰী নিজ গৃহভূমিতে উপেক্ষিত হ'ল নেকি?

**দেবৰ্ষি গৌতম**

**ভা**ৰতৰ মহিলাসকলক ক্ৰিকেটৰ ২২গজৰ যুদ্ধক্ষেত্ৰত পদাৰ্পণ কৰা প্ৰায় ৫২ বছৰ সম্পূৰ্ণ হৈছে। ভাৰতীয় মহিলা ক্ৰিকেটাৰসকলে ইতিহাসত বিভিন্ন অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। কিন্তু সকলোৰে বাবে এটাই অপেক্ষা আছিল যে কেতিয়া ভাৰতীয় মহিলা ক্ৰিকেটাৰসকলে বিশ্বকাপ বিজয়ী হিচাপে দেশলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হব। ২০০৫ আৰু ২০১৭ চনত ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে বিশ্বকাপৰ চূড়ান্ত পৰ্য্যায়ত উপনীত হবলৈ সক্ষম হৈছিল যদিও দুৰ্ভাগ্যবশত শেষ হাঁহি মাৰিবলৈ সক্ষম নহল। ২০২৫ চনত ভাৰতৰ ভূমিত মহিলা ক্ৰিকেট বিশ্বকাপ অনুষ্ঠিত কৰিবলৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে অনুমতি লাভ কৰাৰে পৰা ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ প্ৰতি ভাৰতীয় ক্ৰিকেট অনুৰাগী সকলৰ আকাংক্ষা যথেষ্ট বৃদ্ধি হবলৈ ধৰে। মহিলা বিশ্বকাপৰ বাবে ঘোষিত ভাৰতীয় দলটোত য়াষ্টিকা ভাতিয়াক অন্তৰ্ভুক্ত কৰিছিল যদিও আঘাতৰ বাবে তেওঁৰ ঠাইত দলত স্থান লাভ কৰে অসম সন্তান উমা ছেত্ৰীয়ে। ভাৰতীয় মহিলা দলত স্থান লাভ কৰাৰ লগে লগে উমা ছেত্ৰীয়ে সৃষ্টি কৰে এক ইতিহাস। পুৰুষ বা মহিলা যিকোনো ভাৰতীয় ক্ৰিকেট দলৰ হৈ বিশ্বকাপত অংশগ্ৰহণ কৰা অসম তথা উত্তৰপূৰ্বাঞ্চলৰ প্ৰথমগৰাকী ক্ৰিকেটাৰ হিচাপে পৰিগণিত হয়। ইয়াৰ পিছতে ভাৰতীয় দলটোৰ অন্তিমখন লীগ মেচত ভাৰতীয় দলত অভিষেক ঘটাই অসম সন্তান উমা ছেত্ৰীয়ে। উমা ছেত্ৰীৰ এই সাফল্য অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বাবে এক গৌৰৱ হিচাপে চিহ্নিত হয়। দশকৰ পিছত দশক কোনো এগৰাকী ক্ৰিকেটাৰে কৰিব নোৱাৰা এক সাফল্য উমা ছেত্ৰীয়ে লাভ কৰাটো অসম আৰু উত্তৰপূৰ্বাঞ্চলৰ বাবে নিশ্চিতভাৱে গৌৰৱৰ ক্ষণ। ২ নৱেম্বৰ ২০২৫ তাৰিখে মুম্বাইৰ ডঃ দি ৱাই পাটিল ষ্টেডিয়ামত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনত ভাৰতীয় মহিলা দলটোৱে শক্তিশালী দক্ষিণ আফ্ৰিকাৰ মহিলা দলটোক ৫২ ৰাণৰ ব্যৱধানত পৰাস্ত কৰি ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হয়। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ এই সফলতাৰ বাবে তেওঁলোকক অভিনন্দ জনাবলৈ দেশৰ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে সুকীয়া সুকীয়াকৈ প্ৰতিগৰাকী খেলুৱৈ তথা প্ৰশিক্ষকসকলক নিমন্ত্ৰণ জনাই। দলটোৱে দেশৰ প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা বাৰ্তালাপত উমা ছেত্ৰীৰ কথা প্ৰশিক্ষক গৰাকীয়ে বিশেষ ভাবে প্ৰধানমন্ত্ৰীক অৱগত কৰে আৰু প্ৰধানমন্ত্ৰী গৰাকীয়েও উমা ছেত্ৰী যে অসমৰ পৰা প্ৰতিনিধিত্ব কৰাৰ কথা অৱগত হয়। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে সকলো অনুষ্ঠানিকতা সম্পন্ন কৰি প্ৰতিগৰাকী খেলুৱৈয়ে নিজৰ নিজৰ গৃহ ৰাজ্যলৈ যায়। প্ৰতিগৰাকী মহিলা বিশ্বকাপ বিজয়ী খেলুৱৈকে নিজ নিজ ৰাজ্যত উষ্ম আদৰণি জনোৱা পৰিলক্ষিত হয় যদিও অসম ইয়াৰ ব্যতিক্ৰম আছিল। বিশ্বকাপ বিজয়ী অসম সন্তান উমা ছেত্ৰী বৰঝাৰ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত অসম ক্ৰিকেট সন্থা অথবা ৰাজ্যৰ ক্ৰীড়া বিভাগৰ কোনো মন্ত্ৰী অথবা প্ৰতিনিধিয়ে আদৰণি জনোৱা পৰিলক্ষিত নহ'ল। কেৱল মাত্ৰ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ সদস্য আৰু বিষয়ববীয়া সকলেহে অসম আৰু উত্তৰপূৰ্বাঞ্চলৰ পৰা দেশক প্ৰতিনিধিত্ব কৰি বিশ্বকাপ বিজয়ী একমাত্ৰ ক্ৰিকেটাৰ উমা ছেত্ৰীক সম্বৰ্ধনা জনোৱা পৰিলক্ষিত হয়। উমা ছেত্ৰীৰ এই সফলতা অসম আৰু উত্তৰপূৰ্বাঞ্চলৰ ক্ৰিকেটৰ বাবে এক উল্লেখনীয় দিশ। কিন্তু বিশ্বকাপ বিজয়া দলৰ সদস্য হিচাপে নিজ গৃহ ৰাজ্যত পদাৰ্পণ কৰা সময়ত যিদৰে খেলুৱৈ গৰাকীক আদৰণি জনাব লাগিছিল সেয়া যেন কোনেও প্ৰয়োজন বোধেই নকৰিলে। অসমক প্ৰতিনিধিত্ব কৰি নিজ মাতৃভূমিক গৌৰৱ কৰিবলৈ সুযোগ প্ৰদান কৰা এগৰাকী খেলুৱৈক কোনো গুৰুত্ব প্ৰদান নকৰাটো অসমৰ বাবে এক দুৰ্ভাগ্যজনক ঘটনা। চৰকাৰী পক্ষৰ উপৰিও কোনো জাতীয় দল সংগঠনেও উমা ছেত্ৰীক বিমান বন্দৰত সম্বৰ্ধনা জনাবলৈ আগ্ৰহী নোহোৱা ঘটনাই প্ৰতিগৰাকী স্বাভিমানী অসমীয়া ব্যক্তিক লজ্জিত কৰিছে। নিজৰ কষ্ট আৰু অনুশীলনৰ বলত বোকাখাটৰ নিচিনা এখন সৰু ঠাইৰ পৰা গৈ নিজকে ভাৰতীয় বিশ্বকাপ বিজয়ী দলৰ সদস্য হিচাপে স্থান লাভ কৰাৰ যি যাত্ৰা সেয়া উমা ছেত্ৰীৰ বাবে কোনো পথেই সহজ নাছিল। কেৱল নিজৰ প্ৰতিভাৰ জোৰত নিজকে এগৰাকী আন্তৰাষ্ট্ৰীয় মহিলা ক্ৰিকেটাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰি সমগ্ৰ ৰাজ্য আৰু উত্তৰপূৰ্বাঞ্চলৰ নাম উজ্জ্বলোৱা উমা ছেত্ৰীক মৰম আৰু সন্মান জনোৱাৰ বাবে পিছ হুহকি ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগ, অসম ক্ৰিকেট সন্থা তথা জাতীয় দল সংগঠনৰ সময় হব নে? উমা ছেত্ৰীয়ে ক্ৰিকেটৰ জৰিয়তে বিশ্বজয় কৰি নিজ মাতৃভূমিত পদাৰ্পণ কৰাৰ খবৰ চৰকাৰৰ ক্ৰীড়া বিভাগ, অসম ক্ৰিকেট সন্থা তথা জাতীয় দল-সংগঠন আদিয়ে সঁচাকৈ খবৰ লাভ কৰা নাছিল নে খবৰ লাভ কৰিও ইচ্ছাকৃতভাৱে খেলুৱৈগৰাকীক সন্মান আৰু মৰম জনাবলৈ আগবাঢ়ি নাহিল? পূৰ্বে কেতিয়াও সম্ভৱ নোহোৱা এক বিজয়ৰ সোৱাদ ৰাজ্যবাসীক প্ৰদান কৰাৰ পিছতো উমা ছেত্ৰীয়ে উপেক্ষিত হোৱাটো ৰাজ্যখনৰ বাবে অতি দুৰ্ভাগ্যজনক। দেৰিকৈ হলেও যাতে ৰাজ্যৰ বিয়াগোম ক্ৰীড়া বিভাগে আৰু অসম ক্ৰিকেট সন্থাই অন্তত উদীয়মান খেলুৱৈ গৰাকীক যথোচিত মৰম আৰু সন্মান প্ৰদান কৰে তাৰ বাবে সমগ্ৰ অসমবাসীয়ে অধীৰ আগ্ৰহেৰে বাট চাই আছে। ৰাজ্যৰ প্ৰতিভা সমূহক যদি এনেদৰে মৰহি যাবলৈ বাধ্য কৰা হয় তেনেহ'লে কোনো লৰা ছোৱালীয়ে আগবাঢ়ি যাবলৈ এশ বাৰ চিন্তা কৰিবলৈ বাধ্য হৈ পৰিব। আমি আমাৰ প্ৰতিভাসমূহ যেতিয়ালৈকে সম্পদলৈ পৰ্যবসিত কৰিব নোৱাৰিম তেতিয়ালৈকে আমাৰ প্ৰতিভাসমূহ বিকশিত হৈ নুঠিব। উমা ছেত্ৰীয়ে যাতে প্ৰাপ্য মৰম আৰু সন্মান যথোচিত লাভ কৰে সেয়া সমগ্ৰ অসমবাসীয়ে কামনা কৰিছে। উমা ছেত্ৰী অসমৰ ক্ৰীড়া জগতৰ জোন হৈ জিলিকি থাকক সেয়াই সকলোৱে কামনা কৰিছে। পৰৱৰ্তী সময়ত উমা ছেত্ৰী ৰাজ্যৰ লগতে সমগ্ৰ দেশৰ যুৱ প্ৰজন্মৰ বাবে আদৰ্শ হিচাপে প্ৰতিষ্ঠা লাভ কৰক। উমা ছেত্ৰীয়ে আৰোহণ কৰক সফলতাৰ শিখৰত।

# কটহগুৰি মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ সফল সামৰণি



**অসম বাৰ্তা, বটদ্ৰৱা, ৭ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কটহগুৰি মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ নৱাগত আদৰণি সভাখন দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈ আজি আবেলি ৪-৩০ বজাত সফল সামৰণি পৰে। আজি আছিল দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি সাংস্কৃতিক অনুষ্ঠান। আজিৰ এই কাৰ্যসূচী অনুসৰি, পুৱা ৯ বজাত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক বিচিত্ৰানুষ্ঠান আৰম্ভ হয়। দুপৰীয়া ১২ বজাত আমন্ত্ৰিত অতিথি শিল্পীৰ সংগীতানুষ্ঠান আৰম্ভ হয়। আজিৰ এই সাংস্কৃতিক অনুষ্ঠানৰ মাজতেই মহাবিদ্যালয় খনত তৰ্ক প্ৰতিযোগিতা আৰু বিভিন্ন খেল-ধেমালিত পাৰদৰ্শিতা দেখুৱা ফাৰিহা জামান আহমেদ, আজিদা খাতুন, ৰূপতুন নেহাৰ, তানজিলা খাতুনকে আদি কৰি ১০ গৰাকী ছাত্ৰ-ছাত্ৰীক মান পত্ৰ প্ৰদান কৰা হয়। হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত উৎসৰ্গিত আজিৰ এই সাংস্কৃতিক অনুষ্ঠানটোত মহাবিদ্যালয় খনৰ অধ্যক্ষ ড খাইৰুল ইছলাম, প্ৰবক্তা ড ফাইজুদ্দিন আহমেদ, ইকবাল বাহাৰ চৌধুৰী, কটহগুৰি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য আবু হানিফ, কটহগুৰিৰ গাঁও প্ৰদান শ্বৰিফ উদ্দিন, জ্যেষ্ঠ সাংবাদিক জালাল উদ্দিন আহমেদ, আবুল হুছেইন আৰু অঞ্চলটোৰ বিশিষ্ট ব্যৱসায়ী শ্বহিদুল ইছলাম উপস্থিত আছিল।

# ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী

**অসম বাৰ্তা, বঙাইগাঁও, ৭ নৱেম্বৰ ঃ** বঙাইগাঁও জিলা প্ৰশাসনে আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। আজিৰ অনুষ্ঠানত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা'ৰ তেৰটা কালজয়ী গীতৰ কিয়দাংশ স্থানীয় শিল্পীসকলে পৰিৱেশন কৰে। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জিলা আয়ুক্ত শ্ৰী নৱদ্বীপ পাঠকে আদৰণি ভাষণ দিয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে সাংসদ শ্ৰীযুত ফণীভূষণ চৌধুৰীয়ে। আজিৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল "মানুহে মানুহৰ বাবে" যুগজয়ী গীতটি সহস্ৰাধিক লোকে মানৱ শৃংখল সৃষ্টি কৰি পৰিৱেশন কৰাটো। উত্তৰ বঙাইগাঁও ষ্টেডিয়ামত আয়োজিত ড° ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সুধাকণ্ঠ গৰাকীৰ প্ৰতিচ্ছৱিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী, জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহনলাল মীনা, সমাজকৰ্মী উজ্জ্বল কান্তি ৰায়, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ চন্দ্ৰ দাস, কে এ চিৰ ই, এম পুৰবী সৰকাৰৰ লগতে বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মা আৰু সম্পাদক প্ৰশান্ত ৰায়কে প্ৰমুখ্যে কৰি অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আজি মানৱ শৃংখল সৃষ্টি কৰা লোকসকলৰ ভিতৰত আছিল স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, আত্ম-সহায়ক গোটৰ সদস্যাৰ লগতে সমাজৰ বিভিন্ন স্তৰৰ লোক সকল।

# কামৰূপ জিলাত ভাৰতীয় বায়ু সেনাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে যুদ্ধ বিমানৰ প্ৰদৰ্শনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা সভা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ নৱেম্বৰ ঃ** ভাৰতীয় বায়ু সেনাৰ ৯৩ তম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে অহা ৯ নৱেম্বৰ তাৰিখে কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ লাচিত ঘাটত বায়ুসেনাৰ যুদ্ধ বিমানৰ প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বৃহস্পতিবাৰে কামৰূপ জিলাৰ আয়ুক্ত কাৰ্যালয়ত জিলা আয়ুক্তৰ সভাপতিত্ব এখন আলোচনা সভা অনুষ্ঠিত হয়। সভাত আয়ুক্ত গৰাকীয়ে উপস্থিত সকলো সহযোগী বিভাগৰ মুৰব্বী বিষয়া সকলক নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সমূহ নিষ্ঠাসহকাৰে পালন কৰিবলৈ আহ্বান জনায়। ইয়াৰ লগতে আয়ুক্ত গৰাকীয়ে বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতি কামনা কৰে। ইয়াৰ উপৰিও এই প্ৰদৰ্শন ভাৰতীয় বায়ু সেনাৰ শক্তি আৰু সুৰক্ষা ক্ষমতাৰ এক গৌৰবময় প্ৰদৰ্শন হিচাপে উদযাপিত হ'ব বুলিও আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে। উল্লেখ্য যে ৯ নৱেম্বৰৰ মূল অনুষ্ঠানটো গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত হ'ব আৰু ব্ৰহ্মপুত্ৰ নদীৰ দুয়ো পাৰৰ পৰা ৰাইজে প্ৰদৰ্শন উপভোগ কৰিব পাৰিব। লাচিত ঘাটত অনুষ্ঠিত অনুষ্ঠানত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বৃহস্পতিবাৰৰ সভাত অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উপ-সঞ্চালক নন্দ সিং বৰকলা, কামৰূপ জিলাৰ অতিৰিক্ত আয়ুক্তদ্বয় ক্ৰমে গৰ্গ মোহন দাস, সুজাতা গগৈ, পলাশবাৰী সম-জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, কামৰূপৰ উপ-আৰক্ষী অধীক্ষক পুনম পেগুৰ লগতে এচ ডি আৰ এফ, এন ডি আৰ এফ বাহিনীৰ শীৰ্ষ বিষয়া সকল, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰধিকৰণৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকল উপস্থিত থাকে।

# কাকপথাৰত অসম যোদ্ধা ফাউণ্ডেশ্যনৰ উদ্যোগত সুধাকণ্ঠ দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৭ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কাকপথাৰতো বুধবাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ১৪ সংখ্যক মৃত্যু বাৰ্ষিকী পালন কৰা হয়। অগ্ৰণী সামাজিক-সাংস্কৃতিক বেচৰকাৰী সংস্থা 'অসম যোদ্ধা ফাউণ্ডেশ্যন'ৰ উদ্যোগত কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা 'সুধাকণ্ঠ দিৱস'ৰ কাৰ্যসূচীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৰচিত গীত, সুৰ আৰু তেওঁৰ মানৱতাবাদী চিন্তাধাৰাক স্মৰণ কৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত 'অসম যোদ্ধা ফাউণ্ডেশ্যন'ৰ উপদেষ্টা উৎপল ভূঞা, সঞ্চালক বিতু ডেকা, উপাধ্যক্ষ মিণ্টু তালুকদাৰৰ লগতে জিলা আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সংগীতশিল্পী তথা সৰ্বজনীন উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ সৌৰভ জ্যোতি বৰুৱা, কাকপথাৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ভুগিল নেওগ, শিক্ষক সপোন বৰুৱা, অৰুণ শ্বাহ, সমাজসেৱক জীতেন্দ্ৰ জয়ছোৱাল, অধেশ সিং, প্ৰবীণ ডেকা, সাংবাদিক দুলু হাজৰিকা, কাকপথাৰ শাখা মইনা পাৰিজাতৰ সভানেত্ৰী ৰিংকুমণি গগৈ, সম্পাদক ৰঞ্জু কোঁৱৰ, সমাজসেৱিকা প্ৰিন্সমণি ভূঞা, কণিকা কোঁৱৰ, মিতালী বৰুৱা আদিয়ে। অনুষ্ঠানটিত বহু সংগীতশিল্পীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সঙ্গীতা হাজৰিকা আৰু নিলিম ভূঞাই সুধাকণ্ঠৰ কেইবাটাও অমৰ গীত পৰিৱেশন কৰাৰ লগতে কেইবাগৰাকী উদীয়মান সংগীত আৰু নৃত্যশিল্পীয়ে গীত-নৃত্য পৰিৱেশন কৰি ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধা নিবেদন কৰে।

## বৈদ্যুতিক শ্বৰ্ট লাইনত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয় হাতীটোৰ

# চিৰাং জিলাৰ বিজনীত বন্যহস্তীৰ মৃত্যু



**অসমবাৰ্তা, বিজনী, ৭ নৱেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীৰ ৩ নং হায়নাৰীত বিদ্যুৎস্পৃষ্ট হৈ এটা বন্যহস্তীৰ মৃত্যু হয়। বিজনীৰ মানাছ ৰাষ্ট্ৰীয় উদ্যানৰ সমিপৰ কুকলুং বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৩ নং হায়নাৰীত(নতুন মাটিত) সংঘটিত হয় ঘটনা। ৩ নং হায়নাৰী বাসিন্দা সম্বাৰু বসুমতাৰী আৰু মাংৰা বসুমতাৰীয়ে নিজৰ তামোল বাগান সুৰক্ষাৰ বাবে ব্যক্তিগত ভাবে আঁৰি দিয়া অবৈধ বৈদ্যুতিক শ্বৰ্ট লাইনত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয় হাতীটোৰ। উল্লেখ্য সম্বাৰু বসুমতাৰী কৰ্মসূত্ৰে বাহিৰত থাকে। সম্বাৰু বসুমতাৰীৰ পুত্ৰ মিজিংক বসুমতাৰীয়ে অবৈধ বৈদ্যুতিক শ্বৰ্ট লাইন লগাইছিল বুলি স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। ঘটনাস্থলিত বন বিভাগৰ লোক, আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, উক্ত অঞ্চল সমূহত মানাছ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত প্ৰায় প্ৰতি নিশাই ওলাই আহে বনৰীয়া হাতী। অঞ্চলটো সুৰক্ষাৰ বাবে চৰকাৰে শক্তিশালী হাতী প্ৰতিৰোধী শ্বৰ্ট লাইন দিয়াৰ আহ্বান স্থানীয় লোকৰ।

# আজি ধুবুৰী বিজেপি কাৰ্যালয়ত সংবাদমেল

**অসম বাৰ্তা, ধুবুৰী, ৭ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় গীত "বন্দেমাতৰম" সৃষ্টিৰ ১৫০ বৰ্ষ পূৰ্ণ উপলক্ষে আজি বুধবাৰ দিনা আবেলি ৩ বজাত ভাৰতীয় জনতা পাৰ্টি, ধুবুৰী জিলাৰ দলীয় কাৰ্যালয়ত এখনি "সংবাদ মেল"ৰ আয়োজন কৰা হৈছে। উক্ত সংবাদমেল উপস্থিত আছিল ধুবুৰী জিলাৰ সভাপতি ৰঞ্জিত কুমাৰ ৰায় সম্বোৰ্ধন কৰি দলীয় ৰাজ্যিক ফালৰ পৰা বিশেষ ভাৱে দায়িত্ব প্ৰদান কৰা জিলাৰ প্ৰাক্তন সভাপতি তথা ধুবুৰী পৌৰসভাৰ অধ্যক্ষ ডাঃ দেৱময় স্যান্যালে।

# জুবিন গাৰ্গৰ সোঁৱৰণত "ডিপাছা-অযুত বৃক্ষ" গুৱাহাটীৰ অধীনত দেৰগাঁও কমাৰ গাঁৱত নাহৰ পুলি ৰোপণ

**অসম বাৰ্তা, দেৰগাঁও, ৭ নৱেম্বৰ ঃ** প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত প্ৰকৃতি সংগঠন "ডিপাছা"ৰ উদ্যোগত দেৰগাঁৱৰ কৃষি প্ৰধান অঞ্চল কমাৰ গাঁৱৰ যুৱক বৃন্দ আৰু ৰাইজৰ সহযোগত কমাৰগাঁও বৰ নামঘৰ, কমাৰগাঁও উচ্চ বুনিয়াদী বিদ্যালয়, কমাৰগাঁও সামুহিক চ'ৰাৰ লগতে দেৰগাঁৱৰ বিভিন্ন ঠাইত নাহৰ পুলি ৰোপণ কৰা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকে তত্ত্বাৱধায়ক শ্ৰী যুত প্ৰসন্ন হাজৰিকা লগতে তেখেতৰ সুযোগ্য দুই পুত্ৰ আই.পি.এচ. অভিজ্ঞান হাজৰিকা আৰু অংশুমান হাজৰিকা আৰু কমাৰ গাঁৱৰ স্থানীয় ৰাইজ। "ডিপাছা"ৰ এই পদক্ষেপক স্থানীয় ৰাইজে শলাগ লয়।

# ৰাষ্ট্ৰীয় কেঞ্চাৰ সজাগতা দিৱসত উন্মোচন হ'ব কেঞ্চাৰ যুঁজাৰুৰ গ্ৰন্থ

**অসম বাৰ্তা, যোৰহাট, ৭ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় কেঞ্চাৰ সজাগতা দিৱসৰ লগত সংগতি ৰাখি কাইলৈ অসম সাহিত্য সভাৰ উদ্যোগত যোৰহাটত কেঞ্চাৰৰ বিৰুদ্ধে সংগ্ৰাম কৰা এজন যুঁজাৰুৰ কাহিনী - গ্ৰন্থ উন্মোচন হ'ব। দানবীৰ ৰাধাকান্ত সন্দিকৈ ভৱনত দিনৰ ২-৩০ বজাৰ পৰা হ'ব লগীয়া সজাগতা আৰু গ্ৰন্থ উন্মোচন অনুষ্ঠান উদ্বোধন কৰিব জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ)-ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বলীন হাজৰিকাৰ কেঞ্চাৰৰ বিৰুদ্ধে মোৰ সংগ্ৰামঃ আক্ৰান্তৰ পৰা নিবৃত্তিলৈকে নামৰ গ্ৰন্থখন সভাত উন্মোচন কৰিব যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক ড° পবিত্ৰপ্ৰাণ গোস্বামীয়ে। অনুষ্ঠানত ৰাইজৰ উপস্থিতি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা আৰু কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকাই কামনা কৰিছে।

## সোৱণশিৰি স্বৰ্ণদল শাখা সাহিত্য সভা

# ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উদযাপন

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ৭ নৱেম্বৰ ঃ** লখিমপুৰ জিলাৰ সোৱণশিৰি স্বৰ্ণদল শাখা সাহিত্য সভাৰ সৌজন্যত তথা সোৱণশিৰি সংগীত বিদ্যালয়ৰ সহযোগত ৫ নৱেম্বৰত ভাৰত ৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উদ্‌যাপন কৰা হয়। সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক সুমন্ত শৰ্মাই। মহান শিল্পী গৰাকীৰ পবিত্ৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন শাখাৰ সভাপতি ৰূপেশ্বৰ মুদৈয়ে। মাল্যাৰ্পণ আৰু পুষ্প নিবেদন কৰে সোৱণশিৰি স্বৰ্ণদল শাখাৰ সভাপতি জীৱকান্ত কলিতা আৰু শিক্ষক সীতাৰাম অধিকাৰীয়ে। সোৱণশিৰি সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সমবেত সংগীতেৰে আৰম্ভ



হোৱা সভাখনত বিশ্ব বৰেণ্য শিল্পী গৰাকীৰ জীৱনৰ ওপৰত শাখাৰ সম্পাদক প্ৰশান্ত শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জ্যোতিকমল বৰা, শিক্ষক দেৱী প্ৰসাদ উপাধ্যায়, সোৱণশিৰি সংগীত বিদ্যালয়ৰ পৰিচালন সঞ্চালক বিজয় বৰুৱাকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে আলোকপাত কৰে। সভাখনত বহুকেইজনে কবিতা আবৃত্তি আৰু শিল্পী গৰাকীৰ কালজয়ী গীত পৰিৱেশন কৰে। সভাত অঞ্চলটোৰ বহু সংখ্যক বিশিষ্ট শিক্ষাগুৰুৰ লগতে পদুমণি গাঁও পঞ্চায়তৰ সভাপতি যদু চুতীয়া, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, শাখাৰ বিষয়ববীয়া উপস্থিত থাকে।

# অভয়াপুৰীৰ সাংবাদিক বিক্ৰমৰঞ্জন ৰয়ক চি আই ডিৰ সোধপোচ

**ষ্টাফ ৰিপটাৰ, বঙাইগাঁও, ৭ নৱেম্বৰ ঃ**ব্যক্তিগত চেটেলাইট চেনেল এটাৰ বঙাইগাঁও জিলাৰ ব্যুৰ' বিক্ৰম ৰঞ্জন ৰয়ক বীৰ লাচিত সেনাৰ নামৰ সংগঠনটোৰ বিষয়ে চি, আই, ডিৰ দ্বাৰা সোধপোচ কৰা হয়। উল্লেখযোগ্য যে, যোৱা ১৪ ছেপ্তেম্বৰ তাৰিখে অভয়াপুৰীৰ একাংশ "বীৰ লাচিত সেনা"ৰ সদস্যই সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়ৰ ঘৰলৈ আহি হত্যাৰ ভাবুকি দিছিল। সাংবাদিকজনৰ অপৰাধ আছিল সংগঠনটোয়ে অভয়াপুৰী মহাবিদ্যালয়ৰ প্ৰৱেশ দুৱাৰ সন্মুখত লগোৱা এখন বেনাৰত থকা বানানৰ ভুলটো ধৰা। ততাতৈয়াকৈ সেইদিনা খনেই ৰয়ে অভয়াপুৰী থানাত বীৰ লাচিত সেনাৰ তিনিজন নেতা— প্ৰাণজিত দাস, ৰূপম কলিতা আৰু জিতুৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল। ঘটনাটোৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী পৰা অহা চি, আই, ডি তিনিজনীয়া তদন্ত দলে অভয়াপুৰীত উপস্থিত হৈ সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়ক ঘটনা সম্পৰ্কে সোধপোজ কৰে। ইপিনে, ৰয়ে অহা চি, আই, ডি ৰ তদন্তকাৰী বিষয়াকেইগৰাকীক জনায় যে বীৰ লাচিত সেনাই ইতিমধ্যে ক্ষমা খোজাৰ পিছত বিষয়টো নিস্পত্তি হৈছে।

## প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ

# চেলংহাটৰ বিভিন্ন স্থানত মৃত গাহৰিৰ টোপোলা

## দুস্কৃতিকাৰীৰ অবিবেচক কৰ্মকাণ্ডত অতিষ্ঠ স্থানীয় ৰাইজ

**অসম বাৰ্তা, আমগুৰি, ৭ নৱেম্বৰ ঃ** আফ্ৰিকান ছোৱাইন ফ্লুৰ নামৰ ৰোগৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ লগে লগে বৰ্তমান সময়ত উজনি অসমৰ বিভিন্ন জিলাৰ লগতে যোৰহাট জিলা প্ৰশাসনেও জিলাখনত গাহৰি মাংস ক্ৰয় বিক্ৰয়ৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। সেইদৰে এই ৰোগত মৃত্যু হোৱা গাহৰি পোতাৰ ক্ষেত্ৰতো বিভিন্ন নীতি নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ বিপৰীতে যোৰহাট জিলাৰ চেলেংহাটৰ বৰনগএঁা-ৰহচলা পুখুৰী সংযোগী পথ, কনকলতা উচ্চ মাধ্যমিক বিদ্যালয় আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত আদি ঠাইবোৰত মৰা গাহৰি টোপোলা স্থানীয় ৰাইজৰ দৃষ্টিগোচৰ হোৱাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কোনো দুস্কৃতিকাৰীয়ে আফ্ৰিকান ছোৱাইন ফ্লুত আক্ৰান্ত হৈ মৃত্যু হোৱা গাহৰি এনেদৰে য'তে য'তেই পেলায় দিয়াৰ সন্দেহ কৰা হৈছে। ইয়াৰ ফলত অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। সচেতন মহল আৰু স্থানীয় লোকসকলে এনে কাৰ্য্যৰ তীব্ৰ নিন্দা জনাইছে। স্থানীয় ৰাইজে এনে অসামাজিক কাৰ্য্যৰ বিৰুদ্ধে প্ৰশাসনে তৎক্ষণাৎ ব্যৱস্থা গ্ৰহণ কৰি উন্মোক্ত অৱস্থাত পৰি থকা মৃত গাহৰিবোৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত "বন্দে মাতৰম্" গীতৰ ১৫০ বছৰ পূৰ্তি উদযাপন

**অসম বাৰ্তা, কমলপুৰ, ৭ নৱেম্বৰ ঃ** আজি সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষ বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় ৰচিত মহান দেশপ্ৰেমৰ সংগীত "বন্দে মাতৰম্"ৰ ১৫০ বছৰ পূৰ্তি উপলক্ষে আয়োজন কৰা অনুষ্ঠানত "বন্দে মাতৰম" গীতটো সমূহীয়া পৰিৱেশন কৰা হয়। অনুষ্ঠানত অসম চৰকাৰৰ পৰিৱেশ আৰু বন, জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি "বন্দে মাতৰম্" গীতটোৰ ভাৰত বৰ্ষত ইয়াৰ প্ৰভাৱ আৰু প্ৰসাৰৰ ওপৰত কয় যে "বন্দে মাতৰম্" মাত্ৰ এটা সংগীত নহয় ই আছিল স্বদেশপ্ৰেম, ত্যাগ আৰু একতাৰ এক অনন্ত আহ্বান। স্বাধীনতা আন্দোলনৰ সময়ত এই গীতেই লক্ষ লক্ষ দেশপ্ৰেমীক একত্ৰিত কৰি মাতৃভূমিৰ সুৰক্ষা, ত্যাগ আৰু সংগ্ৰামৰ পথত অনুপ্ৰাণিত কৰিছিল। বন্দে মাতৰম গীতে সমগ্ৰ ভাৰত বৰ্ষৰ জনতাক একত্ৰিত কৰি স্বাধীনতা সংগ্ৰামত উদ্বুদ্ধ কৰিছিল তাৰে ফলশ্ৰুতিত ভৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল। এই মহান গীতৰ ৰচক বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ আদৰ্শ লৈ বঙ্গই শিক্ষা-দীক্ষাত ভাৰতৰ ভিতৰতে আগবাঢ়ি গৈছে। অকল ইমানে নহয় চাৰিটাকে নৱেল বঁটা আজুৰী লবলৈ সক্ষম হৈছে বুলি মন্ত্ৰী গৰকীয়ে লগতে তেখেতৰ ভাষণত উল্লেখ কৰে। কামৰূপৰ জিলা আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ আদৰণি ভাষণৰে আৰম্ভ হোৱা অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি নেকেয়াৰ গ্ৰুপ অফ ইনষ্টিটিউচনৰ, মিৰ্জাৰ জনসম্পৰ্কৰক্ষী বিষয়া তথা বিশিষ্ট নিবন্ধকাৰ জ্যোতি খাটনীয়াৰে বন্দে মাতৰম গীতটিয়ে পৰাধীন ভাৰতক স্বাধীন ভাৰতলৈ ৰূপান্তৰিত কৰাত ইয়াৰ গুৰুত্বৰ ওপৰত বিস্তৃত ভাৱে বৰ্ণনা কৰে। উক্ত অনুষ্ঠানতে নতুন দিল্লীৰ ইণ্ডিৰা গান্ধী ইণ্ডোৰ ষ্টেডিয়াৰ পৰা দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশ বাসিক উদ্দেশি প্ৰদান কৰা ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। আজিৰ অনুষ্ঠান আমিনগাঁও উচ্চতৰ মাধ্যমিক বিদালয়ৰ শিক্ষয়িত্ৰী আৰু ছাত্ৰী সকলৰ দ্বাৰা "বন্দে মাতৰম্" গীতটি সমস্বৰে পৰিৱেশন কৰা হয়। সভাত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ শইকীয়া, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূএগ, কামৰূপ জিলাৰ অতিৰিক্ত আয়ুক্ত সকল ক্ৰমে গৰ্গ মোহন দাস, মুনমী কলিতা, সুজাতা গগৈ, প্ৰাণজিত কুমাৰ দেৱ, বিশিষ্ট সমাজকৰ্মী ভাস্কৰ কলিতাকে আদিকৰি সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী সকল উপস্থিত থাকে। ইয়াৰ উপৰিও জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ স্থায়ী অনুভাষ যন্ত্ৰৰ দ্বাৰা বন্দে মাতৰম গীতটি পৰিৱেশন কৰা হয়।

# সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপ সভাপতি, সমাজ হিতৈষী হেমন্ত বড়া কোচৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৭ নৱেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ, কোচ ৰাজবংশী জাতিটোৰ উত্তৰণৰ হকে জাতীয় সংগ্ৰামখনক আগুৱাই নিবলৈ অহোপুৰুষাৰ্থ কৰা সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বৰ্তমানৰ উপ সভাপতি, ওদালগুৰি জিলাৰ টংলাৰ চিত্ৰনগৰ নিবাসী হেমন্ত বড়া কোচৰ আজি পুৱা ৯ -৪০ বজাত যকৃৎজনিত ৰোগত আক্ৰান্ত হৈ ৪১ বছৰ বয়সত মৃত্যু হোৱাত ওদালগুৰি জিলাৰ লগতে টংলা নগৰত গভীৰ শোকৰ ছাঁ পৰিছে। আক্ৰাছু'ৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক, অসম সাহিত্য সভাৰ এগৰাকী সক্ৰিয় সদস্য, বৃহত্তৰ টংলা গণতন্ত্ৰ দিৱস আৰু স্বাধীনতা দিৱস উদযাপন সমিতি, সদৌ টংলা ৰঙালী বিহু সন্মিলনী, যুৱ মঞ্চ টংলা, দক্ষিণ চিত্ৰ নগৰ লক্ষ্মী পূজা সমিতি, প্ৰতিটো জাতি জনগোষ্ঠী আৰু দল-সংগঠনৰ স'তে সৌহাৰ্দ্যমূলক সুসম্পৰ্ক অটুট ৰখা ছাত্ৰ নেতা হেমন্ত বড়া কোচে টংলা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা বৰ্তমান সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাক সমুখৰ পৰা নেতৃত্ব প্ৰদান কৰিছিল। সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বলিষ্ঠ প্ৰতিবাদী কণ্ঠ, বৃহত্তৰ টংলা অঞ্চলৰ যিকোনো সমস্যা সমাধানৰ বাবে সততে মাত মতা সমাজ হিতৈষী সংগ্ৰামী নেতা টংলা চিত্ৰ নগৰৰ প্ৰয়াত প্ৰদ্যুৎ বৰা আৰু আভা বৰাৰ একমাত্ৰ সন্তান হেমন্ত বড়া কোচৰ অকাল বিয়োগত বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিণ্টুমনি চক্ৰৱৰ্তী, ভেৰগাঁও মহকুমাৰ প্ৰাক্তন মহকুমা আৰক্ষী বিষয়া দুৰ্গা কিংকৰ শৰ্মা, সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপদেষ্টা গৌতম চহৰীয়া, আক্ৰাছুৰ কেন্দ্ৰীয় সম্পাদক হেমন্ত ডেকা, ওদালগুৰি জিলা সমিতিৰ সভাপতি মিণ্টু, বৰুৱা, সম্পাদক ৰতন ডেকা, টংলা আঞ্চলিক আক্ৰাছু, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, বিপিএফৰ কেন্দ্ৰীয় সম্পাদক ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্য্য, টংলা সাহিত্য সভা, টংলা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতি আৰু টংলা আঞ্চলিক সমিতি, টংলা আঞ্চলিক বড়ো ছাত্ৰ সন্থা, টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, টংলা প্ৰেছ ক্লাব, টংলা জুবিন গাৰ্গ ফেন ক্লাব, দক্ষিণ চিত্ৰ নগৰ লক্ষ্মী পূজা সমিতি, অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, বড়োলেণ্ড সাংবাদিক সন্থাৰ ওদালগুৰি জিলা সমিতি, সদৌ টংলা ৰঙালী বিহু সন্মিলনী, যুৱ মঞ্চ টংলা, টংলা টাউন ইউথ ক্লাব পানেৰী আঞ্চলিক আক্ৰাছু, টংলা খো খো এছ'চিয়চন, ৰাইজৰ দলৰ ওদালগুৰি জিলা সমিতি, আছাৰ ওদালগুৰি জিলা সমিতি আদিৰ বিষয় ববীয়াৰ লগতে অসম সাহিত্য ৰাজ্যিক কাৰ্যনিৰ্বাহক গৌৰী শংকৰ দাস, সমাজসেৱক নীলধৰ ডেকা, বিকন চন্দ্ৰ ডেকা, শ্যামল সৰকাৰ, প্ৰাক্তন ছাত্ৰ নেতা ৰবীন গোৱালা, শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰৰ গৌতম দাস প্ৰমুখ্যে ব্যক্তি বিশেষে টংলা চিলাৰায় ভৱনৰ প্ৰাংগণত ৰাজহুৱাভাৱে তেখেতৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে ইহসংসাৰত পত্নী আৰু আত্মীয় স্বজনক এৰি থৈ যোৱা সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপসভাপতি হেমন্ত বড়া কোচৰ অকাল বিয়োগত অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, প্ৰাক্তন সাংসদ শান্তিউচ কুজুৰ, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ, বিটিচিৰ পাৰিষদ দিগন্ত বৰুৱা, প্ৰাক্তন পৰিষদ অৰ্পণা মেধি, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চ, সামাজিক অনুষ্ঠান মন যায়, ব্ৰহ্মহিত সাধিনী সাহিত্য কানন, ওদাগুৰি জিলা ভাৰতীয় জনতা পাৰ্টীৰ উপ সভাপতি জয়কান্ত শৰ্মা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতি, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতি, টংলা জ্যেষ্ঠ নাগৰিক পৰিষদ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভেৰগাঁও জিলা শাখা, পূব টংলা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনী, অসম ওড়িয়া যুৱ ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতি আদি তথা অজস্ৰ গুণমুগ্ধই গভীৰ শোকপ্ৰকাশ কৰি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# চামগুৰিৰ বৰদলত বনৰীয়া হাতীৰ মৃত্যু

## বন বিভাগৰ তদন্ত অব্যাহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ নৱেম্বৰ ঃ** নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত বৰদল অঞ্চলত আজি পুৱা এটা বনৰীয়া হাতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়া মতে, আজি পুৱা স্থানীয় লোকে বৰদল অঞ্চলৰ এডৱা সৰিয়হৰ খেতিৰ কাষত এটা বনৰীয়া হাতীৰ মৃতদেহ প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পৰৱৰ্তী সময়ত বন বিভাগৰ লোক উক্ত স্থানত উপস্থিত হৈ ৰহস্যজনকভাৱে মৃত্যু হোৱা বনৰীয়া হাতীটো প্ৰত্যক্ষ কৰি তদন্ত আৰম্ভ কৰে। বনৰীয়া হাতীক বাধা দিবৰ কাৰণে কোনো দুৰ্বৃত্তই বৈদ্যুতিক তাঁৰ সংযোগ কৰাৰ ফলত বনৰীয়া হাতীটো বৈদ্যুতিক তাঁৰত লাগি মৃত্যু হোৱা বুলি বন বিভাগৰ লোকে সন্দেহ প্ৰকাশ কৰিছে যদিও মৰণোত্তৰ পৰীক্ষাৰ পিছতহে প্ৰকৃত ৰহস্য পোহৰলৈ আহিব বুলি বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, এইক্ষেত্ৰত বন বিভাগে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। আনহাতে, আজি পুৱা মৃত অৱস্থাত উদ্ধাৰ হোৱা বনৰীয়া হাতীটো পৰৱৰ্তী সময়ত পশু বিভাগৰ চিকিৎসকে মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত উক্ত স্থানতে পুটি থোৱা হয় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকে আজি কিছুদিন ধৰি উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন স্থানত বিচৰণ কৰি পথাৰৰ ধান খেতি খাই তহিলং কৰাৰ লগতে এক আতংকময় পৰিস্থিতি সৃষ্টি কৰাত স্থানীয় ৰাইজে উজাগৰী নিশা পাৰ কৰিবলগাত পৰিছে। উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰিৰ গ্ৰামাঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্টসাধন কৰিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চলসমূহত বৰ্তমান বনৰীয়া হাতীয়ে বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বাৰীৰ কলগছ, নাৰিকল গছ আদিকে খোৱাৰ লগতে পথাৰৰ ধান খেতি সমূহ খোৱাৰ লগতে গছকি-ফেনেকি তহিলং কৰিছে। দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি নিশা হ'লেই পথাৰ আৰু গএগ ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চল সমূহত বন বিভাগৰ লোক উপস্থিত হৈ বম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয়। বন বিভাগে এইক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে বুলি অভিযোগ উঠিছে। স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# কটহগুৰি এ ইউ হাইস্কুলত পোনপ্ৰথমবাৰৰ বাবে EVM পদ্ধতিৰে ছাত্ৰ সংসদৰ নিৰ্বাচন

**অসম বাৰ্তা, বটদ্ৰৱা, ৭ নৱেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত কটহগুৰি এ ইউ হাই স্কুলত আজি অনুষ্ঠিত হোৱা ছাত্ৰ সংসদৰ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে EVM পদ্ধতি প্ৰয়োগ কৰি ভোটগ্ৰহণ সম্পন্ন কৰা হয়। বিদ্যালয়টোৱে এই আধুনিক ভোটিং পদ্ধতি অৱলম্বন কৰাটোৱে শিক্ষাব্যৱস্থাৰ এক নতুন পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। স্কুল কৰ্তৃপক্ষই জনাইছে যে ছাত্ৰ-ছাত্ৰীসকলক গণতান্ত্ৰিক প্ৰক্ৰিয়া, নিৰ্বাচনী শৃংখলা আৰু আধুনিক প্ৰযুক্তিৰ সৈতে পৰিচিত কৰাই তুলিবৰ বাবে EVM ব্যৱস্থা আৰম্ভ কৰা হৈছে। লগতে ভোটদানৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা আৰু ভৱিষ্যতে দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তুলিবৰ উদ্দেশ্যো এই সিদ্ধান্তৰ অন্যতম লক্ষ্য। ১৯৬০ চনত স্থাপিত হোৱা বিদ্যালয়খনত EVM পদ্ধতিৰ পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ হোৱাত বিদ্যালয় পৰিসৰত এক বিশেষ আনন্দ-উল্লাসৰ পৰিৱেশ সৃষ্টি হয়। বহু ছাত্ৰ-ছাত্ৰীয়ে নতুন অভিজ্ঞতাটো উপভোগ কৰি আনন্দেৰে ভোট কেন্দ্ৰত উপস্থিত হোৱা দেখা যায়। বিদ্যালয়ৰ শিক্ষক তথা নিৰ্বাচনী বিষয়া ইনামুল হকে আশা প্ৰকাশ কৰিছে যে এই ধৰণৰ নিৰ্বাচনে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গণতান্ত্ৰিক মনোভাব আৰু আত্মবিশ্বাস বৃদ্ধি কৰিব লগতে আগন্তুক দিনত আন বিদ্যালয়ৰ বাবে আদৰ্শ ৰূপে পৰিগণিত হ'ব। ছাত্ৰ সংসদৰ আজিৰ এই নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত চুয়েল আহমেদ আৰু সহকাৰী সম্পাদকৰ পদত মাহফুজুৰ ৰহমান নিৰ্বাচনত জয়ী হয় বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

# 'বন্দে মাতৰম্'ৰ ১৫০ সংখ্যাক উপলক্ষে নাজিৰা সমজিলাত সমূহীয়া গীতপৰিৱেশন

**অসম বাৰ্তা, নামতি, ৭ নৱেম্বৰ ঃ** বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় ৰচিত ' বন্দে মাতৰম্'ৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে আজি নাজিৰা সমজিলা কাৰ্য্যালয়ৰ সভাকক্ষত সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামৰ উপস্থিতিত ৰাষ্ট্ৰীয়বাদ আৰু একতাৰ অনন্য প্ৰতীক স্বৰূপ এই গীতটি সমূহীয়াভাৱে পৰিৱেশন কৰা হয়। উক্ত সভাৰ আৰম্ভণিতে সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰামে সকলোকে সম্বোধন কৰি সভাৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকল, কৰ্মচাৰী সকল, বিশিষ্ট ব্যক্তি সকল, শিল্পী সমাজৰ বহু কেইগৰাকী ব্যক্তি উপস্থিত থাকে।

## ৰাছিয়াৰ পৰা S-400

Network18ৰ গ্ৰুপ এডিটৰ-ইন-চীফ ৰাহুল যোশীৰ সৈতে এক বিশেষ সাক্ষাৎকাৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। এই বছৰৰ মে' মাহত অপাৰেচন সিন্দূৰৰ সময়ত S-400 ছিষ্টেমে অসাধাৰণ কাৰ্যক্ষমতা প্ৰদৰ্শন কৰিছিল। ইয়াৰ জৰিয়তে ভাৰতে পাকিস্তানী এলেকাৰ ভিতৰত প্ৰৱেশ কৰি যুঁজাৰু বিমান ধ্বংস কৰিবলৈ সক্ষম হৈছিল। এই সফলতাই বিশ্বত S-400ক লৈ নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। ২০১৮ চনত ৰাছিয়াৰ সৈতে পাঁচটা S-400 ছিষ্টেমৰ চুক্তি স্বাক্ষৰিত হৈছিল। ইয়াৰ ভিতৰত তিনিটা ছিষ্টেম ভাৰতে ইতিমধ্যে লাভ কৰিছে। বাকী দুটাৰ ডেলিভাৰী ইউক্ৰেইন যুদ্ধৰ বাবে কিছু পলম হৈছে যদিও ভাৰতে আকাশ প্ৰতিৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বাবে আৰু অধিক S-400 ক্ৰয়ৰ পৰিকল্পনা কৰিছে। মন্ত্ৰীগৰাকীয়ে জনায় যে, ভাৰতে বৰ্তমান ২৫, ০০০ কোটি টকাৰ অস্ত্ৰ ৰপ্তানি কৰি আছে আৰু আহিবলগীয়া সময়ত ইয়াক ৫০, ০০০ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য ৰখা হৈছে। তেওঁ কয়, "আমাৰ লক্ষ্য অস্ত্ৰৰ ক্ষেত্ৰত কোনো দেশৰ ওপৰত নিৰ্ভৰশীল নোহোৱা। আমি সম্পূৰ্ণ আত্মনিৰ্ভৰশীল হ'ব বিচাৰোঁ।" দেশীয় নিউক্লিয়াৰ ছাবমেৰিন প্ৰকল্পৰ বিষয়ে প্ৰশ্নৰ উত্তৰত ৰাজনাথ সিংহে কয়, "প্ৰকল্পটোত কিছু সময় লাগিছে যদিও বিলম্ব অধিক হোৱা নাই। আমি ইয়াত উল্লেখযোগ্য উন্নতি সাধন কৰিছোঁ।" প্ৰতিৰক্ষা ব্যৱস্থাৰ থিয়েটাৰাইজেচনৰ দিশতো উন্নতি হৈ আছে বুলি মন্ত্ৰীগৰাকীয়ে জনায়। লগতে তেওঁ কয়, "অপাৰেচন ত্ৰিশূল এতিয়া এক দৈনন্দিন অভ্যাসত পৰিণত হৈছে। ভাৰতে বৰ্তমান এই অভিযান অব্যাহত ৰাখিছে।" প্ৰতিৰক্ষা মন্ত্ৰীৰ এই ঘোষণাই ভাৰতৰ আত্মনিৰ্ভৰ প্ৰতিৰক্ষা নীতি আৰু বিশ্বমঞ্চত অস্ত্ৰ ৰপ্তানিকাৰী দেশ হিচাপে উত্থানৰ দৃঢ় সংকল্পক পুনৰ দৃঢ় কৰিছে।

## ৰাজ্যজুৰি আফ্ৰিকান ছোৱাইন

ক্ষতিপূৰণ নিদিয়াকৈয়ে চৰকাৰে দায়িত্ব সাৰি যাব বিচাৰিছে। শিৱসাগৰ প্ৰেছ ক্লাবত আয়োজিত এক সংবাদমেলত সদৌ অসম গাহৰি পালক সন্থা আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে যুটীয়াভাৱে এই ক্ষোভ প্ৰকাশ কৰে। সংবাদমেলত উপস্থিত থাকি সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক ৰিতুমনি হাজৰিকাই কয়, "উজনি অসমত আফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত হৈ অসংখ্য গাহৰিৰ মৃত্যু হৈছে। ইয়াৰ ফলত গাহৰি পালকসকলৰ মূৰত মহাবিপদ আহি পৰিছে। পশুপালন বিভাগে নিজৰ দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰা নাই। ইতিমধ্যে ২৮খন ফাৰ্মত গাহৰি নিধন বা পুতি পেলোৱা হৈছে। কিন্তু বিভাগৰ নজনাকৈয়ো বহু গাহৰি মৰিছে, যাৰ তথ্য এতিয়াও বিভাগে সংগ্ৰহ কৰিব পৰা নাই।" হাজৰিকাই লগতে কয়, "২০০০ চনৰ পৰা ছোৱাইন ফ্লুৰ নামত প্ৰশাসনে কেৱল গাহৰি নিধন কৰি, মাংস বিক্ৰীত নিষেধাজ্ঞা জাৰি কৰিয়েই দায়িত্ব শেষ কৰি আহিছে। কিন্তু ৰোগ প্ৰতিৰোধৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।" শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত গাহৰিৰ মৃত্যুৰ ফলত পালকসকলৰ অৱস্থা শোচনীয় হৈ পৰিছে। গাহৰি পালনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱা নিবনুৱা যুৱকসকলৰ সপোন ভাঙি গৈছে। ক্ষতিপূৰণৰ কথা উল্লেখ কৰি হাজৰিকাই কয়, "চৰকাৰে এটা গাহৰিৰ পোৱালিৰ বাবদ মাত্ৰ ২, ৫০০ টকা আৰু এক কুইণ্টলৰ ওপৰৰ গাহৰিৰ বাবদ ১২, ০০০ টকা দিয়ে। কিন্তু এটা গাহৰি এক কুইণ্টল হ'বলৈ পালকৰ খৰচ হয় ১৫, ০০০ টকাৰো অধিক। এই সামান্য ক্ষতিপূৰণেৰে চৰকাৰে দায় সাৰিব বিচাৰিছে।" সন্থাই আন এটা গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যে বহিঃৰাজ্যৰ গাহৰিৰ ছিণ্ডিকেটে অসমৰ বজাৰ নিয়ন্ত্ৰণ কৰি থলুৱা পালকসকলক ক্ষতিগ্ৰস্ত কৰিছে। ৰে'লযোগে অহা গাহৰিৰ ভিতৰত মৃত গাহৰি য'তে-ত'তে পেলোৱাৰ ফলতো ৰোগ বিয়পে। পশুপালন আৰু পশু চিকিৎসা বিভাগে সময়মতে ভেকচিন প্ৰদান নকৰাৰ বাবেও প্ৰতি বছৰে এই ৰোগ ভয়াৱহ ৰূপ ধাৰণ কৰে। ধাৰ কৰি গাহৰি পালন কৰা যুৱকসকলে বিপুল লোকচানৰ সন্মুখীন হৈ বহিঃৰাজ্যলৈ কাম বিচাৰি যাবলৈ বাধ্য হৈছে। সদৌ অসম গাহৰি পালক সন্থা আৰু কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে শীঘ্ৰে বিভাগীয় মন্ত্ৰীৰ ওচৰত দাবী জনাইছে যাতে ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ ৰোধৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু পালকসকলক ন্যায্য ক্ষতিপূৰণ প্ৰদান কৰা হয়। অন্যথা আন্দোলনৰ হেঁচা প্ৰয়োগ কৰিবলৈও সন্থাই সকীয়াই দিছে।

## বিকশিত ভাৰত হ'বলৈ দেশৰ

লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সকলো প্ৰান্তৰ লগতে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে অধিক গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে দেশৰ ভিতৰতে এটা অত্যাধুনিক আৰু অধিক উৎপাদনক্ষম সাৰ কাৰখানা অসমৰ নামৰূপত প্ৰতিষ্ঠা কৰিবলৈ কেন্দ্ৰ চৰকাৰে লক্ষ্য স্থিৰ কৰি লৈছে। যিটো সময়ত চেমিকণ্ডাক্টৰ প্ৰকল্প অসমত হ'ব নালাগে বুলি কংগ্ৰেছৰ নেতা প্ৰিয়ংক খাৰ্গেই মন্তব্য কৰে, সেই সময়ত কেন্দ্ৰীয় চৰকাৰে অহা বৰ্ষৰ এপ্ৰিল মাহৰ ভিতৰত জাগীৰোডৰ চেমিকণ্ডা"ৰ প্ৰকল্প উৎপাদনক্ষম কৰি তুলিবলৈ টাটা গ্ৰুপৰ লগত তৎপৰতাৰে কাম কৰি আছে। অসমত ২০১৪ চনৰ পৰা আজিলৈকে দেশৰ ভিতৰতে অন্যতম আন্তঃ গাঁথনিমূলক কামকাজ কেন্দ্ৰীয় চৰকাৰৰ অধীনত কৰিবলৈ সক্ষম হৈছে। কেন্দ্ৰৰ সকলো বিভাগৰে মন্ত্ৰীসকল সঘনাই অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ আহি ইয়াৰ সমস্যাসমূহৰ বুজ লয় আৰু সমাধান কৰিবলৈ কাম-কাজ কৰে। আগন্তুক দিনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অসম চৰকাৰৰ সহযোগত অসম এখন দেশৰ ভিতৰতে শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। সভাত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সিতাৰমণে সকলো ধৰণৰ সহযোগিতা আগবঢ়াইছে বুলি মন্তব্য কৰে। সভাত ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি মা কামাখ্যা আৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ ভূমি অসমলৈ বিত্তমন্ত্ৰী গৰাকীক উষ্ম আদৰণি জনায়। সভাত অসমৰ বিত্তমন্ত্ৰী অজন্তা নেওগ, পৰ্যটন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ৰাজ্যিক সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজু আৰু গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিও উপস্থিত থাকে বুলি ৰাজ্যিক মুখপাত্ৰ জয়ন্ত কুমাৰ গোস্বামীয়ে এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে।

## মাতৃভূমিত উপেক্ষা বিশ্বকাপ

মাতৃভূমিৰ উদাসীনতাই সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী বিশ্বকাপ জয়ী ক্ৰিকেটাৰ উমা চেত্ৰীয়ে শুকুৰবাৰে পুৱা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত অৱতৰণ কৰিলে যদিও চৰকাৰী বা ক্ৰীড়া সংগঠনৰ কোনো প্ৰতিনিধিয়ে তেওঁক আদৰি ল'বলৈ উপস্থিত নাছিল। কেৱল গোৰ্খা ছাত্ৰ সংঘৰ এটা সৰু দলে ফুলৰ তোড়াৰে তেওঁক স্বাগতম জনাইছে। অসমৰ সোণিতপুৰ জিলাৰ এগৰাকী সাধাৰণ পৰিয়ালৰ কন্যা উমা চেত্ৰীয়ে এই বিশ্বকাপৰ যোগেদিয়েই এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটাইছিল। নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি দেশৰ শিৰত তুলি দিছিল ঐতিহাসিক বিশ্বকাপ। উমাৰ দলীয় সতীৰ্থসকলৰ লগতে তেওঁকো দেশৰ সৰ্বস্তৰৰ লোকে প্ৰশংসাৰে বুকু উখহাই তুলিছিল। বিশ্বকাপ জয়ৰ পিছত ৬ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দিল্লীত আয়োজন কৰা বিশেষ সন্মিলনত উমা চেত্ৰীক স্মৃতি মান্ধানা, দীপ্তি শৰ্মা, হৰমনপ্ৰীত কৌৰকে ধৰি অন্যান্য খেলুৱৈৰ সৈতে আমন্ত্ৰণ জনোৱা হৈছিল। প্ৰধানমন্ত্ৰীয়ে উমাৰ সৈতে সাক্ষাৎ কৰি তেওঁৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰাৰ লগতে অসমৰ প্ৰতি থকা শ্ৰদ্ধাৰ কথা ব্যক্ত কৰিছিল। ইয়াৰ উপৰি ক্ৰীড়াৰ বিশিষ্ট ব্যক্তিসকলে টীম ইণ্ডিয়াৰ সদস্যসকলক সম্বৰ্ধনা জনাইছিল। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে (বি চি চি আই) প্ৰকাশ কৰা বাৰ্ষিক চুক্তিৰ তালিকাত উমা চেত্ৰীৰ নাম 'চি' গ্ৰুপত অন্তৰ্ভুক্ত হৈছে, যিয়ে তেওঁৰ কেৰিয়াৰত নতুন মাইলৰ শিল হিচাপে চিহ্নিত হৈছে। কিন্তু এই সকলো সাফল্য আৰু সমাদৰৰ মাজতে অসমত উমাৰ আগমন যেন কাৰো মনত নপৰিল। অসম ক্ৰিকেট সংস্থাৰ কোনো বিষয়ববীয়া, চৰকাৰী প্ৰতিনিধি বা অন্য কোনো সংগঠনে বিমানবন্দৰত তেওঁক আদৰি ল'বলৈ উপস্থিত নাছিল। সাধাৰণ যাত্ৰীৰ দৰেই ঘৰমুৱা হ'বলগীয়া হৈছিল বিশ্বজয়ী এই ক্ৰিকেটাৰগৰাকীক। কেৱল গোৰ্খা ছাত্ৰ সংঘৰ সদস্যসকলে ফুলৰ মালা আৰু অভিনন্দনৰ বেনাৰেৰে তেওঁক স্বাগত জনাই একমাত্ৰ উষ্ম আদৰণিৰ পৰিচয় দিছিল। এই ঘটনা সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ পিছতে সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বহুতে অসম চৰকাৰ আৰু ক্ৰীড়া সংগঠনসমূহৰ উদাসীনতাক লৈ সমালোচনা কৰিছে। তথাপি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সামাজিক মাধ্যমত উমা চেত্ৰীক অভিনন্দন জনাই লিখিছে, "অসমৰ কন্যা উমা চেত্ৰীয়ে বিশ্বকাপ জয় কৰি অসমৰ নাম উজলাইছে। তেওঁৰ এই সাফল্যত আমি সকলোৱে গৌৰৱান্বিত।" উমা চেত্ৰীৰ এই উপেক্ষাৰ ঘটনাই পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে যে, বিশ্বমঞ্চত সাফল্য লাভ কৰা খেলুৱৈসকলক মাতৃভূমিত কিয় যথোচিত সন্মান দিয়া নহয়? অসমৰ ক্ৰীড়া জগতৰ বাবে উমা এতিয়া এটা প্ৰেৰণাৰ নাম হৈ পৰিছে, কিন্তু তেওঁক আদৰি লোৱাৰ ক্ষেত্ৰত দেখা গৈছে উল্লেখযোগ্য শূন্যতা।

## গুৱাহাটীত দুটা অভিলাষী

ৰাজ্যবাসীক আনন্দিত কৰে। মুখ্যমন্ত্ৰী শৰ্মাই স্পষ্টভাৱে ঘোষণা কৰে যে, ৰিভাৰফ্ৰণ্টত বিনামূলীয়া প্ৰৱেশৰ সুবিধা পাব—১২ বছৰৰ তলৰ শিশুসকলক লগত লৈ অহা মাতৃসকল- কোনো মাতৃয়ে যদি ১২ বছৰৰ তলৰ সন্তানক সংগী কৰি উদ্যানলৈ আহে, তেওঁৰ পৰা এক টকাও প্ৰৱেশ মাচুল লোৱা নহ'ব। পুৱা ৯ বজাৰ আগতে প্ৰাতঃভ্ৰমণকাৰীসকল-প্ৰতিদিনে পুৱা ৯ বজালৈকে যিকোনো ব্যক্তিয়ে প্ৰাতঃভ্ৰমণ বা ব্যায়ামৰ বাবে অহিলে তেওঁৰ পৰা কোনো মাচুল দাবী কৰা নহ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আমি এই উদ্যান টকা উপাৰ্জনৰ বাবে নিৰ্মাণ কৰা নাই, মহানগৰবাসীৰ আনন্দ আৰু স্বাস্থ্যৰ বাবে মুকলি কৰিছোঁ।" তেওঁ লগতে সদৰি কৰে যে, ৰিভাৰফ্ৰণ্টৰ নিৰ্মাণ কাম এতিয়াও চলি আছে আৰু সম্পূৰ্ণ হোৱালৈকে আহ্বান জনোৱা হৈছে যে ব'হাগ বিহুৰ পৰিৱৰ্তে কোনো প্ৰৱেশ মাচুল লোৱা নহ'ব। এই প্ৰকল্পই গুৱাহাটীক এক আধুনিক নগৰীয়া বিনোদন কেন্দ্ৰ হিচাপে পৰিগণিত কৰিবলৈ সহায় কৰিব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "লুইতৰ পাৰত এই সৌন্দৰ্য্যই অসমৰ পৰ্যটনক নতুন মাত্ৰা প্ৰদান কৰিব।" উদ্বোধনী অনুষ্ঠানত উপস্থিত থকা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্পক "অসমৰ উন্নয়নৰ এক উজ্জ্বল দৃষ্টান্ত" বুলি অভিহিত কৰে। ৰিভাৰফ্ৰণ্টৰ এই উদ্বোধনে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ কৰিছে আৰু অহা কেইদিনমানৰ ভিতৰতে ই এক জনপ্ৰিয় স্থানত পৰিণত হ'ব বুলি আশা কৰা হৈছে।

## বীৰ লাচিত সেনাৰ ১০গৰাকী

পূৰ্বে দাখিল হোৱা এফআইআৰসমূহৰ ফাইল পুনৰ মুকলি কৰি একত্ৰিত তদন্তৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বৃহস্পতিবাৰে চি আই ডি থানাত ২০/২৫ নম্বৰৰ গোচৰ আনুষ্ঠানিকভাৱে ৰুজু কৰাৰ পিছতে এই অভিযানে তীব্ৰতা লাভ কৰে। আৰক্ষী বিষয়াসকলে জনোৱা অনুসৰি, গোচৰ পঞ্জীয়নৰ কিছু সময়ৰ ভিতৰতে ৰাজ্যৰ একাধিক জিলাত একেলগে অভিযান চলোৱা হয় আৰু বীৰ লাচিত সেনাৰ কমেও ১১জন সদস্যক গ্ৰেপ্তাৰ কৰা হয়। গ্ৰেপ্তাৰ হোৱা সদস্যসকলক জেৰাৰ বাবে গুৱাহাটীস্থিত চি আই ডিৰ মুখ্য কাৰ্যালয়লৈ অনা হ'ব বুলি আৰক্ষী সূত্ৰই নিশ্চিত কৰিছে। চি আই ডিৰ এই কাৰ্যপ্ৰণালীৰ উদ্দেশ্য হৈছে সংগঠনটোৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন থানাত পূৰ্বে পঞ্জীয়ন হোৱা সকলো এফআইআৰ একত্ৰিত কৰি এককেন্দ্ৰিক তদন্তৰ জৰিয়তে গোচৰৰ গভীৰতা অনুসন্ধান কৰা। বিষয়াসকলে জনোৱা মতে, এই পদক্ষেপে তদন্ত প্ৰক্ৰিয়াত সুবিধা প্ৰদান কৰিব আৰু সংগঠনটোৰ কাৰ্যকলাপৰ প্ৰকৃত স্বৰূপ উদঘাটনত সহায়ক হ'ব। আৰক্ষীৰ এই অভিযানে ৰাজ্যৰ নিৰাপত্তা আৰু আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হৈছে। তদন্তৰ অগ্ৰগতিৰ লগে লগে অধিক তথ্য প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

## 'বন্দে মাতৰম'এ শুই থকা

মাতৰম' সমূহীয়া পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আজিৰ এই দিনটো আমাৰ বাবে গৌৰৱ আৰু কৃতজ্ঞতাৰ। ১৮৯৬ চনত কলিকতাত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত ৰবীন্দ্ৰনাথ ঠাকুৰে প্ৰথমবাৰৰ বাবে 'বন্দে মাতৰম' গাইছিল। তেতিয়া উপস্থিত সকলোৰে হৃদয় শ্ৰদ্ধা আৰু ভক্তিত উথলি উঠিছিল। ১৯০৫ চনৰ বংগ বিভাজনৰ সময়লৈকে ই স্বদেশী আন্দোলনৰ 'থীম ছং'ত পৰিণত হৈছিল।" বাল গংগাধৰ তিলক, লালা লাজপত ৰায়, বিপিন চন্দ্ৰ পাল, ভগত সিং, নেতাজী সুভাষ চন্দ্ৰ বসুৰ দৰে বিপ্লৱীসকলে এই অমৰ সংগীতৰ জ্যোতিক আগুৱাই লৈ যোৱাৰ কথা উল্লেখ কৰি তেওঁ কয়, "স্বাধীনতা লাভ কৰালৈকে 'বন্দে মাতৰম' ভাৰতৰ আত্মাৰ কণ্ঠস্বৰ হৈ পৰিছিল। সেই আত্মাৰ অবিচ্ছেদ্য প্ৰতীক হিচাপে ১৯৫০ চনত ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে ইয়াক ৰাষ্ট্ৰীয় গীতৰ মৰ্যাদা প্ৰদান কৰিছিল।" মুঠ ছটা স্তৱকত ৰচিত মূল গীতটোৰ মাথোঁ প্ৰথম দুটা স্তৱকহে বহুলভাৱে প্ৰচলিত আৰু ৰাষ্ট্ৰীয় গীত হিচাপে পৰিৱেশন কৰা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়, "১৫০ তম বাৰ্ষিকী উদযাপনৰ এই বছৰটোত বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ ৰচিত সম্পূৰ্ণ 'বন্দে মাতৰম' মূল ৰূপত পৰিৱেশনৰ প্ৰচেষ্টা হাতত লওক।" যোৱা ১ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে গীতটোৰ ১৫০ তম বাৰ্ষিকীৰ বছৰজোৰা উদযাপনৰ সিদ্ধান্ত লোৱা বুলি স্মৰণ কৰাই তেওঁ কয়, "'বন্দে মাতৰম ১৫০' শীৰ্ষক এই উদ্‌যাপন ২০২৬ চনৰ ৭ নৱেম্বৰলৈ চলি থাকিব। দেশৰ সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু অসমৰ প্ৰতিখন জিলা-সমজিলাত গণ আবৃত্তি, সংগীত প্ৰদৰ্শনী, আৰক্ষী বেণ্ডৰ পৰিৱেশন আৰু শৈক্ষিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।" অনুষ্ঠানৰ অন্তত মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আহ্বান জনায়, "আজিৰ এই ঐতিহাসিক ক্ষণত আকৌ এবাৰ সমস্বৰে 'বন্দে মাতৰম' গাই জাতিৰ ঐক্য-অখণ্ডতা সুৰক্ষিত ৰখাৰ, স্বাধীনতা-সত্য-ন্যায়ৰ আদৰ্শ আগুৱাই নিয়াৰ আৰু স্বদেশী ভাবাদৰ্শক জীৱনৰ ব্ৰত হিচাপে লোৱাৰ প্ৰতিজ্ঞা পুনৰ দৃঢ় কৰক।"

## CID কাৰ্যালয়ত ১২ ঘণ্টা

লাভ কৰিছে। শুকুৰবাৰে পুৱা চি আই ডি কাৰ্যালয়ত উপস্থিত হৈ জুবিনৰ প্ৰাক্তন মেনেজাৰ টাৰচেম মিট্টালে বিশেষ তদন্তকাৰী দল (এছ আই টি)ৰ আগত নিজৰ ভাষ্য প্ৰদান কৰিছে। এই ঘটনাই পুনৰবাৰ জুবিনৰ বিত্তীয় লেনদেন আৰু ব্যক্তিগত সম্পৰ্কৰ জটিলতাক সন্মুখলৈ আনিছে। জুবিন গাৰ্গৰ বিয়োগৰ পিছতে এছ আই টিয়ে তেওঁৰ ঘনিষ্ঠ কেইগৰাকীমান ব্যক্তিক তলব কৰি আহিছে। এই তালিকাত স্থান পাইছে প্ৰাক্তন মেনেজাৰ টাৰচেম মিট্টাল। দীৰ্ঘদিন ধৰি জুবিনৰ কেৰিয়াৰ পৰিচালনা কৰা মিট্টালে শিল্পীগৰাকীৰ আৰ্থিক ব্যৱস্থাপনাৰ লগতে ব্যক্তিগত জীৱনৰ বিভিন্ন দিশৰ বিষয়ে গভীৰ জ্ঞান ৰাখে বুলি জানিব পৰা গৈছে। তেওঁৰ ভাষ্যই তদন্তৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিব পাৰে বুলি আশা কৰা হৈছে। উল্লেখ্য যে, জুবিন গাৰ্গৰ বিত্তীয় খেলিমেলিৰ অভিযোগ ৰাজহুৱা হোৱাৰ পিছতে টাৰচেম মিট্টালক তলব কৰা হৈছিল। মিট্টালে মেনেজাৰৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ পিছত জুবিনৰ নতুন মেনেজাৰ হিচাপে নিযুক্তি লাভ কৰিছিল সিদ্ধাৰ্থ শৰ্মাই। লক্ষণীয়ভাৱে, টাৰচেম মিট্টালৰ সুপাৰিশতেই সিদ্ধাৰ্থ শৰ্মাই এই গুৰু দায়িত্ব লাভ কৰিছিল বুলি জানা গৈছে। বৰ্তমান জুবিনৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত সিদ্ধাৰ্থ শৰ্মা ন্যায়িক জিম্মাত আছে। টাৰচেম আৰু সিদ্ধাৰ্থৰ মাজত সু-সম্পৰ্ক থকাৰ কথাও প্ৰকাশ পাইছে, যিয়ে তদন্তৰ জটিলতা আৰু বৃদ্ধি কৰিছে। চি আই ডিৰ বিষয়াসকলে জনোৱা অনুসৰি, টাৰচেম মিট্টালৰ ভাষ্যত জুবিনৰ শেহতীয়া কাৰ্যকলাপ, আৰ্থিক লেনদেন আৰু মেনেজমেণ্টৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ আহিব পাৰে। তদন্তকাৰী দলটোৱে এই সাক্ষ্যৰ ভিত্তিত পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই অসমৰ সংগীতপ্ৰেমীসকলৰ মাজত শোকৰ লহৰৰ লগতে বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। তদন্তৰ ফলাফলৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## LP-UP শিক্ষকৰ ৫৫৫০

শিক্ষকৰ মুঠ ৫৫৫০টা পদৰ চূড়ান্ত ফলাফল শুকুৰবাৰে ঘোষণা কৰা হৈছে। এই ফলাফলৰ কথা সামাজিক মাধ্যমৰ জৰিয়তে জনোৱা শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে। নিযুক্তিৰ বাবে যোগ্য বিবেচিত হৈছে মুঠ ৪২৭৯ গৰাকী প্ৰাৰ্থী। ইয়াৰ ভিতৰত— এলপি শিক্ষক পদত নিযুক্তি লাভ কৰিব ২৯৮০ গৰাকী প্ৰাৰ্থীয়ে আৰু ইউপি শিক্ষক পদত নিযুক্তি লাভ কৰিব ১২৯৯ গৰাকীপ্ৰাৰ্থীয়ে। ৯ নৱেম্বৰত এলপি-ইউপি শিক্ষকসকলে নিযুক্তি পত্ৰ গ্ৰহণ কৰিব পাৰিব। লগতে মন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি, স্নাতক (TET) আৰু স্নাতকোত্তৰ শিক্ষক (PGT) পদৰ নিযুক্তি পত্ৰো শীঘ্ৰে প্ৰদান কৰা হ'ব। এই নিযুক্তি প্ৰক্ৰিয়াই ৰাজ্যৰ শিক্ষা ব্যৱস্থাত নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। যোগ্য প্ৰাৰ্থীসকলে অতি সোনকালে বিদ্যালয়ত যোগদান কৰি শিক্ষাৰ্থীসকলৰ শিক্ষা প্ৰক্ৰিয়াত অৰিহণা যোগাব বুলি বিশ্বাস কৰা হৈছে।

## আলফা স্বাধীনৰ প্ৰাক্তন

সামগ্ৰী। আজি টংলা আৰক্ষী থানাত ওদালগুৰি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱাই এক সংবাদ মেল সম্বোধন কৰি এই মন্তব্য কৰে। সংবাদ মেলত উপস্থিত থাকে টংলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, ক্ৰাইম ব্ৰাঞ্চৰ বিষয়া। টংলা আৰক্ষীয়ে সোণাপুৰৰ পৰা আটক কৰা বিজয় অসম ২০১৯ চনত গুৱাহাটীৰ চেণ্ট্ৰেল মলত হোৱা বোমা বিস্ফোৰণৰ মূল মাষ্টাৰ মাইণ্ড আছিল। তাৰ পিছতে গ্ৰেপ্তাৰ হৈছিল বিজয় অসম। জেলত থকা সময়তেই বিজয় অসমে ৰিভোলোচনাৰী ফ্ৰণ্ট অফ গ্ৰেটাৰ আসাম (Revolutionary Front of Greater Assam )চমুকৈ আৰএফজিএ নামৰ এটা নতুন উগ্ৰপন্থী সংগঠন গঠন কৰিছিল। কিন্তু আৰক্ষীয়ে তৎপৰতাৰে নতুন সংগঠনৰ তিনি কেডাৰ ক্ৰমে পিংকু শীল, চিন্ময় লহকৰ, বিজয় বৈশ্যক গ্ৰেপ্তাৰ কৰাৰ লগতে উৎখাত কৰে সংগঠনটো।

## জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ

বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ পৰা সোণাপুৰৰ জাগীৰোডলৈ গৈ টাটা ইলেক্ট্ৰনিক্সৰ মেগা ছেমিকণ্ডাক্টৰ প্ৰকল্পটোৰ পৰিদৰ্শন কৰে। দুপৰীয়া ১২টা বজাৰ পৰা বিয়লি ২.৩০টা বজালৈকে মন্ত্ৰীগৰাকীয়ে প্ৰকল্পৰ অগ্ৰগতিৰ খতিয়ান লৈ তাৰ পিছত স্থানীয় উদ্যোগীসকলৰ সৈতে মত বিনিময় কৰে। এই পৰিদৰ্শনেই অসমৰ শিল্প উন্নয়নৰ নতুন অধ্যায়ৰ সুসংকেত দিছে। প্ৰকল্পস্থলীলৈ উপস্থিত হৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰীক চৰাইবাহী শংকৰদেৱ বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰীসকলে জাতীয় গীত 'বন্দে মাতৰম' গাই উষ্ময় আদৰণি জনায়। ইয়াৰ পিছত টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প প্ৰাঙ্গণত "এণ্টাৰপ্ৰাইজ অসম — বিকশিত ভাৰত ২০৪৭" শীৰ্ষক এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত নিৰ্মলা সীতাৰমণে অসমৰ ছাত্ৰ-ছাত্ৰী, ষ্টাৰ্টআপ উদ্যোগপতি আৰু জ্যেষ্ঠ উদ্যোগীসকলৰ সৈতে আলোচনাসভাত অংশগ্ৰহণ কৰি ৰাজ্যৰ উদ্যোগ আৰু বিনিয়োগৰ সম্ভাৱনাৰ বিষয়ে বিস্তাৰিত আলোচনা কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ নীতি আৰু সহযোগিতাৰ বিষয়ে আলোকপাত কৰি কয়, "ভাৰতত এতিয়া আন্তঃগাঁথনি এনেদৰে কৰা হৈছে যে যিকোনো সাধাৰণ মানুহেই তেওঁলোকৰ বাবে ব্যৱহাৰ কৰিব পাৰে।" অনুষ্ঠানত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অসম এডভান্টেজ ২.০ উদ্যোগৰ বিষয়ে বক্তব্য প্ৰদান কৰি কয়, "জাগীৰোডত অৰ্ধপৰিবাহীৰ (ছেমিকণ্ডাক্টৰ) সুবিধা কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবেও এক সুযোগ। ই এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে যে আমিও কৰিব পাৰোঁ।" তেওঁ অসমক "নতুন সম্ভাৱনাৰ ভূমি" বুলি বৰ্ণনা কৰি কয় যে এই প্ৰকল্পই ৰাজ্যক "স্বৰ্ণিম বিকাশৰ মুহূৰ্ত"ৰ সন্মুখীন কৰিছে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চালু কৰা ১ লাখ কোটি টকাৰ গৱেষণা আৰু বিকাশ তহবিলৰ কথাও উল্লেখ কৰি কয় যে ইয়াৰ সুবিধা চৰকাৰী-বেচৰকাৰী দুয়োটা খণ্ডৰ বাবে উপলব্ধ হ'ব, যিয়ে অসমত উদ্ভাৱন আৰু কৰ্মসংস্থানৰ পৰিৱেশ গঢ়ি তুলিব। অনুষ্ঠানত উপস্থিত আছিল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, তথ্য আৰু জনসংযোগসহ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বড়া, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী, মুখ্য সচিব ডৰ ৰবি কোটা, জিলা আয়ুক্ত অনামিকা তেওঁৰী, টাটা ইলেক্ট্ৰনিক্সৰ চি ইঅ' ডৰ ৰণধীৰ ঠাকুৰ আদি ব্যক্তিত্বসকল। মুখ্যমন্ত্ৰী শৰ্মাই কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰ সহযোগিতাৰ প্ৰশংসা কৰি কয়, "টাটা ছেমিকণ্ডাক্টৰ সুবিধাই ভাৰতৰ অত্যাধুনিক উচ্চপ্ৰযুক্তি নিৰ্মাণৰ ভৱিষ্যত চিহ্নিত কৰিছে আৰু অসমৰ শিল্প পৰিসৰ পুনঃনিৰ্মাণ কৰি আমাৰ যুৱক-যুৱতীসকলৰ বাবে বিশাল সুযোগ সৃষ্টি কৰিব।" উল্লেখ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৪ চনৰ মাৰ্চ মাহত আধাৰশিলা স্থাপন কৰা এই ২৭, ০০০ কোটি টকাৰ মেগা প্ৰকল্পটোৰ ইতিমধ্যে ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে। প্ৰকল্পক সৰ্বোচ্চ প্ৰাধান্য দিয়া হৈছে আৰু ফেব্ৰুৱাৰী মাহত উদ্বোধনৰ বাবে সকলো প্ৰস্তুতি তীব্ৰতৰ কৰা হৈছে। নিৰ্মাণ কামত উন্নত প্ৰযুক্তিৰ ব্যৱহাৰে গতি বৃদ্ধি পাইছে—ৰবটিক কুকুৰ আদি আধুনিক যন্ত্ৰৰ সহায়ত কাম ত্বৰিতভাৱে সম্পন্ন কৰা হৈছে। প্ৰকল্পটোৱে প্ৰতিদিন ৪.৮ কোটি চিপ উৎপাদন কৰিব পাৰিব আৰু ১৫, ০০০ সোধোকীণ আৰু ১১,০০০-১৩, ০০০ পৰোক্ষ কৰ্মসংস্থানৰ সুযোগ সৃষ্টি কৰিব। ইয়াৰ জৰিয়তে অসম কেৱল উত্তৰ-পূৰ্বৰ শিল্প কেন্দ্ৰ হিচাপে নহয়, ভাৰতৰ 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'বিকশিত ভাৰত ২০৪৭'ৰ অংশ হিচাপে উদ্ভাৱনৰ চালিকাশক্তি হৈ পৰিব। এই পৰিদৰ্শনেই অসমৰ যুৱাসকলক উদ্যোগীত্বৰ পথত আহ্বান জনাইছে আৰু ৰাজ্যক উচ্চপ্ৰযুক্তি নিৰ্মাণৰ নতুন কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত কৰিছে। বিত্তমন্ত্ৰীৰ এই সফল পৰিদৰ্শনেই উত্তৰ-পূৰ্বৰ বিকাশত কেন্দ্ৰীয় সক্ৰিয়তাৰ প্ৰতীক হৈ উঠিছে।

## গোৰ্খা সম্প্ৰদায়ৰ বুলি নহয়,

কোনো সম্প্ৰদায়ৰ বুলি ভবা উচিত নহয়—এই কথা স্পষ্টভাৱে প্ৰকাশ কৰিলে অসম ক্ৰিকেট এছ'চিয়েশ্যনৰ সভাপতি তথা বিধায়ক তৰংগ গগৈয়ে। টচেন বড়া স্মৃতি প্ৰথম বাৰ্ষিক আন্তঃক্লাব ফুটবল প্ৰতিযোগিতাৰ চতুৰ্থ দিনা নামৰূপৰ গান্ধী ময়দানত অনুষ্ঠিত খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকি তেওঁ এই মন্তব্য প্ৰকাশ কৰে। নামৰূপ চেণ্ট্ৰেল স্পৰ্টছ এছ'চিয়েশ্যনে আয়োজন কৰা এই খেলখনৰ কাৰ্যসূচীত তেওঁ উমা চেত্ৰীক "এগৰাকী খাঁটি অসমীয়া খেলুৱৈ" বুলি অভিহিত কৰে আৰু তেওঁৰ সাফল্যৰ কথা উল্লেখ কৰি কয়, "বিশ্বকাপ বিজয়ী ভাৰতীয় দলৰ সদস্য হিচাপে উমা চেত্ৰীয়ে সমগ্ৰ অসমবাসীক গৌৰৱান্বিত কৰিছে। তেওঁ প্ৰথম অসমীয়া খেলুৱৈ যিয়ে ভাৰতীয় ক্ৰিকেট দলক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰিছে।" তৰংগ গগৈয়ে লগতে সদৰি কৰে যে, উমা চেত্ৰী BCCIৰ অধীনত থকাৰ বাবে তেওঁৰ অসমলৈ অহাৰ সময়সূচী স্পষ্টভাৱে জনোৱা হোৱা নাছিল। তথাপি ব্যক্তিগত যোগাযোগৰ জৰিয়তে ৬ নৱেম্বৰৰ সন্ধ্যা ৭ বজাত জানিব পৰা গৈছিল যে, তেওঁ বিমানযোগে গুৱাহাটী অহাৰ পথত আছে আৰু নিশা ১১ বজাত গুৱাহাটী বিমানবন্দৰত অৱতৰণ কৰিব। এনে স্বল্প সময়ৰ ভিতৰত সকলো জিলাৰ বিষয়ববীয়াক একত্ৰিত কৰি সম্বৰ্ধনা বা শোভাযাত্ৰাৰ আয়োজন কৰাটো সম্ভৱ নহ'ল যদিও গুৱাহাটীত উপস্থিত বিষয়ববীয়াসকলে তেওঁক আদৰণি জনায়। সম্বৰ্ধনাৰ কথা আলোচনা হৈছিল যদিও দীৰ্ঘদিনৰ পিছত অসমলৈ অহা উমা চেত্ৰীয়ে পিতৃ-মাতৃৰ সৈতে লগ হ'বলৈ ঘৰলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰাত সেই পৰিকল্পনা স্থগিত ৰখা হয়। অসমৰ ক্ৰীড়া জগতৰ এই উজ্জ্বল নক্ষত্ৰক লৈ গৌৰৱ কৰি তৰংগ গগৈয়ে আহ্বান জনায় যে, উমা চেত্ৰীক কেৱল অসমীয়া পৰিচয়ৰে সন্মান জনোৱা হওক আৰু তেওঁৰ সাফল্যই অসমৰ যুৱ প্ৰজন্মক প্ৰেৰণা যোগাওক।

## আজি স্থাপন কৰা হ'ব

নিৰ্মাণ হ'বলগীয়া কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা কাইলৈ (৮ নৱেম্বৰ) আনুষ্ঠানিকভাৱে স্থাপন কৰিব কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠানটো অনুষ্ঠিত হ'ব। কাইলৈ পুৱা ১০.৩০ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ পৰা অনা ২৭০টা অমৃত কলহৰ মাটিৰে ভূমিপূজন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপনৰ শুভাৰম্ভ কৰিব। ইয়াৰ পিছতে ভোলাগুৰি চাহ বাগিচা প্ৰাঙ্গণত এক বিশাল জনসভাত ভাষণ দিব নিৰ্মলা সীতাৰমনে। অসম চাহ নিগমৰ অধীনস্থ তথা সাংস্কৃতিক ব্যক্তিত্ব ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি বিজড়িত ৭৩৮ বিঘা ভূমিত ৫৯৯ কোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব এই ৰাজ্যিক বিশ্ববিদ্যালয়। ইতিমধ্যে অনুষ্ঠানস্থলীত প্ৰায় ৩০ হাজাৰ লোকৰ বহাৰ ব্যৱস্থাৰে এক সুবিশাল পেণ্ডেল সজাই তোলা হৈছে। বিশ্ববিদ্যালয়খনৰ বিশেষত্ব হ'ল— পৰম্পৰাগত পাঠ্যক্ৰমৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা (AI), মেচিন লাৰ্নিং, ব্লকচেইন আদি অত্যাধুনিক বিষয়সমূহো অন্তৰ্ভুক্ত কৰা হ'ব। ফলত সমগ্ৰ ভাৰতৰ ভিতৰতে এখন লেখত ল'বলগীয়া আধুনিক বিশ্ববিদ্যালয় হিচাপে পৰিচিত হ'ব বুলি আশা কৰা হৈছে। শৈক্ষিক মহলে মত প্ৰকাশ কৰিছে যে, এই বিশ্ববিদ্যালয়ে উত্তৰ অসমত অত্যাধুনিক শিক্ষা ব্যৱস্থাৰ নৱজাগৰণৰ সূচনা কৰিব। গহপুৰৰ বিধায়ক উৎপল বৰাই ৰাইজক কাইলৈৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি এই ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হোৱাৰ আহ্বান জনাইছে। উল্লেখ্য, স্বাধীনতা সংগ্ৰামৰ বীৰাঙ্গনা কনকলতা বৰুৱাৰ নামেৰে নামকৰণ কৰা এই বিশ্ববিদ্যালয়ে কেৱল শিক্ষাৰ ক্ষেত্ৰতে নহয়, অসমৰ সাংস্কৃতিক ঐতিহ্যকো সমৃদ্ধ কৰিব বুলি বিশ্বাস কৰা হৈছে।

## বিন্নাকান্দি উন্নয়ন খণ্ডত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ হতুৱাই ধন সংগ্ৰহ কৰাৰ অভিযোগ

**অসম বাৰ্তা, ডবকা, ৭ নৱেম্বৰ ঃ** হোজাইৰ বিন্নাকান্দী উন্নয়ন খণ্ডৰ বিষয়া আৰু অভিযন্তাৰ বিৰুদ্ধে ধন সংগ্ৰহৰ অভিযোগ উঠিছে। উল্লেখ্য যে চতুৰ্থ বৰ্গৰ কৰ্মীৰ হতুৱাই ফোনপে যোগে ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। উন্নয়ন খণ্ডটিৰ ডাকাত ৯ গাঁও পঞ্চায়তৰ প্ৰাক্তন কাউঞ্চিলাৰ ৰিয়াজুল ইছলাম চৌধুৰী (বাবু)য়ে এই বিস্ফোৰক অভিযোগ তুলিছে। বিন্নাকান্দী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া নৱজিৎ বৰ্মন আৰু অভিযন্তা লৰেঞ্চ তেৰংঙে চতুৰ্থ বৰ্গৰ কৰ্মী নাছিৰ উদ্দিন চৌধুৰীৰ হতুৱাই যথে-মধে ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰে। তাৰ সমান্তৰালকৈ ফোনপে যোগে ধন সংগ্ৰহ কৰাৰ তথ্য ৰাজহুৱা কৰে প্ৰাক্তন' কাউন্সিলাৰ ৰিয়াজুল ইছলামে। উৎকোচ লোৱা খণ্ড উন্নয়ন বিষয়া আৰু অভিযন্ত্ৰাৰ লগতে চতুৰ্থ বৰ্গৰ কৰ্মীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈ দাবী জনায় চৰকাৰক। ইয়াৰ উপৰিও বিন্নাকান্দী উন্নয়ন খণ্ডত সংঘটিত হোৱা কোটি-কোটি টকাৰ দুৰ্নীতিৰ তথ্য ৰাজহুৱা কৰে প্ৰাক্তন কাউন্সিলাৰ গৰাকীয়ে। এতিয়া বিভাগীয় কৰ্তৃপক্ষই অভিযোগৰ কি ব্যৱস্থা লয় সময়ত লক্ষণীয় হ'ব।

## ৩২০০ মেগাৱাটৰ তাপবিদ্যুৎ

ঢাক-ঢোল বজাই প্ৰচাৰ কৰে। অথচ অসমৰ সৰ্ববৃহৎ এই বিদ্যুৎ উৎপাদন প্ৰকল্প স্থাপনৰ বিষয়ত মুখ্যমন্ত্ৰী ইমান মৌন কিয়? - এই তাৎপৰ্য্যপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। তেওঁৰ মতে, মুখ্যমন্ত্ৰীৰ এই মৌনতা কেৱল আশ্চৰ্যজনকেই নহয়, ৰহস্যজনকো। কিয়নো মুখ্যমন্ত্ৰীয়ে যোৱা ২ অক্টোবৰৰ দিনা নতুন দিল্লী আদানীৰ ঘৰলৈ গৈ উদ্যোগপতিগৰাকীক সাক্ষাৎ কৰিছিল। সেইদিনা তেওঁ কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ আৰু পিছদিনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিছিল। গতিকে কথাটো এনেকুৱা নেকি যে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক জীৱনলৈ অহা সংকট দূৰ কৰিবৰ বাবে তেওঁ আদানীৰ আশ্ৰয় লৈছে আৰু বিনিময়ত তাপবিদ্যুৎ স্থাপনৰ বাবে অসমৰ খিলঞ্জীয়া লোকৰ ৪৫০০ বিঘা মাটি আদানীক দিবলৈ তৎপৰ হৈছে চৰকাৰ। অৰ্থাৎ নিজৰ ৰাজনৈতিক ভৱিষ্যত সুৰক্ষা কৰিবলৈ খিলঞ্জীয়াৰ ভূমি আদানিৰ ওচৰত মুখ্যমন্ত্ৰীয়ে ওচৰ্গা কৰিবলৈ গৈ আছে নেকি এইটো আজিৰ তাৰিখৰ আটাতকৈ ডাঙৰ প্ৰশ্ন। গগৈয়ে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে যোৱা ২ অক্টোবৰত দিনৰ ১.৪০ বজাত নতুন দিল্লীৰ ভাগৰত দাস ৰোডত থকা আদানিৰ দিল্লীৰ বাসভৱনলৈ যায় আৰু আদানিয়ে মুখ্যমন্ত্ৰীৰ ২০ মিনিট বহুৱাই থৈ দিনৰ ২ বজাত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে। এই কথা এতিয়া দিল্লী আৰু অসমৰ ৰাজনীতিক তথা সংবাদ মাধ্যমৰ লোকসকলৰ মুখে মুখে। মুখ্যমন্ত্ৰীৰ উক্ত ভ্ৰমণ ইমান গোপন আছিল যে প্ৰথমাৱস্থাত কোনো সাংবাদিকে তাৰ খবৰ পোৱা নাছিল। সৰু বৰ সকলো কামৰ ফটো ছছিয়েল মিডিয়াত শ্বেয়াৰ কৰা মুখ্যমন্ত্ৰীয়ে উক্ত ভ্ৰমণৰ তথ্য গোপন কৰিলে কিয় বুলি প্ৰশ্ন তুলি গগৈয়ে কয় যে সেই কাৰণে মুখ্যমন্ত্ৰীৰ উক্ত কাৰ্য্যসূচীৰ ফটো আৰু ভিডিঅ কাৰো হাতত নাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰটোকল ভাঙি উদ্যোগপতিগৰাকীৰ ঘৰলৈ কিয় যাব লগা হ'ল বুলি প্ৰশ্ন তুলি গগৈয়ে কয় যে এই ভ্ৰমণৰ সৈতে নামনি অসমত স্থাপন কৰিবলগা তাপবিদ্যুৎ প্ৰকল্প আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক জীৱনলে অহা ধুমুহাৰ কিবা সম্পৰ্ক আছে নেকি সেয়া মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰা উচিত। আনহাতে, প্ৰস্তাৱিত তাপবিদ্যুৎ প্ৰকল্পটো অনুমোদন দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে নীতি নিয়ম উলংঘা কৰা বুলি উল্লেখ কৰি গগৈয়ে কয় যে এডভাণ্টেজ আছাম ২.০ত আদানি গ্ৰুপে কৰা ঘোষণা অনুসৰি তেওঁলোকে অসমত কৰিব খোজা ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ অংশ হিচাপে ২০ হাজাৰ কোটি টকাৰে উক্ত প্ৰকল্পটো আদানি গ্ৰুপে স্থাপন কৰিব খুজিছে। তাৰ বিৰোধিতা কৰাৰ প্ৰশ্ন নাহে, বৰং এইটো এটা ভাল পদক্ষেপ। কিন্তু তাকে কৰিবলৈ যাওঁতে ৰাজ্য চৰকাৰে খিলঞ্জীয়া জনসাধাৰণে বসতি কৰি থকা মাটি কিয় বাচি লৈছে। আনহাতে এই প্ৰকল্পটো অনুমোদন জনাওতে মাটি আৱণ্টনৰ পৰা আৰম্ভ কৰি সমগ্ৰ প্ৰক্ৰিয়াত ইমান খৰধৰ কৰিছে কিয়। কাৰণ পৰিৱেশ প্ৰভাৱ মূল্যায়ন আৰু ৰাজহুৱা জনশুনানি অনুষ্ঠিত নকৰাকৈ এনে প্ৰকল্প অনুমোদন কৰাটো বেআইনী। গগৈয়ে উল্লেখ কৰে যে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ঘৰলৈ গৌতম আদানি আৰু তেওঁৰ পুত্ৰ ২৮ ছেপ্টেম্বৰৰ দিনা আহিছিল। তাৰ পূৰ্বে গৌতম আদানীৰ পুত্ৰই ধুবুৰী আৰু কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি যায়। এইবোৰ চলি থকাৰ মাজতে হঠাতে ৰাজ্য চৰকাৰে ৩১ অক্টোবৰৰ দিনা উক্ত ৩২০০ মেগাৱাট ক্ষমতা সম্পন্ন তাপ বিদ্যুৎ প্ৰকল্প স্থাপনৰ অনুমোদন দিয়ে। গগৈৰ মতে, জুবিন গাৰ্গৰ ঘৰলৈ আহি আদানিয়ে অসমবাসীৰ মন জয় কৰিব খোজাৰ আঁৰত খিলঞ্জীয়া লোকৰ ৪৫০০ বিঘা মাটি সৰকোৱাৰ অংক জড়িত থকাটো দুৰ্ভাগ্যজনক। গগৈয়ে কয় যে ৰাজ্যখনত শক্তি প্ৰকল্প স্থাপন হওক। আমি আদৰণি জনাইছো আৰু জনাই যাম। কিন্তু খিলঞ্জীয়া লোকৰ ভূমি উচ্ছেদ কৰি নহয়। অসমৰ পৰিবেশতন্ত্ৰ বিনষ্ট নকৰাকৈ, অত্যাধুনিক প্ৰযুক্তিৰে আদানিয়ে আৰু প্ৰকল্প স্থাপন কৰক, আমি স্বাগতম জনাম। কিন্তু অসমবাসীক আন্ধাৰত ৰাখি নহয়। অসমৰ মুখ্যমন্ত্ৰীয়ে আদানিৰ ঘৰলৈ গৈ প্ৰকল্প অনুমোদনৰ পাছত কি আলোচনা কৰিলে সেয়া জনাৰ অধিকাৰ অসমবাসীৰ আছে। আদানিৰ প্ৰকল্পই ইতিমধ্যে বিহাৰ নিৰ্বাচন তোলপাৰ লগাই থকা সময়তে পোৱা তথ্য মতে ধুবুৰীত হোৱা উচ্ছেদিত ভূমিত স্থাপন হবলগীয়া আদানি পাৱাৰৰ ৩২০০ মেগাৱট শক্তি সম্পন্ন থাৰ্মেল পাৱাৰ প্ৰজে"টোৰ যোৱা এটা মাহতে সকলো অনুমোদন প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে। যোৱা ২৮ ছেপ্তেম্বৰত গৌতম আদানি অসমৰ হিয়া আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ লবলৈ কাহিলীপাৰাৰ বাসগৃহত উপস্থিত হয়। ইয়াৰ পিছতে ৩ অক্টোবৰত এই প্ৰকল্পটোৰ নিবিদা প্ৰক্ৰিয়া সম্পন্ন হয় আৰু আদানি পাৱাৰে প্ৰকল্পটো নিবিদাযোগে লাভ কৰে। ১৫ অক্টোবৰত এপিডিচিএলৰ বৰ্ড মিটিঙযোগে যাৱতীয় অনুমোদ হয় প্ৰকল্পটোৰ। সেয়াই নহয়, ১৭ অক্টোবৰত ৰেগুলেটৰী কমিচনে প্ৰথম শুনানি গ্ৰহণ কৰি ২২ অ'ৌবৰত আদানি পাৱাৰৰ প্ৰস্তাৱিত বিদ্যুত মূল্যত চীল মোহৰ মাৰি চূড়ান্ত ৰায়দান কৰে আৰু ২৫ অক্টোবৰত ৰেগুলেটৰী কমিচনৰ অধ্যক্ষ কুমাৰ সঞ্জয় কৃষ্ণই নিজ কাৰ্যকাল সমাপ্ত কৰি বিদায় লয়। সমগ্ৰ প্ৰক্ৰিয়াটোৰ ক্ৰনলজীটো মন কৰিবলগীয়া। আমাৰ প্ৰশ্ন হল সম্পূৰ্ণ এমাহ নলগাকৈয়ে ৩২০০ মেগাৱত শক্তি সম্পন্ন বিদ্যুত প্ৰকল্পৰ দৰে বৃহৎ প্ৰকল্প এটাৰ অনুমোদন কিয় কৰা হল? তাকো থাৰ্মেল পাৱাৰ প্ৰজেক্ট? খৰখেদাকৈ কৰক, আমাৰ তাতো আপত্তি নাই, কিন্তু সমগ্ৰ অসমবাসীক অন্ধকাৰত ৰখা হৈছে কিয়? প্ৰকল্পটোৰ বাবে ৰাজহুৱা শুনানি, পৰিৱেশতন্ত্ৰৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পকীয় অধ্যয়ন আদি কেতিয়া কৰা হ'ল? এই প্ৰকল্পটোৰ ক'ল লিংকেজ লাভ কৰিছে নেকি? অসমত বন্ধৰ দিন এটাও কেবিনেটত অনুমোদন লৈ ঘোষণা কৰাৰ সময়ত, মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত উন্নয়নৰ গংগা বোৱাই অনা বাতৰি ঘণ্টাই ঘণ্টাই দি থকাৰ সময়ত বিকাশ আৰু বিনিয়োগৰ এই বৃহৎ খবৰ ৰাজহুৱা কৰাৰ পৰা কিয় বিৰত আছে আমি বুজি পোৱা নাই! নে গোপন ৰহস্য কিবা আছে? মুখ্যমঞ্ৰীয়ে ইমান বৃহৎ উপহাৰ দি আদানিৰ বাসগৃহলৈ গৈ ফটো এখনো ৰাজহুৱা নকৰাতহে আমি আচৰিত হৈছো। আদানিক সাক্ষাতৰ পূৰ্বে ঝাৰখণ্ডৰ বিজেপি সাংসদ নিশিকান্ত ডুবেক ক'ল লিংকেজ নিশ্চিত কৰাৰ বাবে সাক্ষাৎ কৰিছিল নেকি? মনত ৰখা ভাল যে নিশিকান্ত ডুবেৰ সমষ্টিতে গোড্ডাতে বৃহৎ কয়লা ভাণ্ডাৰ ৰাজমহল ক'ল ফিল্ড অৱস্থিত। যি মুক্ত কয়লা খনন প্ৰকল্পৰ পৰা ফাৰাক্কা থাৰ্মেল প্ৰজেক্টৰ কয়লা যোগান ধৰা হয়। ঝাৰখণ্ডৰ পৰা কয়লা ধুবুৰীলৈ আনি আদানিয়ে আকৌ পৰিবহণ ৰাজসাহায্য লাভ কৰিব নেকি? বিদ্যুত নাটনি হ্ৰাস কৰাৰ নামত? এই কথাবোৰো মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা কৰিলে ৰাজ্যবাসী আশ্বস্ত হব। লগতে আদানিৰ প্ৰকল্পৰ পৰা অসমে বিদ্যুত কি দৰত লাভ কৰিব সেয়া জনাৰ অধিকাৰো অসমবাসীৰ আছে। কথাবোৰ মুকলি কৰক মুখ্যমন্ত্ৰী ডাঙৰীয়া, আদানিৰে গোপন কথা বতৰাবোৰ, আদানিক এমাহে বৃহৎ প্ৰকল্প এটা উপহাৰ আপোনাৰ চকীখন বচাবলৈ দিলে নেকি? নে বৰঝাৰ বিমান বন্দৰত আদানিক দিয়া আনটো উপহাৰৰ সময়ত প্ৰতিবাদ হোৱাৰ আশংকাত আপুনি থাৰ্মেল প্ৰকল্পটোৰ বিষয়ে মৌন হৈ আছে?

## বাক্সাৰ উত্তৰাঞ্চলত বনৰীয়া হাতীৰ সন্ত্ৰাসে নিদ্ৰা হৰিছে ৰাইজৰ

**অসম বাৰ্তা, বাগানপাৰা, ৭ নৱেম্বৰ ঃ** বাক্সা জিলাৰ বাগানপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত খৈৰাণী, বৰিকাদঙা, শিমলাবাৰীকে ধৰি উত্তৰাঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ আজিও অব্যাহত আছে। সন্ধিয়া হ'লে খাদ্যৰ সন্ধানত নামি অহা বনৰীয়া হাতীৰ জাকে প্ৰতিদিনে উপদ্ৰৱ চলাই আহিছে। প্ৰায় ডেৰশতকৈ অধিক বনৰীয়া হাতীৰ জাকটো ইয়াৰ আশে-পাশে আজিও বিচৰণ কৰি আছে। বনৰীয়া হাতীৰ উপদ্ৰৱ তথা আক্ৰমণত ইয়াৰ ৰাইজৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। ফলস্বৰূপে হাতী খেদা বা পহৰা দিয়াৰ বাবে উজাগৰি নিশা কটাবলগীয়া হৈছে। বাক্সা জিলাৰ উত্তৰাঞ্চল বিশেষকৈ খৈৰাণী, বৰিকাদঙা, শিমলাবাৰী, কদমতলা, গেৰুৱা, গোৱালবিল, জাৰতালুক আদি অঞ্চলত বিগত কেইমাহ ধৰি উপদ্ৰৱ চলাই আহিছে। খৈৰাণী গাঁৱৰ কেইবাটাও পৰিয়ালৰ তামোলৰ গছ ভাঙি ক্ষতি সাধন কৰিছে। কিছুদিন পূৰ্বে খৈৰাণী গাঁৱৰ কেইবাটাও পৰিয়ালৰ তামোলৰ গছ ভাঙি উপদ্ৰৱ চলোৱাৰ উপৰিও ঘৰ দুৱাৰ ভাঙি, ভঁৰালৰ ধান চাউল খাই তহিলাং কৰিছে। আজি কিছুদিন আগেয়ে শিমলাবাৰী, বৰিকাদঙা গাঁৱতো ধান খেতিৰ বিস্তৰ ক্ষতি সাধন কৰিছে। বনৰীয়া হাতীৰ জাকে পূৰ্বতে ১৪ ছেপ্টেম্বৰত পাগলাদিয়াপাৰ মাধ্যমিক বিদ্যালয়ৰ ৰান্ধনী ঘৰৰ পকী বেৰ ভাঙি ক্ষতি সাধন কৰাৰ পিছত বিদ্যালয় কৰ্তৃপক্ষই ৰান্ধনী ঘৰটো বাঁহৰ বেৰ দি কাম চলাই আছিল যদিও কালি নিশা প্ৰায় ২টামান বজাত বনৰীয়া হাতীয়ে পুনৰ ৰান্ধনী ঘৰটো ভাঙি লণ্ডভণ্ড কৰাৰ লগতে চাউল ৰখা ঘৰৰ পিছফালৰ পকী বেৰ ভাঙি মজুত থকা ৬/৭ বেগ চাউল খাই শেষ কৰে। বাক্সা জিলাৰ উত্তৰাঞ্চলত প্ৰতিদিনে হাতী মানুহৰ সংঘাত হৈ আহিছে। মানুহৰ সা-সম্পত্তি, তামোলৰ গছ, ধান খেতিৰ ক্ষতি সাধন কৰি আহিছে। আনহাতে বন বিভাগৰ বিষয়া সকলে ঠায়ে ঠায়ে হাতীয়ে উপদ্ৰৱ চলাই থকা ঠাই সমূহত পহৰা দি আহিছে যদিও ফলপ্ৰসূ ধৰণে কাৰ্য সম্পাদন কৰিবলৈ ব্যৰ্থ হৈ পৰিছে। এইক্ষেত্ৰত চৰকাৰ তথা প্ৰশাসনিক বিষয়া সকলৰ আগমন হ'ব লাগিছিল। কিয়নো এয়া বিগত বছৰ ধৰি চলি অহা এক জ্বলন্ত সমস্যা। কিন্তু বিভাগীয় কৰ্তৃপক্ষ ই এইক্ষেত্ৰত উচিত ব্যৱস্থা লোৱা দেখা নাই। ফলস্বৰূপে অঞ্চলবাসীৰ বাবে এক চিৰস্থায়ী জ্বলন্ত সমস্যা হৈ পৰিছে। প্ৰতিদিনে হাতী মানুহৰ সংঘাতত জনসাধাৰণৰ মনত দুখ তথা এক কষ্টকৰ পৰিৱেশে বিৰাজ কৰিছে।

শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে লৌহপুৰুষৰ আদৰ্শৰে উদ্বুদ্ধ দেশপ্ৰেমমূলক নাট মঞ্চস্থ

# লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ তম্ জন্মজয়ন্তী উপলক্ষে শিৱসাগৰত পদযাত্ৰা

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৭ নৱেম্বৰ ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সক্ৰিয় যুঁজাৰু, ভাৰতৰত্ন, লৌহপুৰুষ, ৰাষ্ট্ৰৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ ক্ষেত্ৰত বলিষ্ঠ ভূমিকা পালন কৰা চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০তম জন্মজয়ন্তীৰ উপলক্ষে আজি শিৱসাগৰত জিলাভিত্তিত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। লৌহপুৰুষ গৰাকীৰ জন্মজয়ন্তী উদযাপন উপলক্ষে স্থানীয় যুৱদলৰ সন্মুখৰ পৰা ঐতিহাসিক বৰপুখুৰীৰ চাৰিও কাষে এক বিশাল পদযাত্ৰা (Unity March) উলিওৱা হয়। ডিমৌ বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে ফ্লেগ অফ কৰি শুভাৰম্ভ কৰা এই পদযাত্ৰাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভাশীষ বৰুৱা প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভাগীয় বিষয়াবৰ্গ, আৰক্ষী বাহিনী, লিগিৰীপুখুৰী স্থিত প্ৰথম অসম আৰক্ষী বেটেলিয়ন (Assam Police Battelion)ৰ বেণ্ড প্লেটুন, অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ স্বেচ্ছাসেৱীসক, মহাবিদ্যালয়সমূহৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্যসকল, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা




অভিযানৰ সদস্যসকল, সমাজকৰ্মী আৰু স্থানীয় ৰাইজে উৎসাহপূৰ্ণভাৱে অংশগ্ৰহণ কৰে। পদযাত্ৰাৰ সফল সমাপনৰ পাছতে যুৱদল প্ৰেক্ষাগৃহত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰি তেখেতৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। ডিমৌৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে অনুষ্ঠানত প্ৰদান কৰা ভাষণত ভাৰতৰ স্বাধীনতা আন্দোলনত চৰ্দাৰ পেটেলৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি ৰাষ্ট্ৰ নিৰ্মাণত তেখেতৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ সকলোকে চৰ্দাৰ পেটেলৰ আদৰ্শৰে উদ্বুদ্ধ হৈ এখন শক্তিশালী আৰু কল্যাণকামী ৰাষ্ট্ৰ নিৰ্মাণৰ দিশে আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰাই অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে। জন্মজয়ন্তীৰ লগত সংগতি ৰাখি লৌহপুৰুষ গৰাকীৰ আদৰ্শৰে উদ্বুদ্ধ এখন দেশপ্ৰেমমূলক নাটো মঞ্চস্থ কৰা হয়। যুৱদলত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীত যশস্বী ক্ৰীড়াবিদ অৰ্জুন ভোগেশ্বৰ বৰুৱাদেৱক আনুষ্ঠানিকভাৱে জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। আনহাতে, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ সব্যসাচী মহন্তই অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ কৰ্ম আৰু জীৱন-দৰ্শনৰ ওপৰত আলোকপাত কৰি এক মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ তৰফৰ পৰা আজিৰ অনুষ্ঠানৰ অংশস্বৰূপে যুৱদল প্ৰাংগনত দুখনি প্ৰদৰ্শনীমূলক বিপনীৰ আয়োজন কৰা হয়। জিলা পৰ্যায়ৰ কাৰ্যসূচীৰ অংশস্বৰূপে স্থানীয় কলা বিথিকা প্ৰাংগনত গছপুলি ৰোপণ কৰাৰ লগতে চাফাই অভিযান সম্পন্ন কৰা হয়। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত আয়ুষ গৰ্গ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, জিলা পৰিষদৰ সভানেত্ৰী অনিমা চুংক্ৰাং, বিশিষ্ট সমাজকৰ্মী বিতোপন ৰাইদিঙীয়া, ডিমৌৰ সম-জিলা আয়ুক্ত মীনাক্ষী পেৰ্মে, অতিৰিক্ত জিলা আয়ুক্ত গীতালী দুৱৰা, লুকুমণি বড়া আৰু গৌৰীপ্ৰিয়া দেউৰী, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নেকিব চাঈদ বৰুৱা, সহকাৰী আয়ুক্তসকল ক্ৰমে শুভজিত খাউণ্ড, নিমাশ্ৰী ডাউকা, পৰিস্মিতা দিহিঙ্গীয়া, বিদিশা শইকীয়া প্ৰমুখ্যে জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

পৰম্পৰাগত ৰাম-কথাক ঐতিহাসিক প্ৰেক্ষাপটত ন-কৈ আৱিষ্কাৰ কৰা চেষ্টা লেখকৰ

# ড° মাধুৰ্যমণ্ডিত বৰুৱাৰ নৱতম উপন্যাস 'দাশৰথিদশগ্ৰীৱ'উন্মোচন আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ

"সাহিত্যৰ প্ৰতিটো উপাদানেই হৈছে সমাজ সংস্কাৰ আৰু ব্যক্তি জীৱনত দিয়া খোৰাকৰ বাৰ্তা"

**অসম বাৰ্তা, উজনী মাজুলী, ৭ নৱেম্বৰ ঃ** প্ৰকৃতাৰ্থত ক'বলৈ গ'লে এখন উপন্যাসে এখন নাটকৰ পৰিচয় দাঙি ধৰে। দেখাত উপন্যাসখনত আংগিক আৰু আহাৰ্য্য নাই। কিন্তু উপন্যাস খনে নাটকখনৰ হুবহু পৰিচয় দাঙি ধৰে। সেয়ে এক কথাত ক'বলৈ গ'লে নাটকৰ সংস্কৰণেই হ'ল উপন্যাস। কালি অৰ্থাৎ ৬ নৱেম্বৰত আউনীআটী সত্ৰৰ ৰাসোৎসৱৰ এক অনুষ্ঠানত বিশিষ্ট লেখক, গৱেষক তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাৰ নৱতম উপন্যাস 'দাশৰথিদশগ্ৰীৱ' উন্মোচন কৰি আউনীআটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে এনেদৰে কয়। তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে আমাৰ সমাজত সাহিত্যৰ বিবিধ ৰচনা আছে আৰু সন্ত পুৰুষ সকলে সেই সাহিত্যৰ আধাৰত বিভিন্ন শ্ৰেণীৰ লোকক মনোৰঞ্জন দি আহিছে। আজি আধুনিক যুগত কোনোবাই হয়টো উপন্যাস পঢ়ি ভালপায়, কোনোবাই হয়টো চুটি গল্প পঢ়ি ভালপায় গতিকে সেই সেই ক্ষেত্ৰত গুৰুত্ব দি আগবাঢ়িছে। সেয়ে সাহিত্যৰ প্ৰতিটো উপাদানেই হৈছে সমাজ সংস্কাৰ আৰু ব্যক্তি জীৱনত দিয়া খোৰাকৰ বাৰ্তা বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় ড° মাধুৰ্যমণ্ডিত বৰুৱাৰ দাশৰথিদশগ্ৰীৱ উপন্যাস খনে আজিৰ পৰা বহু হাজাৰ যুগৰ চৰিত্ৰৰ কথা কৈছে। আমি এই কথাও আশা কৰিছোঁ বহু পুৰণি ইতিহাসৰ কথা উপন্যাস খনে দাঙি ধৰিলেও ই আমাক দিব সচেতনতাৰ বাৰ্তা, দিব ভৱিষ্যতৰ বতৰা আৰু শান্তি-সম্প্ৰীতিৰ বাৰ্তা দিব বুলি তেওঁ উল্লেখ কৰে। তেওঁ ড° মাধুৰ্যমণ্ডিত বৰুৱাৰ ব্যক্তিত্বকো উচ্চ প্ৰশংসা কৰি উপন্যাস খনে সকলোৱে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। ইফালে একাৱনটা অধ্যায়ৰ আৰু ১৪২টা উপ অধ্যায়ৰ ৫৪১ পৃষ্ঠাৰ গুৱাহাটীৰ ৰেখা প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা নিজৰ উপন্যাস দাশৰথিদশগ্ৰীৱৰ সন্দৰ্ভত ড° মাধুৰ্যমণ্ডিত বৰুৱাই বক্তব্য দাঙি ধৰি কয় উপন্যাসখনত পৰম্পৰাগত ৰাম-কথাক ঐতিহাসিক প্ৰেক্ষাপটত ন-কৈ আৱিষ্কাৰ কৰিব। গতানুগতিক ৰামায়ণকেন্দ্ৰিক কাহিনীৰ আধাৰতে



হ'লেও দাশৰথিদশগ্ৰীৱ-ত ৰাৱণ হৈ উঠিছে মূল্যবোধৰ জীৱন-যাপনৰ বাবে উন্মুখ এটা নব্য চৰিত্ৰ। উপন্যাসখনত ৰাৱণ চৰিত্ৰই এক অন্য ৰূপত আত্মপ্ৰকাশ কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় পৰম্পৰাগত নিষ্ক্ৰীয়তাক অতিক্ৰম কৰি ৰাম কিছু কিছু ক্ষেত্ৰত প্ৰতিবাদী সত্তাত পৰিণত হৈছে। ভাৰতবৰ্ষ আৰু শ্ৰীলঙ্কাৰ প্ৰায় পাঁচ হাজাৰ বছৰৰ আগৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনক খনন কৰি উপন্যাসখনত ঔপন্যাসিকৰ নিজা দৃষ্টিভঙ্গীৰে উপস্থাপনৰ যত্ন কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় কোনোটো চৰিত্ৰই কাল্পনিক হৈ থকা নাই। পুনৰ্নিৰ্মাণ পদ্ধতিৰে ৰাম-কথাক সম্পৰীক্ষাৰ মাজলৈ নিবলৈ ইচ্ছা নকৰাকৈয়ো ই এক নব্য সংৰচনাৰূপে লিপিবদ্ধ হৈ গৈ আছে সম্পূৰ্ণ স্বাধীনভাৱে। কোনো গতিৰোধক আৰু সীমাৰ প্ৰাচীৰ আৰোপ নকৰাকৈয়ো। যত্ন কৰা হৈছে ৰাম আৰু ৰাৱণক বিজ্ঞানসন্মত আৰু মনস্তাত্ত্বিক দৃষ্টিভঙ্গীৰে চাবলৈ ঐতিহাসিক বাস্তৱতাৰ আধাৰত উপন্যাসখনৰ কাহিনীবস্তু বিবৃত হৈছে। প্ৰত্যেক চৰিত্ৰকে মুক্তমনে বিচৰণৰ সুযোগ দি ৰামকথাক নতুন আলোকেৰে চোৱাৰ চেষ্টা উপন্যাসখনৰ মাজেৰে কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অধ্যাপক তুলসী ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানত সাংস্কৃতিক কৰ্মী ৰঞ্জিত কুমাৰ ভূএগৰ লগতে সত্ৰৰ বহুকেইগৰাকী শিল্পী, জ্যেষ্ঠ বৈষ্ণৱ উপস্থিত থাকে।

আৰক্ষীয়ে আটক কৰে গৰু চোৰৰ চৰ্দাৰ কলিয়া সহ পাঁচটাকৈ গৰু চোৰক

# শিমলুগুৰি তেতেলিগুৰিত গৰু চোৰৰ ঘাটিত দহটাৰো অধিক চুৰি গৰু উদ্ধাৰ

**অসম বাৰ্তা, নামতি, ৭ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেতেলিগুৰি অঞ্চলত কালি কেইবাখনো থানাৰ বৃহৎ সংখ্যক আৰক্ষী দল এটাই অভিযান চলাই আজাদ আলী ওৰফে কলিয়া নামৰ ব্যক্তিজনৰ গৃহৰ পৰা দহটা চুৰি গৰু উদ্ধাৰ কৰাৰ লগতে বিলাসী বাহন জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি নাজিৰা সমজিলাৰ বিভিন্ন অঞ্চলৰ লগতে কাষৰীয়া গ্ৰামাঞ্চল আদিতো গৰু চোৰে এক সন্ত্ৰাস সৃষ্টি কৰিছিল। চুৰি গৰু মজুতকৰণৰ ঘাটি হিচাপে চিহ্নিত নাজিৰা সমজিলাৰ শিমলুগুৰিৰ সমীপৰ তেতেলিগুৰিৰ পৰাই নিয়ন্ত্ৰণ হয় বিভিন্ন অঞ্চলৰ গৰু চুৰি কাৰ্য। অঞ্চলটোৰ আজাদ আলী ওৰফে কলিয়া আৰু হাচিনুৰ ৰহমান নামৰ এই দুটা গৰু চোৰৰ চৰ্দাৰে দীৰ্ঘদিনে সমগ্ৰ শিৱসাগৰ জিলাতেই গৰু চুৰিৰ কাৰ্যত বহু সংখ্যক যুৱকক নিয়োগ কৰি প্ৰতি দিনাই বিশৰ পৰা ত্ৰিশটা লৈকে বিলাসী বাহনত সৰু বৰ গৰু চুৰি কৰি আনি তেতেলিগুৰিৰ দুই গৰু চোৰৰ চৰ্দাৰৰ গৃহৰ কাষত আছুতীয়াকৈ নিৰ্মাণ কৰা গৃহত ৰাখে বুলি স্থানীয় লোকে অভিযোগ কৰি আহিছিল। অভিযোগ মতে গৰু চুৰিৰ কাৰ্যত নিয়োগ কৰা যুৱক সকলক প্ৰতিটো গৰুৰ বাবদ দুই তিনি হাজাৰ টকাকৈ দিয়ে গৰু চোৰৰ চৰ্দাৰে। ইফালে গৰু চুৰি কাৰ্যত ব্যৱহাৰ কৰিবলৈ আজাদ আলী ওৰফে কলিয়া আৰু তেওঁৰ পুত্ৰই কেইবাখনো বিলাসী বাহন ক্ৰয় কৰে কম মূল্যত। এই বিলাসী বাহন সমূহতেই প্ৰতিদিনাই নাজিৰাকে ধৰি বিভিন্ন অঞ্চলৰ পৰা নিতৌ চুৰি গৰু আনি তেতেলিগুৰিত মজুত কৰি ইয়াৰে কিছু সংখ্যক গৰু কাটি মাংস শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইত বিক্ৰী কৰাৰ লগতে আন কিছুমান গৰু গোটে গোটে নগাঁৱৰ মিঞা বেপাৰীক বিক্ৰী কৰে বুলি জানিব পৰা গৈছে। দিনক দিনে বৃদ্ধি পোৱা এই গৰু চুৰিৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় আৰক্ষী বিফল হোৱাত গৰু চোৰৰ চৰ্দাৰে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নিৰ্ভয়ে গৰু চুৰি কাৰ্য চলাই যায়। জনা মতে গৰু চুৰিৰ কাৰ্যত জড়িত চোৰৰ বিলাসী বাহনত চোকা অস্ত্ৰ আদিও থকাৰ বাবে বহুলোকে দেখা পাইও খেদি গৈ ধৰিবলৈ সাহস নকৰে। ইফালে অঞ্চলটোত গাঁওৰক্ষী বাহিনীৰ লোক থকাৰ পিছতো অঞ্চলটোত প্ৰতি নিশা চুৰি গৰু সমূহ কেনেদৰে আনে সেইটোও সন্দেহাতীত। এশ গৰু মাৰিলে বাঘৰো মৰণৰ দৰে এই বাৰ আৰক্ষীৰ জালত পৰে আজাদ আলী ওৰফে কলিয়াসহ কেইবাটাও গৰু চোৰ। জানিব পৰা মতে দুই এদিন পূৰ্বে নাজিৰা সমজিলাৰ নামটি আৰক্ষীয়ে বিলাসী বাহনসহ গৰু চোৰ আটক কৰি জেৰা চলাই ইয়াৰে আঁত ধৰি আজি পুৱাই নাজিৰা মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত নাজিৰা আৰু নামতি আৰক্ষী থানাৰ লগতে শিমলুগুৰি আৰক্ষী থানাৰ বৃহৎ আৰক্ষী দল এটাই তেতেলিগুৰিৰ আজাদ আলী ওৰফে কলিয়াৰ গৃহত অৰ্তকিৰ্তে অভিযান চলাই। কলিয়াৰ গৃহৰ গাতে লাগি থকা লোহাৰ ডেম্পত সংলগ্ন গৃহ এটাত এজনী জাৰ্চী গাইসহ আঠটা গৰু উদ্ধাৰ কৰাৰ লগতে সমীপৰ এটা গৃহৰ পৰা দুটা গৰু পোৱালিৰ সৈতে মুঠ দহটা গৰু উদ্ধাৰ কৰে। ইফালে কলিয়াৰ গৃহৰ কাষৰ এটা বাঁহৰ ঘৰত নিশা গৰু চোৰ কৰি আহি শুই থকাৰ অৱস্থাত আঠটা গৰু চোৰৰ ভিতৰত পাঁচটা গৰু চোৰক ধৰিবলৈ সক্ষম হয় যদিও ইয়াৰে তিনিটা পলাই সাৰে। চোৰৰ দলটোৰে এটা চোৰ পুখুৰীত জাপ দি লুকাবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে পুখুৰীৰ পৰা ধৰি আনে। আনহাতে গৰু চোৰৰ চৰ্দাৰ আজাদ আলী ওৰফে কলিয়াৰ গৃহৰ পৰা ছয়খন চাৰিচকীয়া বিলাসী বাহন, পাঁচখন দুচকীয়া বাহন জব্দ কৰাৰ লগতে আনটো গৰু চোৰৰ চৰ্দাৰ হাচিনুৰ ৰহমানৰ এখন চাৰিচকীয়া বিলাসী বাহন আৰু এখন ৰয়েল এনফিল্ড মটৰচাইকেল জব্দ কৰি থানালৈ লৈ যায়। এগৰাকী মহিলাসহ আটক কৰা পাঁচটাটা গৰু চোৰ ক্ৰমে - চাজু আলী, ফয়জুদ্দিন, ৰফিক আলী, আচিছ আলী আৰু নেকিব আলী। ইফালে গৰু চোৰৰ চৰ্দাৰ ৰূপে পৰিচিত আজাদ আলী ওৰফে কলিয়াক আৰক্ষীয়ে খেদি গৈ তেতেলিগুৰিৰ দিখৌ নদীৰ কাষৰ পৰা আটক কৰি গাড়ীত ভৰাই খৰখেদাকৈ থানালৈ লৈ যায়। ইফালে আৰক্ষীৰ সন্মুখতেই স্থানীয় একাংশ লোকৰ লগতে এগৰাকী মহিলাই একাংশ আৰক্ষীৰে গৰু চোৰৰ সৈতে মিতিৰালি থকাৰ বাবেই গৰু চুৰিৰ ঘটনা বৃদ্ধি পাব ধৰিছে বুলি মুকলি অভিযোগ কৰে। কিয়নো গৰু চুৰিৰ ঘটনাত জড়িত থকাৰ অভিযোগত আজাদ আলী ওৰফে কলিয়া আৰু তেওঁৰ পুত্ৰৰ লগতে হাচিনুৰ ৰহমান নামৰ গৰু চোৰৰ চৰ্দাৰটোকো কেইবাবাৰো আৰক্ষীয়ে ধৰি নিয়ে যদিও পুনৰ মুকলি হৈ আছে।

কোনে পাব টিকট ? আৰম্ভ হৈছে বিজেপিৰ কুচকাৱাজ

# '২৬ৰ নিৰ্বাচন সমাগত; শিৱসাগৰ সমষ্টিত প্ৰাৰ্থীত্বপ্ৰয়াসীৰ ভিৰ

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৭ নৱেম্বৰ ঃ** বিধানসভা নিৰ্বাচন সমাগত। কংগ্ৰেছ আৰু বিজেপি উভয়ে ৰাজ্যিকৰ পৰা জিলা সমিতিলৈকে পুনৰ গঠন কৰি শক্তিশালী ৰূপত এই নিৰ্বাচনত অৱতীৰ্ণ হ'ব বিচাৰিছে। ইতিমধ্যে ৰাষ্ট্ৰীয় বিজেপিয়ে জিলা সভাপতি দিলীপ শইকীয়াৰ নেতৃত্বত সমাগত অসম বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ আখৰা অব্যাহত ৰাখিছে। সমান্তৰালভাৱে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়েও সাংসদ গৌৰৱ গগৈৰ নেতৃত্বত ছ'ৰ বিধানসভা নিৰ্বাচনত জয়ী হোৱাৰ মন মেলিছে। একেদৰে আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদ, ৰাইজৰ দল, এআইইউডিএফ, অসম জাতীয় পৰিষদ, বিপিএফ, ইউপিপিএল আৰু বাঁও দলসমূহেও এই নিৰ্বাচনত দুটা ৰাষ্ট্ৰীয় দলৰ কাষত থিয় দি নিৰ্বাচনত জয়ী হোৱাৰ পৰিকল্পনা কৰিছে। বৰ্তমান শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে উজনি অসমৰ প্ৰায় ৩৫খন আসনক লক্ষ্য কৰি নিৰ্বাচনী সমীকৰণ আৰম্ভ কৰিছে। উজনি অসমৰ পৰা সৰ্বাধিক আসন দখল কৰিবলৈ সক্ষম হ'লে যি কোনো এটা দলৰ বাবে চৰকাৰ গঠন কৰাৰ পথ সহজ হৈ পৰিব। সেইবাবে অসম বিজেপিয়ে উজনি অসমত সাংগঠনিক ভেটি শক্তিশালী কৰাৰ চেষ্টা অব্যাহত ৰখাৰ লগতে ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃত্বক উজনিৰ ৰাজনৈতিক ক্ষেত্ৰখনত দলটোৰ হৈ প্ৰচাৰ চলোৱা আৰু দলটোৰ নীতিসমূহক জনসাধাৰণক অৱগত কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। একেদৰে কংগ্ৰেছেও উজনি দখল কৰাৰ পৰিকল্পনা অব্যাহত ৰাখিছে। বৰ্তমান বিজেপিৰ দখলত থকা সমষ্টিসমূহত কংগ্ৰেছৰ পতাকা উৰুৱাবলৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে এক নতুন পৰিকল্পনাৰে আগবাঢ়িছে। আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰভাৱ এতিয়া ঐতিহাসিক শিৱসাগৰ জিলাখনত বাৰুকৈয়ে পৰিছে। এসময়ৰ কংগ্ৰেছৰ দুৰ্গখ্যাত অবিভক্ত শিৱসাগৰ জিলাৰছটা বিধানসভাৰ ভিতৰত বৰ্তমান তিনিটা বিজেপিৰ দখলত থকাৰ লগতে কংগ্ৰেছ, অগপ আৰু ৰাইজৰ দলৰ হাতত এটাকৈ সমষ্টি আছে। বৰ্তমান আমগুৰি সমষ্টি বিলুপ্ত হোৱাৰ পিছত বিশেষকৈ শিৱসাগৰ জিলাখনৰ ডিমৌ, নাজিৰা আৰু শিৱসাগৰ সদৰ বিধানসভা সমষ্টিত বিজেপিৰ পৰা প্ৰাৰ্থিত্ব বিচৰা প্ৰাৰ্থীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। শিৱসাগৰ সদৰ সমষ্টিটোত ইতিমধ্যে বিজেপিৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীৰ ভিতৰত আছে প্ৰাক্তন বিধায়ক কুশল দুৱৰী, বিনীতা শইকীয়া দে', বৰ্তমানৰ বিজেপিৰ শিৱসাগৰ জিলা সভাপতি বিতোপন ৰাইদঙীয়া, বিজেপি কৰ্মী সুৰভী ৰাজকুঁৱৰী, ন-বিজেপি সমীৰ গগৈ, অংকিতা গগৈ, যুৱ সমাজকৰ্মী লাচিত গগৈ আদি। থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমান অসম নগৰ পয়প্ৰণালী খোৱাপানী যোগান বিভাগৰ অধ্যক্ষ কুশল দুৱৰীয়ে এইবাৰ শিৱসাগৰ সদৰ বিধানসভা সমষ্টিটোত বিজেপিৰ প্ৰাৰ্থিত্ব লাভ কৰাৰ আশা কৰিছে। যাৰ বাবে যোৱা এটা বছৰে কুশল দুৱৰীয়ে শিৱসাগৰ বিধানসভা সমষ্টিটোত বিভিন্ন সামাজিক অনুষ্ঠানৰ লগতে ক্ৰীড়াক্ষেত্ৰ তথা ৰাইজৰ সৈতে একাত্ম হ'বলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে। আনগৰাকী মহিলা প্ৰাৰ্থিত্বৰ দাবীদাৰ হ'ল বিনীতা শইকীয়া দে'। দীৰ্ঘসময় ধৰি বিজেপিৰ সৈতে জড়িত থকা বিনীতা শইকীয়া দে' বৰ্তমান ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য আৰু যোৰহাট জিলাৰ বিজেপিৰ সহ প্ৰভাৰী। ২০১৬ আৰু ২০২১ চনৰ বিধানসভা নিৰ্বাচনত শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টিৰ পৰা তেওঁ আছিল এগৰাকী প্ৰাৰ্থিত্বৰ সবল দাবীদাৰ। ইয়াৰ লগতে উত্থাপন হৈছে বৰ্তমান শিৱসাগৰ জিলা বিজেপিৰ সভাপতি বিতোপন ৰাইদঙীয়াৰ নাম। যিহেতু বিতোপন ৰাইদঙীয়াই ২০০৬ চনত শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা বিজেপিৰ তৰফৰ পৰা দলীয় প্ৰাৰ্থিত্ব আগবঢ়াইছিল। যোৱা প্ৰায় কুৰিটা বছৰে বিজেপিৰ বিভিন্ন পদবীত থাকি দলৰ হৈ কাম কৰি অহা বিতোপন ৰাইদঙীয়া ছ'ৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ শিৱসাগৰ বিধানসভা সমষ্টিৰ এগৰাকী অন্যতম সম্ভাব্য প্ৰাৰ্থী। বিতোপন ৰাইদঙীয়াৰ সমৰ্থকসকলে তেওঁ দলীয় প্ৰাৰ্থিত্ব লাভ কৰাৰ আশা কৰিছে। বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈৰ পুত্ৰ তথা ন-বিজেপি সমীৰ গগৈয়েও প্ৰাৰ্থীত্ব লাভৰ ক্ষেত্ৰত আশাবাদী। দলীয় কাৰ্যসূচীসমূহত তেওঁৰ সক্ৰিয়তা লক্ষণীয়। ইফালে বিজেপি কৰ্মী তথা যুৱ-সমাজকৰ্মী লাচিত গগৈয়েও প্ৰাৰ্থীত্বৰ চেষ্টা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। তেওঁ শেহতীয়াকৈ দলীয় সভা-সমিতিৰ লগতে ৰাজহুৱা অনুষ্ঠানসমূহৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত হৈ নিজৰ উপস্থিতিৰ উমান দিছে। ইয়াৰ লগতে চৰ্চাত থকা নাম হৈছে দীপিকা কাকতি দুৱৰী। এইগৰাকী মহিলা নেত্ৰীয়েও বিজেপিৰ শিৱসাগৰ বিধানসভা সমষ্টিৰ সম্ভাব্য প্ৰাৰ্থীসকলৰ ভিতৰত অন্যতম মহিলা নেত্ৰী। বিজেপিৰ বিভিন্ন দায়িত্ব থাকি দলটোৰ হৈ কাম কৰি অহা মহিলা নেত্ৰীগৰাকীক লৈয়ো তেওঁৰ সমৰ্থকসকল আশাবাদী। আনহাতে বিগত বিধানসভা নিৰ্বাচনত ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ হাতত বিপুল ভোটত পৰাজয় বৰণ কৰা বিজেপি নেত্ৰী সুৰভী ৰাজকুঁৱৰীয়েও প্ৰাৰ্থীত্ব পোৱাৰ আশা মনতে পুহি ৰাখিছে। যদি মহিলাৰ বাবে শিৱসাগৰ বিধানসভা সমষ্টিটো সংৰক্ষণ কৰা হয় তেন্তে দীপিকা কাকতি দুৱৰী, বিনীতা শইকীয়া দে', সুৰভী ৰাজকুঁৱৰী প্ৰাৰ্থিত্বৰ অন্যতম দাবীদাৰ হৈ পৰিব। কিন্তু শিৱসাগৰ সমষ্টিক লৈ ৰাজ্যিক বিজেপিয়ে যি চিন্তা-চৰ্চা চলাই আছে ইয়াত আউল লগাব পাৰে অসম গণ পৰিষদৰ আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। যিহেতু আমগুৰি সমষ্টি বিলুপ্ত হোৱাৰ পাছৰেই পৰা প্ৰদীপ হাজৰিকা শিৱসাগৰ বিধানসভা সমষ্টিটোত সক্ৰিয় হৈ অগপ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত উঠি-পৰি লাগিছে। যদি মিত্ৰদল বিজেপিয়ে অগপৰ অবিহনে অকলেই শিৱসাগৰ বিধানসভা সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই তেন্তে অগপৰ পৰা প্ৰদীপ হাজৰিকাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি নিশ্চয়তা প্ৰদান কৰিব পাৰি। আনহাতে ন-বিজেপি অংকিতা দত্তয়ো উল্লিখিত সমষ্টি বিলুপ্তিকৰণৰ পাছত শিৱসাগৰ সমষ্টিত নিজৰ সক্ৰিয়তা বৃদ্ধি কৰিছে। এই সমষ্টিত প্ৰাৰ্থী প্ৰদানৰ ক্ষেত্ৰত বিজেপি দল বিপাঙত পৰাৰ সম্ভাৱনাই অধিক বুলি ৰাজনৈতিক মহলত চৰ্চা আৰম্ভ হৈছে।

গোৱালপাৰাত পৰিৱেশন কৰিলে "বন্দে মাতৰম্"

# ১৬ নৱেম্বৰত গোৱালপাৰা সদৰত আৰু ১৯ নৱেম্বৰত দুধনৈত অনুষ্ঠিত হ'ব "একতাৰ পদযাত্ৰা"

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৭ নৱেম্বৰ ঃ** লৌহ পুৰুষ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে দেশৰ অন্যান্য জিলাৰ লগতে গোৱালপাৰা জিলাতো "একতাৰ পদযাত্ৰা" (Unity March)ৰ আয়োজন কৰা হৈছে। তদুপলক্ষে বৃহস্পতিবাৰে গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধীয়ে গোৱালপাৰাত উপস্থিত হৈ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সংবাদমেলত অংশগ্ৰহণ কৰে। সংবাদ মেলখনত সাংসদ গৰাকীয়ে উল্লেখ কৰে যে - স্বাধীন ভাৰতৰ প্ৰথম গৰাকী গৃহ মন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে সেই সময়ত ৰাজনৈতিকভাৱে খণ্ড বিখণ্ড হৈ থকা দেশৰ বিভিন্ন অংশক যিদৰে একেলগ কৰি এই আমাৰ এই মহান দেশ ভাৰতবৰ্ষক গঢ় দিছে তাৰ বাবে আমি দেশবাসী চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতি চিৰদিন কৃতজ্ঞ হৈ আছো। তেখেতৰ সৱল নেতৃত্ব, দুৰদৰ্শী চিন্তাধাৰা আৰু প্ৰবল দেশপ্ৰেমৰ বাবেই আমি আজি এই বিশাল ভাৰতবৰ্ষৰ নাগৰিক হিচাপে বিশ্বৰ বুকুত চিনাকি দিব পাৰিছো। এই মহান ব্যক্তি গৰাকীৰ ১৫০ বছৰীয়া জন্ম জয়ন্তীত মাননিয় প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত অনুসৰি দেশৰ প্ৰতিখন জিলাতে এই "একতাৰ পদযাত্ৰা" (Unity March) অনুষ্ঠিত কৰি থকা হৈছে বুলি আজি সংবাদ মেলখনত সাংসদ বিজুলী কলিতা মেধীয়ে উল্লেখ কৰে। গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুং, জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল সংবাদ মেলখনত উপস্থিত থাকে। অহা ১৬ নৱেম্বৰ দেওবাৰে ৰাতিপুৱা ৬ বজাত গোৱালপাৰাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হ'বলগীয়া একতাৰ পদযাত্ৰাত ১০০০ লোকে অংশগ্ৰহণ কৰিব। গোৱালপাৰা জিলা সদৰৰ এই একতাৰ পদযাত্ৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা বিওচি-এএছটিচি পইণ্ট (নতুন বজাৰ) - নয়াপাৰা - পি আৰ চৰকাৰী হাইস্কুল - বৰপুখুৰী - টিলাপাৰা হৈ গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত সামৰণি পৰিব। সেই সময়তে জিলা আয়ুক্তৰ কাৰ্যালয়ত চৰ্দাৰ বল্লভ ভাই পেটেলৰ ভূমিকা সন্দৰ্ভত বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰাখিব। একতাৰ পদযাত্ৰা যি পথেৰে আগবাঢ়ি গৈ থাকিব সেই পথত চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবি আৰু তেখেতৰ বিভিন্ন উক্তি প্ৰদৰ্শন কৰা হ'ব। এই একতাৰ পদযাত্ৰা গোৱালপাৰা মহাবিদ্যালয়ৰ নেতৃত্বত মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপক ছাত্ৰ-ছাত্ৰী সকলোৱে অংশগ্ৰহণ কৰিব। তদুপৰি গোৱালপাৰা জিলা প্ৰশাসন, চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, বিভিন্ন অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী, নাগৰিক সমাজ আদিয়ে অংশগ্ৰহণ কৰিব। অনুৰূপ ধৰণে দুধনৈ সমজিলাতো ১৯ নৱেম্বৰ বুধবাৰে একতাৰ পদযাত্ৰা অনুষ্ঠিত হ'ব। দুধনৈত অনুষ্ঠিতব্য এই একতাৰ পদযাত্ৰা দুধনৈৰ 'উদয়পুৰ ৰাজহুৱা খেলপথাৰ'ৰ পৰা আৰম্ভ হৈ দুধনৈ আৰক্ষী থানাৰ সন্মুখেৰে দামৰা পথ হৈ পুনৰ উদয়পুৰ ৰাজহুৱা খেলপথাৰত উপস্থিত হ'ব আৰু তাতেই সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। আনহাতে একেদিনাই গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা সংবাদ মেলখনত সাংসদ গৰাকীয়ে উল্লেখ কৰে যে "বন্দে মাতৰম" গীতটি ৰচনা হোৱা ১৫০ বছৰ হোৱা উপলক্ষে এই মহান গীতটি দেশৰ বিভিন্ন স্থানত আনুষ্ঠানিকভাৱে পৰিৱেশন কৰাৰ ব্যৱস্থা কৰা হৈছে। গোৱালপাৰা জিলাত আজি এই গীতটি আনুষ্ঠানিকভাৱে পৰিৱেশন কৰা হ'য়। ১৮৭৫ চনত বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰা এই গীতটি ভাৰতবাসীৰ বাবে এক অমূল্য সম্পদ। দেশৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন সভা অনুষ্ঠিত কৰোঁতে এই গীতটি পৰিৱেশন কৰা হৈছিল। মুক্তিকামী ভাৰতবাসীৰ মাজত দেশপ্ৰেমৰ চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত "বন্দে মাতৰম " গীতটিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। সেয়ে এই গীতটিৰ বিষয়ে আমি সকলোৱে ভালদৰে জনা উচিত। আৰু ইয়াৰ গভীৰ ভাবাৰ্থক উপলব্ধি কৰা উচিত। এইগৰাকী মহান ব্যক্তি গৰাকীয়ে ১৮৭৫ চনতে ৰচনা কৰা "বন্দে মাতৰম" শীৰ্ষক গীতটি আজি গোৱালপাৰাত আনুষ্ঠানিকভাৱে সমূহীয়াকৈ গোৱা হয়। গোৱালপাৰা জিলা প্ৰশাসনে জিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত আজি আয়োজন কৰা "বন্দে মাতৰম"ৰ সমূহীয়া পৰিৱেশন অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুংএ। আয়ুক্ত গৰাকীয়ে উল্লেখ কৰে যে - বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে বন্দে মাতৰম গীতটি প্ৰথমে কবিতা হিচাপে "আনন্দ মঠ" নামৰ গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছিল। ভাৰতবৰ্ষৰ সেই সময়ৰ স্বাধীনতা আন্দোলনক আগুৱাই নিয়া আৰু ব্ৰিটিছ শাসনকাৰীৰ বিভিন্ন চক্ৰান্তক বাধা দিয়াৰ ক্ষেত্ৰত গীতটোৱে যি গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল তাৰ প্ৰতি লক্ষ্য ৰাখি সেই গীতটোক আমাৰ ৰাষ্ট্ৰীয় গীতৰ মৰ্যাদা প্ৰদান কৰা হৈছে। ইয়াৰ পিছতে সৈনিক স্কুল, গোৱালপাৰাৰ বেণ্ডৰ দ্বাৰা বন্দে মাতৰম গীতটিৰ সংগীত বজায়। ইয়াৰ পিছতে সকলোৱে থিয় হৈ বন্দে মাতৰম গীতটি পৰিৱেশন কৰে। গোৱালপাৰা জিলা প্ৰশাসনৰ মহিলা কৰ্মচাৰীৰ দ্বাৰা গঠিত দলটোয়ে গীতটি মঞ্চত পৰিৱেশন কৰে। আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয়তাবাদ আৰু একতাৰ অনন্য প্ৰতীক বন্দে মাতৰম গীতটিৰ ওপৰত এক সুন্দৰ ভাষণ প্ৰদান কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° সিদ্ধিনাথ শৰ্মাই। তেখেতে গীতটি ৰচনাৰ পটভূমি, দেশৰ স্বাধীনতা আন্দোলনত গীতটিৰ গুৰুত্ব আৰু গীতটিৰ প্ৰতিটো শব্দৰ ভাঙনি কৰি সহজ সৰল ভাষাত বৰ্ণনা কৰে। আজিৰ অনুষ্ঠানতে, নতুন দিল্লীত প্ৰধানমন্ত্ৰী ডাঙৰীয়াই প্ৰদান কৰা ভাষণৰ পোনপটীয়া সম্প্ৰচাৰ দেখুওৱা হয়। আজিৰ অনুষ্ঠানটোত গোৱালপাৰাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্ত সকলৰ লগতে জিলাখনৰ বিভিন্ন সমষ্টিৰ কেবাগৰাকীও প্ৰাক্তন বিধায়কে অংশগ্ৰহণ কৰে। অনুষ্ঠানটো পৰিচালনা কৰে শিল্পী জয়ন্ত মেধীয়ে।

# অভয়াপুৰী মহাবিদ্যালয়ত এন. এছ. এছ.ৰ প্ৰাক্ পদযাত্ৰাৰ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, সৃজনগ্ৰাম, ৭ নৱেম্বৰ ঃ** লৌহ মানৱ চৰ্দাৰ বল্লভ পেটেলৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ নিৰ্দেশমৰ্মে বঙাইগাঁও জিলাত ৭ আৰু ১৩ নৱেম্বৰ তাৰিখে অনুষ্ঠিত হ'বলগীয়া পদযাত্ৰাৰ প্ৰাকমুহূৰ্তত অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটে যোৱা ৩১ অক্টোবৰৰ পৰা ৬ নৱেম্বৰলৈ সাদিনীয়া প্ৰাক পদযাত্ৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰথম দিনাৰ আৰম্ভণী কাৰ্যসূচী হিচাপে কাৰ্য্যক্ৰম বিষয়াদ্বয় ড° নৱজিৎ মজুমদাৰ আৰু ধৰমসিং ইংতি কাথাৰে চৰ্দাৰ বল্লভভাই পেটেলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণগত মান নিৰূপন কোষৰ সমন্বয়ক ড° পৰী দেৱী আৰু দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক জগন্নাথ দাস উপস্থিত থাকে। অধ্যাপক দাসে ভাৰতৰ্ষত ৰাষ্ট্ৰীয় একতা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত চৰ্দাৰ বল্লভভাই পেটেলে আগবঢ়োৱা অৱিহণাৰ বিষয়ে বক্তব্য ৰাখে। ইয়াৰ লগতে সকলোৱে মিলি ৰাষ্ট্ৰীয় একতাৰ শপত লয়। উক্ত দিনটোতে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া বিষয়ৰ ওপৰত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দ্বিতীয় দিনা একেদৰে তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। তৃতীয় দিনা মহাবিদ্যালয়ৰ চৌহদত চাফাইৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। চতুৰ্থ দিনা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ভাস্কৰজ্যোতি দাস আৰু সহকাৰী অধ্যাপিকা ৰঙ্গিনা বসুমতাৰীয়ে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া বিষয়ৰ ওপৰত বক্তব্য আগবঢ়ায়। পঞ্চম দিনা ছাত্ৰ-ছাত্ৰীৰ মাজত পোষ্টাৰ মেকিং প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ষষ্ঠ দিনাৰ কাৰ্য্যসূচীত যোগাসন অভ্যাসৰ ব্যৱস্থা কৰা হয়। সপ্তম দিনা অৰ্থাৎ ৬নৱেম্বৰ তাৰিখে কাৰ্যক্ৰম বিষয়া ড° নৱজিৎ মজুমদাৰে আঁত ধৰা সামৰণিৰ অনুষ্ঠানত উপস্থিত থাকে মহাবিদ্যালয়খনৰ অধ্যক্ষ প্ৰাণজিৎ কলিতা, কাৰ্যক্ৰম বিষয়া ধৰমসিং ইংতি কাথাৰ আৰু স্বেচ্ছাসেৱকসকল। উক্ত অনুষ্ঠানত স্বেচ্ছাসেৱকসকলে ৰাষ্ট্ৰীয় একতা প্ৰকাশক নৃত্য-গীত-কবিতা আদি পৰিৱেশন কৰে। এই অনুষ্ঠানতে পূৰ্বে হৈ যোৱা প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন